REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam

# Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. XIV
## NO. 23

The 10th March, 1976

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

## BUDGET SESSION

## VOLUME—XIV

## No. 23

Dated the 10th March, 1976

CONTENTS


| | | PAGES |
|---|---|---|
| 1. | Questions and Answers | 1—27 |
| 2. | Voting on Demands for Grants | 28—74 |
| 3. | Calling Attention Notice | 74—76 |
| 4. | Discussion Under Rule 49 | 76—85 |
| 5. | Presentation of Report of Legislature Committee | 85 |
| 6. | Adjournment | 85 |

Proceedings of the Fourteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Wednesday, the 10th March, 1976 with the Hon'ble Speaker in the Chair, 14 (Fourteen) Ministers, 4 (four) Ministers of State, 1 (one) Deputy Minister, and 71 (Seventy one) Members present.

## STARRED QUESTIONS AND ANSWERS

Date : 10th March, 1976

---

Re : PPD Council and PPD Committees

Shri SANTOSH KUMAR ROY asked :

*264. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that Government has constituted PPD Council and PPD Committees in Sub-division and G.P. Level

Shri GAJEN TANTI (Minister, Supply) replied :

264. (a)—Government have constituted a Production, Procurement and Distribution Council and a Committee for Procurement and Public Distribution of essential commodities in each

respectively in the whole State ?

Subdivision and a Production, Procurement and Distribution Committee in each Gaon Panchayat.

(b) If so, whether these Councils and Committees have any jurisdiction to enquire into the distribution of the essential commodities made by the Wholesale Co-operation ?

(b)—Yes.

(c) If so, whether Government has issued any direction in this regard ?

(c)—The powers and functions of the Council and Committees have been notified at the time constituting the said Council and Committees.

Shri Santosh Kumar Roy : Mr. Speaker Sir, may I know whether the Government has any knowledge that the Committees are functioning efficiently in different Sub-Divisions ?

Shri Gajen Tanti (Minister) : Yes, Sir, the Committees are functioning very efficiently.

Shri Santosh Kumar Roy : Mr. Speaker, Sir, whether the Minister can enlighten the House if the Government received any complaint from the P.P.D. Council and P.P.D. Committees that the G.P. level Cooperative Societies are not cooperating with them in matters of distribution of essential commodities ?

Shri Gajen Tanti (Minister) : Sir, in some cases we are getting some complaints.

Shri Giasuddin Ahmed : Sir, may I know what is the difference

between the Council and the Committee and if any difference or clashes arise between the Council and the Committee whose decision will prevail ?

Shri Gajen Tanti (Minister) : Sir, if any difference arises at the Gaon Panchayat level, it is discussed in Sub-Divisional level and if the Sub-Divisional level Committee cannot settle, it will come to the State level Committees.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—মহকুমা ভিত্তিত আৰু জিলা ভিত্তিত আৰু গাওঁ পঞ্চায়ত লেভেলত যিবিলাক কমিটি বা কাউন্সিল হৈছে সেইবিলাকৰ লগত জিলাধিপতি আৰু মহকুমাধিপতি সংলগ্ন কৰাৰ ব্যৱস্থা কৰিব নে কি ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—মহকুমাধিপতি আৰু জিলাধিপতিৰ কাম বহুত, মহকুমা ভিত্তিত যিবিলাক কমিটি আছে তাৰ চেয়াৰমেনো, গতিকে পঞ্চায়তৰ লগত সংলগ্ন কৰাৰ কথাটো হোৱা নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—মহকুমা ভিত্তিত যিমান বিলাক কাউন্সিল আছে সেই কাউন্সিল বিলাকত জিলাৰ সদৰ জিলাধিপতিক আৰু মহকুমা সদৰৰ মহকুমাধিপতিক এই কাৰণেই দিব লাগিব যে যোগানৰ দায়িত্ব তেখেত সকলৰ হাতত থাকে। সেই কথালৈ লক্ষ্য ৰাখি সংলগ্ন কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—এই পৰামৰ্শটো বিবেচনা কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—যিবিলাক কাউন্সিল আছে এই কাউন্সিল বিলাকৰ মিটিং আৰু কমিটি বিলাকৰ মিটিং সময়মতে আহ্বান কৰা নহয় সেই কথালৈ লক্ষ্য ৰাখি চৰকাৰে নিৰ্দ্দিষ্ট সময়ত মিটিং পতাৰ কাৰণে ৰুল কৰি দিবনে ?

শ্ৰীগজেন তাঁতী :—পৰামৰ্শটো বিবেচনা কৰা হব।

Shri Santosh Kumar Roy : Mr. Speaker Sir, whether the Government has any knowledge that in P.P.D. Councils Ministers are deputed as Vice-Chairman and may I know whether they are attending the meetings regularly in the Sub-Divisions ?

Shri Gajen Tanti (Minister) : Sir, it is not possible for the Mininters to attend all the meetings regularly.

শ্ৰীজগদীশ দাস : এই কাউন্সিলৰ কিবা টাৰ্মচ এণ্ড কণ্ডিশ্যন আছে নেকি আৰু যদি আছে ইয়াৰ ম্যাদ কেতিয়ালৈকে আছে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : নটিফিকেশ্যন মতে দিয়া হৈছে ১৯৭৬ চনৰ ডিচেম্বৰ মাহলৈ বঢ়াই দিয়া হৈছে ।

**Shri Abdul Muqtadir Choudhury : Sir, may I know whether the P.P.D. Council is an advisory body to P.P.D. Committee ?**

**Shri Gajen Tanti (Minister) : Sir, the function of this Committee is of advisory nature.**

শ্ৰীসোনেশ্বৰ বৰা :—যেতিয়াই একোজন মন্ত্ৰী মহকুমাৰ সদৰ আৰু জিলাৰ সদৰলৈ টোৰত যায় তেনে সময়ত এই কমিটিবিলাক পাতিব লাগে বুলি নিৰ্দ্দেশ দিয়া হৈছেনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : তেনে নহয় ।

**Starred Question Nos 265 & 266 were not put, Members being absent.**

বিঃ গোলাঘাট মহকুমাত পৰিবহন নিগমৰ বাছ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*২৬৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান বছৰত গোলাঘাট মহকুমাৰ কোন কোন পথত পৰিবহন নিগমৰ বাছ চলোৱাৰ ব্যৱস্থা কৰিছে ?

(খ) গোলাঘাট-দক্ষিণ হেঙ্গেৰা-যোৰহাট, গোলাঘাট-মেৰাপানী, গোলাঘাট-বৰহোলা, গোলাঘাট-সৰুপথাৰ আদি পথ কেইটাত এই বছৰৰ পৰাই পৰিবহন নিগমৰ বাছ চলোৱা হব নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৭। (ক)—গোলাঘাট মহকুমাৰ গোলাঘাট-দৰিয়া-ৰঙাগড়া পথছোৱাত ৫।১২।৭৫ তাৰিখৰ পৰা পৰিবহন নিগমৰ বাছ চলাচল কৰি আছে । নিগমৰ বৰ্ডে গোলাঘাট-

দৰিয়া-কুৰালগুৰি-মহবন্ধাআলি-পানীচকুৱা যোৰহাট পথছোৱাত পৰিবহন নিগমৰ বাছ চলাচলৰ ব্যৱস্থাৰ কাৰণে আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দ্দেশ দিছে।

(খ)—গোলাঘাট-দক্ষিণ হেঙ্গেৰা-যোৰহাট, গোলাঘাট-মেৰাপানী, গোলাঘাট-বৰহোলা, গোলাঘাট-সৰুপথাৰ ইত্যাদি পথছোৱাত বৰ্ত্তমান বিত্তীয় বছৰৰ ভিতৰত বাছ চলাচল প্ৰৱৰ্ত্তনৰ কোনো আঁচনি নিগমৰ বিবেচনাধীন হৈ থকা নাই।

শ্ৰীসোনেশ্বৰ বৰা :—অধ্যক্ষ মহোদয়, এই গোলাঘাট মহকুমাৰ আয়তন আৰু গোলাঘাট মহকুমাৰ জনসংখ্যাৰ আনুপাতিক হিচাবে পৰিবহন বিভাগৰ বাছ চলোৱাৰ ব্যৱস্থা কৰা হৈছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :—তাত গোটেইখিনি ব্যৱস্থাই আছে।

শ্ৰীসোনেশ্বৰ বৰা : অন্যান্য মহকুমাত যি ধৰণে জনসংখ্যা অনুপাতে বাছ চলোৱা হৈছে গোলাঘাট মহকুমাতো সেই অনুপাতে বাছ চলোৱাৰ ব্যৱস্থা কৰা হৈছে নে নাই ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :—কিছুমান মহকুমাতকৈ গোলাঘাটত বেচিহে আছে, গোলাঘাটৰ পৰা যোৰহাট ভাইয়া ডেৰগাও, গোলাঘাটৰ পৰা যোৰহাট ভাইয়া মৰিয়ানী, গোলাঘাটৰ পৰা গুৱাহাটী ভাইয়া কমাৰগাও, গোলাঘাটৰ পৰা ডিব্ৰুগড় ভাইয়া মৰিয়ানী গোলাঘাট দিফু, গোলাঘাট তিতাবৰ, এই কেইটা আগৰে পৰা চলি থকা বাছ আৰু নতুনকৈ আৰম্ভ হৈছে গোলাঘাটৰ পৰা ৰঙাগুৰী ভাইয়া দৰীয়া ইত্যাদি।

শ্ৰীনগেন বৰুৱা : -গোলাঘাটৰ আৰু দিফুৰ মাজত পৰিবহনৰ বাছ চলি আছে নেকি ? যদি চলি আছে কেইখন চলি আছে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :—পৰিবহনৰ বাছ আছে, কেইখন আছে কব নোৱাৰো।

শ্ৰীসোনেশ্বৰ বৰা : - গোলাঘাটৰ পৰা মেৰাপানীৰ বিষয়ে বিবেচনা কৰা নাই বুলি কৈছে কিন্তু এই ৰাস্তা কেইটাৰ দূৰত্ব লৈ চাই এই কথাটো বিবেচনা কৰি চাবনে যাতে তাত চৰকাৰৰ বাছ চলোৱা হয়।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :—বৰ্ত্তমান তাত যিবিলাক প্ৰাইভেট বাছ চলি আছে সেই বাছ বিলাকে যদি ৰাইজৰ সুবিধা থিকমতে দিব নোৱাৰে আৰু তেনেস্থলত যদি ৰাইজৰ পৰা দাবী আহে তেনে ক্ষেত্ৰত চৰকাৰী বাছ চলাচল কৰাৰ কাৰণে বিবেচনা কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা :--এই ক্ষেত্ৰত বাইজৰ ফালৰ পৰা আবেদন-নিবেদন পাইছে নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :--নাই পোৱা।

বি: বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*২৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে গঠন কৰা বিশেষজ্ঞ সমিতিয়ে প্ৰতিবেদন দাখিল কৰিলেনে ?

(খ) যদি কৰা নাই, এই প্ৰতিবেদন দাখিল কৰাৰ দিন কেতিয়ালৈ নিৰ্দ্ধাৰণ কৰিছে ?

(গ) যদি প্ৰতিবেদন দাখিল কৰিছে, সেই প্ৰতিবেদন চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৮। (ক)—ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে গঠন কৰা বিশেষজ্ঞ সমিতিয়ে এতিয়ালৈকে প্ৰতিবেদন দাখিল কৰা নাই।

(খ)—বিশেষজ্ঞ সমিতিয়ে প্ৰতিবেদন দাখিলৰ বৰ্দ্ধিত ম্যাদ ইং ১৪।৩।৭৬ তাৰিখলৈকে আছে। অনুমান কৰা হৈছে যে এই সময়ছোৱাৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব নোৱাৰিলে এই ম্যাদ পুনৰ ছমাহলৈ বৰ্দ্ধিত কৰিব। এইটোও জানিব পৰা গৈছে যে বিশেষজ্ঞ সমিতিয়ে অহা এপ্ৰিল মাহৰ মাজ ভাগতে পুনৰ অসম ভ্ৰমণৰ পৰিকল্পনা কৰিছে।

(গ)—ওপৰৰ প্ৰশ্নোত্তৰ মতে এই প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বিশেষজ্ঞ কমিটীৰ কিমানবাৰ বৈঠক বহিছে আৰু ইতিমধ্যে যিবোৰ ঠাইত ৰাজধানী স্থাপনৰ কাৰণে প্ৰস্তাৱ আহিছে সেইবোৰ ঠাই পৰিদৰ্শন কৰিছে নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এই বিশেষজ্ঞ কমিটীৰ বৈঠক নতুন দিল্লীত বহিছে আৰু অন্য ঠাইতো বহিছে আৰু যে মাহ ১৯৭৫ত এই কমিটীয়ে চন্দ্ৰপুৰ আৰু শিলঘাট এই দুয়োখন ঠাই চাই গৈছে আৰু আকাশী পথেৰে এয়াৰ চাৰ্ভে কৰিছে দুয়োখন ঠাইত

তাৰ পিচত শিলঘাটৰ ৰাজধানী কৰ্ম পৰিষদৰ প্ৰেচিডেন্ট আৰু অন্যান্য সকলেও বিশেষজ্ঞ কমিটীৰ লগত আলোচনা কৰিছিল। তাৰ পিচত কমিটীৰ চেক্ৰেটাৰীয়ে যোৱা (১৯৭৬ চনৰ) জানুৱাৰী মাহত আহিছিল আৰু তথ্যপাতি সংগ্ৰহ কৰি গৈছে। মই আগতেই কৈছো যে এপ্ৰিল মাহত আকৌ এবাৰ আহিব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : সোনকালে সিদ্ধান্ত গ্ৰহণ কৰি যাতে কামত আগবাঢ়িব পাৰি তাৰ কাৰণে ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা বিশেষজ্ঞ কমিটীলৈ কিবা অনুৰোধ কৰা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সেই অনুৰোধতে এই কমিটী গঠন কৰা হৈছিল, তাতে এইটো কথা আছিল যে সোনকালে এইটো এটা সিদ্ধান্ত কৰি দিব লাগে। কিন্তু সিদ্ধান্ত দিয়াৰ কাৰণে অলপ অসুবিধা হৈছে কাৰণ নানা ৰকমৰ তথ্যপাতি লাগে, সময়ে সময়ে তথ্যপাতি আমাক বিচাৰি আছে আৰু আমাৰ ফালৰ পৰা তথ্যপাতি সংগ্ৰহ কৰি দি থকা হৈছে। এই বিশেষজ্ঞ কমিটীয়ে জানিব বিচাৰিছে এই দুয়োখন ঠাইৰ কোনোঠাইত ৰাজধানী হলে গোটেই ৰাজ্যখনৰ অৰ্থনৈতিক দিশটো কেনেকৈ গঢ়ি তুলিব পাৰি তাৰ পিচত আকৌ দুয়োখন ঠাইৰ টপ' গ্ৰাফি আৰু সেই ঠাই দুখনৰ লোকেল এনভিৰন্ মেণ্ট এই গোটেই বিলাক আনি যুগুতাই দিয়াৰ কাৰণে সময় লৈছে আৰু নতুন নতুন তথ্যপাতি বিচাৰিয়েই আছে সেই কাৰণে অলপ পলম হৈছে। সোন-কালে হলে আমি অলপ ভালেই পাওঁ।

শ্ৰীনগেন বৰুৱা : মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টাৰ্মচ অব ৰেফাৰেন্সত এই কমিটীক যি সময় সীমা বান্ধি দিয়া হৈছিল সেইটো নিৰ্দ্ধাৰিত সময়ৰ পিচত এই সমিতিয়ে প্ৰতিবেদন দাখিল কৰিব লাগিছিল কিন্তু তাৰ পিচত আৰু কিমানবাৰ এই কমিটীৰ ম্যাদ বঢ়াই দিয়া হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : কমিটী গঠন কৰা হৈছিল ১৫।৩।৭৩ তাৰিখে সেই ম্যাদ অৰ্থাৎ ১৪।২।৭৪ তাৰিখে বঢ়াই দিয়া হৈছিল। তাৰ পিচত ম্যাদ উকলি যোৱাৰ কাৰণে ১৯৭৪ চনৰ চৈধ্য চেপ্তেম্বৰত দ্বিতীয়বাৰৰ কাৰণে, ১৯৭৫ চনৰ চৈধ্য মাৰ্চত তৃতীয়বাৰ ১৯৭৫ চনৰ চেপ্তেম্বৰৰ চৈধ্য তাৰিখে চতুৰ্থবাৰ আৰু ১৯৭৬ চনৰ মাৰ্চ মাহৰ চৈধ্য তাৰিখে পঞ্চমবাৰৰ কাৰণে ম্যাদ বঢ়াই দিয়া হৈছে।

মৌলানা আব্দুল জলিল চৌধুরী : অধ্যক্ষ মহোদয়, স্থায়ী চাকুরীর বেলায় দেখা যায় নিযুক্তির তিন বৎসর অতিবাহিত হওয়ার পরে সেটা স্থায়ী হয়ে যায়। অস্থায়ী রাজধানীরতো তিন বৎসর অতিবাহিত হয়ে গেল, সেটা কি স্থায়ী হবে ? আর এম,

এল, এ দেরেও কোয়ার্টার দিয়ে যে সুযোগ সুবিধা দেওয়া হয়েছে তার পরিপ্রেক্ষিতে এটাই কি স্থায়ী রাজধানী ?

শ্রীশরৎ চন্দ্র সিংহ (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এম, এল, এ, দের জন্য কোয়ার্টার স্থায়ী না হলেও অন্যদের জন্য স্থায়ী। আর, অন্যক্ষেত্রে তিন বৎসরে অনেক কিছুই স্থায়ী হয়, রাজধানীর বেলায় স্থায়ী হয়নি।

শ্রীলীলাকান্ত বৰা : এখন অস্থায়ী ৰাজধানীৰ গৃহনির্মাণ আৰু স্থানান্তৰ কৰাতে যদি এবছৰ লাগিলে স্থায়ী ৰাজধানীৰ স্থান নির্ণয় কৰোতে কিমান বছৰ লাগিব আৰু ইয়াৰ দ্বাৰা চৰকাৰৰ হেমাহি আৰু নিষ্ক্ৰিয়তাৰ কথা প্ৰমাণ নকৰেনে ?

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্য মন্ত্রী) : এখন ৰাজধানী নির্ম্মাণ কৰিব লাগিলে সময়ৰ যিটো অগ্ৰগতি, যিটো অগ্ৰগতি দ্ৰুত আৰু দ্ৰুততৰ হৈয়েই আছে সেই কাৰণে ৰাজধানী নির্ম্মাণ কৰিবৰ সময়ত কেৱল দহ পোন্ধৰ বছৰৰ কথা বিবেচনা কৰিলে নহব এশ বছৰৰ পিচৰ অথবা তাতকৈ বেছি বছৰৰ কথাহে বিবেচনা কৰি ৰাজধানী নিৰ্ম্মাণ কৰিব লাগিব। যদি খৰকতীয়াকৈ কৰিবলগীয়া হয় তেতিয়াহলে আমাৰ পৰৱৰ্ত্তী সকলে আমাক নিন্দা কৰিব। যাতে পৰৱৰ্ত্তী পুৰুষে আমাক নিন্দা কৰিব নোৱাৰে তাৰ কাৰণে গোটেই কথাটো ভালকৈ বিবেচনা কৰি কৰাৰ কাৰণে ঠিক কৰা হৈছে।

শ্রীপুষ্পধৰ চলিহা : মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে নতুনকৈ গঠিত হোৱা, সৌ সিদিনাখন মাত্ৰ জন্ম হোৱা অৰুণাচল প্ৰদেশৰো স্থায়ী ৰাজধানী ইটানগৰত স্থাপন কৰি ঘোষণা কৰিলে তেনে ক্ষেত্ৰত অসমৰ ৰাজধানীৰ কাৰণে ইমান লেহেম গতিত কিয় হৈ আছে ?

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্যমন্ত্রী) : ইটানগৰ আগৰ ৰাজধানী আছিল। কেৱল পুৰণা ৰাজধানীকেই নতুনকৈ পাতিছে। আমাৰো সেই ফালৰ পৰা চালে গুৱাহাটী হয় কিন্তু গুৱাহাটীত কৰিব নোখোজাৰ কাৰণেই দিগদাৰী হৈছে।

শ্রীলীলাকান্ত বৰা : মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে পঞ্চম বাৰৰ কাৰণে সমিতিক সময় সীমা বঢ়াই দিয়া হৈছে ইয়াৰ পিচত আৰু কিমানবাৰ সময় বঢ়াই দিয়া হব কিবা সিদ্ধান্তত আহিব পাৰিনে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্যমন্ত্রী) : আচলতে বিশেষজ্ঞ সকলৰ লগত, যিকোনো বিশেষজ্ঞই হওক লাগিলে বিশেষজ্ঞ সকলৰ কথা অলপ বেলেগ। সেই কাৰণে বিশেষজ্ঞ সকলৰ লগত অলপ অসুবিধা হয় সেয়ে সময় সীমা বঢ়াই দিবলগীয়া হৈছে ; আমাৰ ফালৰ পৰা

বেছিকে হেঁচা যদি দিয়া হয় তেতিয়া হলে কাম নহয় সেই কাৰণে হেঁচা দিয়াত অসুবিধা হৈছে ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : এই কথাটো সঁচানেকি যে যিথন বিশেষজ্ঞ কমিটী গঠন কৰি দিয়া হৈছে সেই সকলো সদস্যই একগোট হৈ বহিব নোৱাৰে কাৰণেই এই সময় সীমা বঢ়াই দিবলগীয়া হৈ আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : এইটো সঁচা নহয়, কাৰণ তথ্যপাতি সংগ্ৰহ নকৰিলে বিশেষজ্ঞ কমিটীয়ে বহি সিদ্ধান্ত কৰিব নোৱাৰে কিন্তু তথ্যপাতি সংগ্ৰহৰ কাৰণে সময় লাগে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : যিহেতু এই বিলাক কথাত হেমাহি হৈ আছে আৰু এই হেমাহিৰ কাৰণেই হেঁচা দিব পৰা নাই আমাৰ ভৱিষ্যৎ জীৱনৰ কাৰণে হেঁচা দিব পাৰিম নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, জীৱনটোৱে অস্থায়ী ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : এই কথাত বহুত সুবিধা অসুবিধালৈ লক্ষ্য ৰাখি এই বিশেষজ্ঞ কমিটীৰ ৰিপোৰ্ট দিয়াৰ বাবে অহা নিৰ্বাচনৰ পিচলৈ বঢ়াই দিলে ভাল হয় নেকি ?

( উত্তৰ দিয়া নাই । )

**Re : Additional Power Projects**

Shri PROMODE CHANDRA GOGOI asked :

*269. Will the Minister, Power be pleased to state—

(a) Whether it is a fact that the State Government have proposed Additional Power Projects to the Central Government to meet the shortage of power within the State as a result of bifurcation of Assam State Electricity Board ?

(b) If so the number of Power Projects so far approved by the Central Government ?

Shri MD. IDRIS (Minister, Power) replied :

269. (a) Yes.

(b)—Only one Power Project' viz. Bongaigaon Thermal Power Station with installed capacity of 2x60 M.W. has been approved by the Government of India so far.

Shri Promode Chandra Gogoi : Whether there is any proposal from the Govt. of Assam to utilise the gas available from the O.N.G.C. oil fields considering the shortage of power in the State ?

Shri Md. Idris (Minister) : Yes Sir, there is a proposal for installation of a 3x15 M.W. set.

Shri Promode Chandra Gogoi : Whether any techo-economic project report has been prepared by the Government ?

Shri Md. Idris (Minister, Power) : Yes Sir, The Assam State Electricity Board had prepared a project report and submitted in October last.

Shri Promode Chandra Gogoi : What is the reaction from the Govt. of India or the Planning Commission ?

Shri Md. Idris (Minister, Power) : The reaction of the Planning Commission and the Central Electricity Authority is that if clearance for the gas is received, they will have no objection for giving clearance to this Project.

Shri Dulal Chandra Khound : Whether Borgolai has been cleared by the Planning Commission and the Central Power Commission ?

Shri Md. Idris (Minister, Power) : Not Yet, Sir.

Shri Dulal Chandra Khound : What are the objections ?

Shri Md. Idris (Minister) : The basic objection in clearing that project is that the coal available contains high percentage of sulpher. The Govt. of India has, therefore, constituted a technical Committee to go into this problem and to give a decision as to whether it could be feasible.

Shri Manabendra Sarma : What is the total shortage of power in the State and measures will be taken to bridge this gap ?

Shri Md. Idris (Minister, Power) : At the moment the total power available is 75 MW as against the demand of 120 MW, Therefore, the shortage is there.

Shri Giasuddin Ahmed : What will be the total demand at the end of the Fifth Five-year Plan and what will be the shortage and what measures will be taken to bridge this gap ?

Shri Md. Idris (Minister, Power) : The question covers the whole gambit of the problem. The shortage of power by the end of the Fifth Plan will be to the tune of 330 MW, and with the steps we have taken it will not be possible to meet the full shortage. The Hon'ble Members will appreciate that power generation takes time. In fact we have obtained clearance for one project and another regional project named Kapili Project. Even if all these are taken into consideration, still there will be shortage.

Shri Promode Chandra Gogoi : Sir, the Minister has informed the House that if they get clearance from the O.N.G.C. they can install the power project based on gas. May I know, Sir,, whether the State Government has taken up the matter with the authorities of the O.N.G.C. at the highest level ?

Shri Md. Idris (Minister, Power): Very much. The Chief Minister had himself taken up the matter, and I am glad to inform

the House informally, of course, that we have got clearance for 10 million cft of gas.

Shri Subhankar Singha : Sir, when generation of power from water sources is cheaper why we go for gas and not for water ?

Shri Md. Idris (Minister, Power) : Sir, it is true that generation of power from hydel projects is cheaper. But Sir, Assam is beset with the problem of not having enough hydel potential. So we are to take recourse to fuel like coal, gas etc.

Re : Bus Services between Gauhati and Cachar District

Shri SUDARSAN DAS asked :

*270. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that there is no Bus Service between Gauhati and Cachar District operating on roads over the territorial jurisdiction of the State of Assam ?

(b) If so, the reason thereof ?

(c) Whether Government is aware that Meghalaya will have soon its own Road Transport Corporation and accordingly the assets of the Assam-Meghalaya Road Transport Corporation will have to be divided between the two States ?

(d) If so, how the Government propose to continue the bus service plying between Gauhati and Cachar District ?

Shri INDRESWAR KHOUND (Minister, Transport) replied :

270. (a) – Yes.

(b) – Both the Lumding-Haflong and Haflong-Silchar roads are not fit for operation of Corporation Services.

(c)—It is not known whether Meghalaya will form its Corporation. Meghalaya has at present, a departmentally run transport undertaking.

The matter of bifurcation of Assam and Meghalaya States Road Transport Corporation is under consideration of the Central Government and with the bifurcation the assets and liability of the Assam and Meghalaya State Road Transport Corporation, will also be divided.

(d)—The question of operating the inter-State Services like the ones between Cachar and the rest of Assam is also under consideration along with the bifurcation scheme.

শ্রীসুদর্শন দাস : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় বলেছেন যে লামডিং—শিলচর রাস্তা সম্পূর্ণ না হওয়ায় বাস চলাচল সম্ভব হয়নি।

মন্ত্রী মহোদয় জানাবেন কি যে এই লামডিং—শিলচর রাস্তা কোন পরিকল্পনার সময় আরম্ভ হয়েছিল এবং বর্তমানে এর কাজের অগ্রগতি কতটুকু এবং কবে পর্যন্ত এই বাস সার্ভিস্ চালু হবে ?

শ্রীইন্দ্রেশ্বৰ খাউণ্ড (মন্ত্রী, পৰিবহন) : এইটো গড়কাপ্তানী বিভাগৰ কথা। গড় কাপ্তানী বিভাগেহে কব পাৰিব।

Shri Manabendra Nath Sarma : Of this Assam Meghalaya Road Transport Corporation how many miles are under Meghalaya and how many miles under the State of Assam ?

Shri Indreswar Khound (Minister, Transport) : It is difficult to answer now.

Shri Subhankar Singha : Sir, the road from Lumding to Haflong, I understand, is almost complete. The distance between Silchar to Haflong is less than the distance from Silchar to Shillong and this road also very often gets disrupted due to land slide. Sir, I

want to know from the Minister whether the Transport Department has taken up the matter with the P.W.D ?

Shri Indreswar Khound (Minister, Transport) ! Sir, I have already stated in reply to (b) that the road from Lumding to Haflong and Haflong to Silchar is not fit for running transport buses. As a matter of fact towards the end of 1974 the Corporation on an experimental basis put some buses on the line, but it could not be continued because of the bad condition of the road.

Shri Giasuddin Ahmed : Sir, whose decision it was to name the former Assam Road Transport Corporation as the Assam Meghalaya Road Transport Corporation ? Was there any concurrence of the Govt. of Meghalaya ?

Shri Indreswar Khound (Minister) : There was no question of concurrence. It was done at the instance of the Central Governmet.

Shri Giasuddin Ahmed : Whether any decision was made with regard to the assets and liabilities of this joint Corporation

Shri Indreswar Khound (Minister) : No decision has been made as yet.

Shri Giasuddin Ahmed : How the Govt. propose to partition the assets and liabilities of this Corporation covering two States ?

Shri Indreswar Khound (Minister) : The assets and liabilities are to be divided according to the terms of the North Eastern Council Re-Organisation Act. The matter now is under the consideration of the Central Government becouse the Govt. of Meghalaya had gone to Central Government for a decision.

Shri Giasuddin Ahmed : What was the decision of the North Eastern Council ?

Shri Indreswar Khound (Minister) : No decision has been taken under the North Eastern Re-Organisation Act.

Re : Grievances of Dhubri District Krishak Sabha etc.

Shri GIASUDDIN AHMED asked :

*271. Will the Chief Minister be pleased to state—

(a) Whether the Chief Minister received a memorandum dated 22nd January, 1976 signed by the questioner and others on behalf of the Dhubri District Krishak Sabha, Raiyat Sangha and Khet Mazdoor Union ?

(b) If so, the steps taken in this regard ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

271. (a)—Yes.

(b)—The memorandum contained a number of grievances and suggestion concerning Departments like Revenue, Co-operation, Police etc, Departments concerned have been instructed to take appropriate action after due examination of various matters raised in the memorandum.

Shri Giasuddin Ahmed : Sir, one of the points in the memorandum is this that huge areas of land have been concealed by land owners and whose land are liable to be acquired under the Act. So, may I know from the Hon'ble Chief Minister what step is being proposed to solve this problem, namely, concealment of excess lands by the land owners ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, they have been asked to submit the reports. On their submission of reports if it is found that they have concealed some of their land-holdings, action will be taken according to the provision of the law.

Shri Giasuddin Ahmed : Sir, the problem is like this—when X sells the land to Y by a registered sale-deed and when the mutation is not done in the name of the purchaser-in that case no record is found in the name of the purchaser in Revenue Deptt. and in this way many lands have been sold and no revenue record is there, So. it is very easy to conceal land holdings so purchased. In that case what steps Govt. propose to take to catch the land owners ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, such transaction after April, 1970 is illegal and if any land owner has done so, the law will take care of him.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মেমোৰেণ্ডাম খনৰ দফাবিলাক কি কি আছিল আৰু এই ইউনিয়নৰ মেম্বাৰ সকলৰ নাম বিলাক জনাব পাৰিবনে ?

শ্ৰীগিয়াচুউদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্ত্তাই জানিব খোজা কথাখিনি মোৰ পৰাই লব পাৰিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মন্ত্ৰীৰ পৰাই জানিব বিচাৰোঁ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : ধুবুৰী জিলা কৃষক সভা, ৰায়ত সংঘ আৰু খেত মজদুৰ ইউনিয়নৰ পক্ষৰ পৰা শ্ৰীগিয়াচুদ্দিন আহমেদ, শ্ৰীঅনিমেষ বৰ্দ্ধন, শ্ৰীমুকুল দাস, শ্ৰীতত্ব নাৰায়ন অধিকাৰী আদি মেম্বাৰ সকলে এখন স্মাৰক পত্ৰ দাখিল কৰিছিল আৰু স্মাৰক পত্ৰত বহুতো দাবী আছে। সেই বিলাক পঢ়ি শুনোৱা সম্ভৱ নহয়।

শ্ৰীদুলাল থাউণ্ড : অধ্যক্ষ মহোদয়, শ্ৰীগিয়াচুদ্দিন আহমেদে উদাহৰণৰ সহায়েৰে কৰা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কৈছিল যে ১৯৭০ চনৰ ১ এপ্ৰিলৰ পৰা এই বিষয়ক মাটিৰ ক্ৰয় বিক্ৰয় কাৰ্য্য সম্পাদন হৈছে। সেই বিলাক আইনতঃ নাকচ হৈ যাব। তথাপি এই বিষয়টো ভালকৈ বোধগম্য হোৱাৰ কাৰণে কিমানখিনি ৰেজিষ্ট্ৰেচন হৈছে। চাব ৰেজিষ্ট্ৰাৰৰ কাৰ্য্যালয়ত তাৰ এটা অনুসন্ধান কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : অনুসন্ধান কৰিব পৰা যায়।

শ্ৰীগিয়াচুদ্দিন আহমেদ : এইটো যি সমস্যা এই সমস্যাৰ সমাধান প্ৰশ্নউত্তৰ হিচাপে

কৰা সম্ভৱ নহয়। গতিকে এই বিষয়টো সদনত আলোচনা কৰাৰ এটা ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : মই সেই একে ৰকমৰ কথা বিলাককে ইয়াৰ সংশ্লিষ্ট আলোচনা বিলাকত উত্থাপন কৰিয়েই আছোঁ। আৰু এই বিলাক কথা চিলিং আইন, প্ৰজাস্বত্ব আইন, গ্ৰাম্য ঋণ গ্ৰস্ততা সহায় আইনৰ আলোচনাৰ অন্তৰালতো এই কথা বিলাক আলোচনা কৰাৰ সুযোগ পাব। তেনেস্থলত বেলেগে এই বিষয়তো আলোচনা কৰাৰ প্ৰয়োজন নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এনে ধৰণৰ লেনদেন বিলাক যদি বগা'চ হয় তেতিয়াহলে সেই বিলাক নাকচ কৰাব কাৰণে চৰকাৰে ব্যৱস্থা হাতত লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : বগা'চ বুলি জানিলে তাৰ একচন লোৱা হয়। কিন্তু এইটো উলিওৱাই টান হৈ পৰে। আৰু এইটোও ঠিক যে কোনো এটা বিষয়ত আইনগত ব্যৱস্থা থাকিলেই কাম বিলাক নিয়মমতে হব এনে নহয়। তাৰ কাৰণে সমাজৰ এটা অনুকূল পৰিৱেশৰ দৰ্কাৰ। আৰু এনে পৰিৱেশ এটা যেতিয়া গঢ়ি উঠে তেতিয়া এনে বিলাক কামৰ কাৰণে আইনৰ কোনো প্ৰয়োজন নহয়।

Starred Question No. 272 was not put. Member being absent

Re : Country Spirit Shops

Shri MAL CHANDRA PEGU asked :

*273. Will the Minister, Excise be pleased to state—

(a) Whether the Hon'ble High Court, Assam has passed order staying settlement of the Country Spirit Liquor Shops (Excise shops) in the State ?

(b) If so, whether alternative arrangement for running the Country Spirit Liquor Shops of Jorhat Subdivision will be made by the Government after the expiry of the leases of the sitting lessees of the Country Spirit Shops.

(c) Whether there is any provision in the Excise Act and its Rules for granting of extension of the leases ?

(d) If not, why extensions were given ?

Shri MD. IDRIS (Minister, Excise) replied :

273. (a)—The Hon'ble Gauhati High Court has stayed Settlement of the Country Spirit Shops of the Jorhat Subdivision only.

(b)—The matter is under consideration of the Government.

(c) & (d)—There is no specific provision as such. But when in August, 1974, the process of settlement as per the new Assam Excise (Amendment) Rules, 1974 was initiated, some sitting lesees field writ petitions before the Hon'ble Supreme Court challenging the new Rules. The Court stayed the settlement of the Country Spirit Shops of the petitioners.

Consquent on this, the Government deferred settlement in the entire State pending disposal of the writ petitions in the Supreme Court.

In view of this situation, the status quo then prevailing had to be maintained to comply with the orders of the Court and to prevent loss of revenue.

Shri Mal Chandra Pegu : Sir, may I know from the Hon'ble Minister whether any specific direction has been given by the Hon'ble Court for granting of extension of the leases ?

Shri Md. Idris (Minister) : Sir, whether there is any specific direction or not is not the thing. The fact is that Hon'ble Supreme Court stayed the settlement of the Country Spirit Shops of the petitioners and as a result of this the status-quo then prevailing had to be maintained to comply with the orders of the Court.

Shri Mal Chandra pegu : Sir, why the stay order was given beyond the term of the lease ?

Shri Md. Idris (Minister) : Sir, the extension was not given beyond the term of lease. When the process of settlement was initiated some sitting lesees filed writ petitions before the High Court and the court stayed settlement. That is the position.

বিঃ দেশী মদৰ দোকান

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৭৪। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মুঠ কিমানখন দেশী মদৰ দোকান আছে আৰু ক'ত ক'ত?

(খ) এই দোকানবোৰৰ পৰা বাৰ্ষিক ৰাজহ কিমান পোৱা হয়?

(গ) এই দোকানবোৰৰ পট্টা বন্দৱস্তি আৰু নৱীকৰণৰ কি নিয়মত চলি আছে?

(ঘ) এই নিয়মৰ পৰিৱৰ্ত্তনৰ সংশোধনী আইনৰ ব্যৱস্থাৱলী কেতিয়া কাৰ্য্যকৰী কৰা হব?

শ্ৰীমহম্মদ ইদ্ৰিছ (আবকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৭৪। (ক)—অসমত মুঠ ১৮৪ খন দেশী মদৰ দোকান আছে। দোকান সমূহৰ অৱস্থান দেখুৱাই এখন তালিকা সদনৰ মেজত দিয়া হল।

(খ) - যোৱা তিনি বছৰৰ গড় হিচাব মতে বাৰ্ষিক ৰাজহ ১·৫৯ কোটি টকা।

(গ) আৰু (ঘ)—শিৱসাগৰ জিলাৰ যোৰহাট মহকুমাৰ বাহিৰে বাকী আটাইকেইখন জিলাত ১৯৭৪ চনৰ অসম আবকাৰী সংশোধিত বিধি মতে দেশী মদৰ দোকানবোৰৰ বন্দৱস্তি ১৯৭৬ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৭৯ চনৰ ৩১ মাৰ্চ লৈ দিয়া হৈছে।

এজন মহলদাৰে নতুন সংশোধিত বিধিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত গোচৰ কৰি স্থগিত আদেশ লোৱাত যোৰহাট মহকুমাত দেশী মদৰ দোকানৰ বন্দৱস্তি স্থগিত ৰাখিব লগা হল।

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, নতুন সংশোধিত নিয়মাৱলী অনুসৰি যি বন্দৱস্ত দিয়া হল সেই বন্দৱস্ত মতে কিমানজন নতুন মহলদাৰক বন্দৱস্তী দিব পৰা

হব আৰু কিমানজন পূৰণা মহলদাৰক দিব পৰা হব? তাৰ হিচাবটো মন্ত্ৰী মহোদয়ে দিবনে?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): এই হিচাবটো এতিয়াও নিৰ্ণয় কৰা হোৱা নাই চাৰ।

Shri Charan Narzary : Sir, liquor is considered to be the greatest social evil, and the prohibition laws are there. On the other hand, the Government have been giving permits for opening liquor shops. Why this self-contradiction on the part of the Government ? Will the Minister enlighten us ?

Shri Mohammed Idris (Minister) : There is no self-contradictory question in this matter. The House very well knows that we have introduced prohibition in three Districts and we have kept the shops open in other Districts. Therefore, where prohibition has been enforced no settlement of liquor shop is given but where prohibition has not been enforced this has been extended.

শ্ৰীনগেন বৰুৱা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই মাত্ৰ জনালে যে অসমৰ কেইখনমান জিলাত প্ৰহিবিচন আছে আৰু কেইখনমান জিলাত নাই, ভৌগলিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি অসমৰ কোনখন জিলাত মদ খাব নালাগে—ইয়াৰ অৰ্থটো কি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): চাৰ, এই পৰিস্থিতিটো..........

মিঃ স্পীকাৰ: এই বিষয়ে সিদিনা আপুনী কৈছেই।

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): সিদিনা মই ভালকৈয়ে কৈছো চাৰ।

হাচিমুদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, যি কেইখন জিলাত মদ নিবাৰণ কৰিছে সেই কেইখন জিলাৰ পৰা কিমান ৰেভিনিউ পায়?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): এই বিষয়ে বেলেগে প্ৰশ্ন লাগিব চাৰ।

মৌলানা আব্দুল জলিল চৌধুরী: অধ্যক্ষ মহোদয়, কয়টা জেলায় এই মদ নিবারণী আইন প্রযোজ্য হয়েছে এবং কি পরিমাণ লোক এর ফলে এফেকটিভ্ হয়েছে মন্ত্রী মহোদয় জানাবেন কি?

মঃ ইদ্রিছ (মন্ত্রী)ঃ কি পরিমাণ লোক এফেকটিভ্ হয়েছে সেটা মাননীয় সদস্য নিজেই অনুধাবন করলে সুখী হবো। কিন্তু আমাৰ মতে ভাল ৰকমই হয়েছে।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দেশী মদৰ পৰা কিমান ৰাজহ পায় তাৰ এটা হিচাব দিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে বিদেশী মদৰ দোকানো আছে নেকি? যদি আছে ইয়াৰ পৰা কিমান টকা আয় হয় আৰু এই দুটা মদৰ মাজত পাৰ্থক্য কি আৰু সোৱাদ কোনটোৰ কেনেকুৱা?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী)ঃ মাননীয় প্ৰশ্ন কৰ্ত্তা গৰাকীয়ে বিদেশী মদৰ কথা লৈ যিটো প্ৰশ্ন উত্থাপন কৰিছে বেলেগে প্ৰশ্ন দিলে তাৰ উত্তৰ দিব পাৰি, কিন্তু এই দুটাৰ মাজত যি পাৰ্থক্যৰ কথা সুধিছে সেইটো কোৱা টান।

শ্ৰীনগেন বৰুৱাঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে কি যে নবীকৰণ কৰাত কিমান পূৰণি মানুহে তেওঁলোকৰ অঙ্গহী-বঙ্গহীৰ নামত বেআইনী ভাবে মহলৰ পট্টন পাইছে আৰু তাৰ কিবা অভিযোগ উঠিছে নে কি?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, তেনে কোনো অভিযোগ পোৱা নাই, কিন্তু বহু আপিল আহিছে।

Shri Lila Kanta Bora : The Minister has said that there is no self-contradictory question in the matter but may I know from the Minister that whether there is contradiction in the policy adopted by the Government?

Shri Mohammed Idris (Minister) : Sir, it is a matter of opinion, we have adopted policy like that.

শ্ৰীমাল চন্দ্ৰ পেগুঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে যিবিলাক ড্ৰাই এৰিয়া তাত বিদেশী মদ বিক্ৰী কৰিবলৈ দিয়া হৈছে নে কি? যদি হৈছে তেন্তে কেনেকৈ ড্ৰাই এৰিয়া হল?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, বিদেশী মদৰ ওপৰত এটা বেলেগ প্ৰশ্ন আছে, উত্তৰ দিওঁতে তেতিয়া কম।

শ্ৰীলক্ষ্মীকান্ত শইকীয়াঃ অধ্যক্ষ মহোদয়, ১৮৪ খন যি বিদেশী মদৰ দোকান আছে তাৰ সংখ্যা আৰু বৃদ্ধি কৰাৰ ব্যৱস্থা আছে নে কি? আৰু কেন্দ্ৰীয় চৰকাৰে যি ১২

দফীয়া আঁচনিৰ আইনমতে গাওঁত যত দুৰ্বল শ্ৰেণীৰ মানুহে বাস কৰে তাৰ পৰা আৰু চহৰৰ মাজত থকা দোকানবোৰ উঠাই লোৱাৰ সিদ্ধান্ত কৰিছে সেই মতে আমাৰ চৰকাৰে কিবা ব্যৱস্থা কৰিছে নে কি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, দোকান বৃদ্ধিৰ কোনো প্ৰস্তাৱ নাই আৰু ১২ দফীয়া আঁচনিমতে কেন্দ্ৰীয় চৰকাৰে যি ব্যৱস্থা কৰিছে আমাৰ চৰকাৰে এতিয়াও তাৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা নাই।

শ্ৰীপীট সিং কোৱঁৰ : অধ্যক্ষ মহোদয়, শতকৰা পাঁচ ভাগ হিচাবে মদ বিক্ৰী কৰা আইন এখন মাজতে কৰা হৈছিল, সেইমতে কিমানখন দোকানক অনুমতি দিয়া হল ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেনে এটা কথা এবাৰ কোৱা হয়, কিন্তু সেইমতে দোকান দিয়া এতিয়াও হোৱা নাই, কিন্তু সিদ্ধান্ত কৰা হৈছে।

শ্ৰীমানৱেন্দ্ৰ শৰ্মা : অধ্যক্ষ মহোদয়, আমাৰ ৰাজধানী দিশপুৰৰ ওচৰে-পাজৰে যিবিলাক দেশী মদৰ দোকান আছে সেইবিলাক নবীকৰণ কৰাৰ ব্যৱস্থা কৰিছে নে কি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নবীকৰণ কৰাৰ ব্যৱস্থা নাই, মাননীয় সদস্য গৰাকীয়ে সহায় কৰিলে ধৰাৰ ব্যৱস্থা কৰিম ?

Shri A. Muqtadir Choudhury : Sir, whether Hon'ble Minister is aware about the existence of unlicensed liquor shops in Assam ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইটো বন্ধ কৰিবৰ কাৰণে প্ৰহিবিচন কৰা হৈছে।

Starred question No 275 was not put. Member being absent

Re : Nefatala Scheme

Shri SUDARSAN DAS asked :

*276. Will the Minister Flood Control be pleased to state –

(a) The Total amount of money sanctioned for the implementation of the Nefatala scheme in Karimganj Sub-division ?

(b) The progress of the work and the expenditure incurred up to the end of 1975 ?

(c) Whether Government is aware that the majority of the people of that locality was against the Scheme and submitted memorandum to the Government ?

Shri LAKHYA NATH DOLEY (Minister, Flood Control) replied :

276. (a)—Rs. 18,44.800

(b)—63% of the work has been completed and the expenditure incurred upto the end of 1975 comes to Rs. 6,20,882.00.

(c)—A copy of the Memorandum submitted to the Chief Executive Councillor, Karimganj Mahkuma Parishad by one Shri Lalit Mohan Nath was received by the Government, against the scheme. But the Government do not consider it to be a memorandum of the majority of the people of that locality.

মৌলানা আব্দুল জলিল চৌধুরী : স্যার, এই স্কীম জনসাধারণের স্বার্থে করা হয়েছে বলে মন্ত্রী মহোদয় বলেছেন, অন্যদিকে আবার জনসাধারণ এই স্কীম না হওয়ার জন্য মন্ত্রী মহোদয়কে মেমোরেণ্ডাম দিয়েছে, তাহলে এক্ষেত্রে সরকারের কি এটা পরীক্ষা করে দেখা কর্তব্য ছিল না যে এটা সত্যি জনস্বার্থে লাগবে কি না ?

তাছাড়া কি উদ্দেশ্যে এই ৬।৭ লক্ষ টাকা খরচ করা হয়েছিল ?

শ্রীলক্ষ্য নাথ দলে (মন্ত্রী) : উদ্দেশ্য হ'ল এই অঞ্চলত বাহিৰৰ পানী আহি জমা হয় আৰু মাটিখিনি খেতিৰ অনুপযোগী কৰি তোলে আৰু বাৰিষা কালত খেতি কৰিব নোৱাৰে। সেই কাৰণে এই আচনি, তাত নলাৰে উলিয়াই দিয়া আচনি লোৱা হৈছে।

মৌলানা আব্দুল জলিল চৌধুরী : জনসাধারণ এবং লোকেল এম, এল, এ আপত্তি করার পরে সরকার কেন সেটা বিবেচনা করলেন না ?

শ্ৰীলক্ষ্য নাথ দলে (মন্ত্ৰী) : আপত্তি কিছুমানে কৰিছিলে কিন্তু এই আচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে বহুতে দাবীও কৰি আছে।

শ্ৰীসুদৰ্শন দাস : এই নেফাতালা স্কীমের কাজ না হওয়ার জন্য আমি নিজেও আপত্তি করেছিলাম এবং জনসাধারণও আপত্তি দর্শিয়ে বহু মেমোরেণ্ডাম মন্ত্রী মহোদয়কে দেওয়া হয়েছিল কিন্তু আজ পর্যান্ত কোন জবাব পর্য্যন্ত পাওয়া যায়নি। কেন জবাব দেওয়া হয়নি ?

শ্ৰীলক্ষ্য নাথ দলে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ মন্ত্ৰীয়ে এই আচনি কাৰ্য্যকৰী হব লাগে বুলি কৈয়েই আছে, তেখেত আমাৰ নন্দী চাহাব।

মৌলানা আব্দুল জলিল চৌধুরী : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় বলেছেন যে করিমগঞ্জের মন্ত্রী এই পরিকল্পনাৰ কাজ যাতে শীঘ্রে আরম্ভ করা হয় তারজন্য তাকে অনুরোধ করেছিলেন এবং সেজন্য হয়েছে। কিন্তু, মহকুমা পরিষদ, গাওঁ পঞ্চায়ত, জনসাধারণ এমন কি স্থানীয় বিধায়ক সকলের পরামর্শ উপেক্ষা করে কেবল করিমগঞ্জের মন্ত্রী মহোদয়ের অনুরোধ কেন রক্ষা করা হলো ? তাছাড়া এই দক্ষিণ করিমগঞ্জের সমষ্টিতো সুদর্শন বাবুর। কেন তার পরামর্শ অগ্রাহ্য করা হলো ?

অথচ, বদরপুর বা করিমগঞ্জ টাউন প্রটেক্শনের জন্য ৩০ বৎসর যাবৎ চেষ্টা করে টাকা পাইনা কেন ?

যে কাজে জনসাধারণের কোন স্বার্থসিদ্ধি হয়না কেন সে কাজে এতটাকা ব্যয় করা হলো ?

শ্ৰীলক্ষ্য নাথ দলে (মন্ত্ৰী) : মহকুমা পৰিষদৰ কাৰ্য্যবাহী সদস্যই এই সংক্ৰান্তত আমাৰ আগৰ বান নিয়ন্ত্ৰন সচিবৰ লগত আলোচনা কৰি তেওঁৰ আপত্তি পাচত উঠাই লৈছে।

মৌলানা আব্দুল জলিল চৌধুরী : অধ্যক্ষ মহোদয়, কোন প্রজেক্ট কার্য্যকরী করা না করার ব্যাপারে মন্ত্রী সভার সদস্যের বক্তব্যকে কি জনসাধারণের বক্তব্যের চেয়েও বেশী গুরুত্ব দেওয়া হয় ? এটাই কি সরকারের নীতি ?

( উত্তৰ নাই )

শ্ৰীসুদৰ্শন দাস : অধ্যক্ষ মহোদয়, যে কোন পরিকল্পনাই নেওয়া হওকনা কেন তা জনস্বার্থের খাতিরে নেওয়া হয়। সেজন্য মন্ত্রী মহোদয় বলেছেন যে এই নেফাতলা

স্কীমে ৬ লক্ষ ২০ হাজার টাকা খরচ করা হয়েছে। এই স্কীমের কাজ আরম্ভ হওয়ার আগে যখন মন্ত্রী মহোদয় করিমগঞ্জে গিয়েছিলেন তখন সেখানকার জনসাধারণ এবং আমি নিজেও এটা কার্যকরী করে অযথা অর্থব্যয়ের জন্য মন্ত্রী মহোদয়কে বারণ করেছিলাম। কারণ এটা কোন কাজে লাগে নাই। কিন্তু, তাস্বত্বেও এটা কেন করা হলো মন্ত্রী মহোদয় জানাবেন কি ?

শ্রীলক্ষ্য নাথ দলে (মন্ত্রী): অধ্যক্ষ মহোদয়, এই আঁচনিটো জনসাধাৰণৰ দাবী অনু-ক্রমেই হাতত লোৱা হৈছিল আৰু সেই কাৰণেই এই আঁচনি কাৰ্য্যকৰী কৰিবলৈ এতিয়াও কাম কৰা হৈছে। তাৰ বাবে ৬ লাখ ২০, হাজাৰ ৮৮২ টকা এতিয়ালৈ খৰচ কৰা হৈছে। জনসাধাৰণৰ পৰা নিবিচৰা হলে ইমান টকাৰ আঁচনি লৈ কাম কৰিবলৈ চৰকাৰ কেতিয়াও আগবাঢ়ি নাহিলহেঁতেন।

Shri Abdul Muqtadir Choudhury : Whether it is a Irrigation or Flood Control Scheme ?

Shri Lakhya Nath Doley : It is a Drainage Scheme.

বি: সমবায় বিভাগৰ হিচাব পৰীক্ষক

শ্রীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৭৭। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) সমবায় সমিতি সমূহৰ হিচাব পৰীক্ষাৰ কি ব্যৱস্থা কৰা হৈছে ?

(খ) অসমত মুঠ কিমানজন সমবায় বিভাগৰ হিচাব পৰীক্ষক আছে ?

(গ) তেওঁলোকৰ শিক্ষাগত অৰ্হতা কি কি, তেওঁলোকক কিবা প্রশিক্ষণ দিয়া হয় নেকি ?

(ঘ) বৰ্ত্তমান থকা হিচাব পৰীক্ষক সকলেই সমুদায় চাহিদা পুৰণ কৰিব পাৰিছেনে ?

শ্রীগজেন তাঁতী (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

২৭৭। (ক) বিভাগীয় হিচাব পৰীক্ষকৰ দ্বাৰা হিচাব পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। বৰ্ত্তমান বিভাগীয় হিচাব পৰীক্ষক সকলৰ বহুতো আন কামত নিয়োগ হৈ থাকিব-লগীয়া হোৱাত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমিতি সমূহৰ ১৯৭৩-৭৪ আৰু ১৯৭৪-৭৫ চনৰ হিচাব পৰীক্ষাৰ কাৰণে চাৰ্টাৰ্ড একাউন্টেন্ট ফাৰ্ম এখনকও নিযুক্তি দিয়া হৈছে।

(খ) অসমত বৰ্ত্তমান ৮৩৪ জন হিচাব পৰীক্ষক আছে। তাৰে মাত্ৰ ৮৬ জনেহে হিচাব পৰীক্ষাৰ কামত নিযুক্ত আছে।

(গ) বৰ্ত্তমান ন্যনতম শিক্ষাগত অৰ্হতা স্নাতক। হিচাব পৰীক্ষক সকলক বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ সমূহত প্ৰশিক্ষণ দিয়া হয়।

(ঘ) আন কামত হিচাব পৰীক্ষক সকলক নিয়োগ হৈ থকা বাবে সম্পূৰ্ণ চাহিদা পূৰণ কৰিব পৰা নাই।

শ্ৰীলক্ষী কান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে নিজেই স্বীকাৰ কৰিছে যে দুই বছৰ ধৰি এই গাৱঁ পঞ্চায়ত সমবায় সমিতি বিলাক হিচাব পৰীক্ষা কৰিব পৰা নাই। ফলত বহুতো গাৱঁ পঞ্চায়ত সমবায় সমিতি সমূহত কেলেংকাৰী বাহিৰ হৈছে আৰু সমবায় সমিতি সমূহৰ সম্পাদক বিলাকে টকা আত্মসাত কৰাৰ সুবিধা পাইছে সেই অৱস্থালৈ লক্ষ্য কৰি অনতি পলমে এই নীতি সমিতি বিলাক হিচাব পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : মই (গ) প্ৰশ্নৰ উত্তৰত কৈছোয়েই যে দুই বছৰ ধৰি হিচাব পৰীক্ষা কৰিব পৰা নাই। গতিকে আমাৰ ৮৬ জন হিচাপ পৰীক্ষকৰ উপৰিও এখন চাৰ্টাৰ্ড একাউন্টেন্ট ফাৰ্ম এখনক নিযুক্ত কৰা হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়া : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চাৰ্টাড একাউন্টেন্ট লগাইছে কিন্তু এতিয়ালৈকে হিচাব পৰীক্ষা হোৱা নাই। আগৰ যিবিলাক সম্পাদক আছিল তেওঁলোকক এই হিচাব পৰীক্ষাৰ দায়িত্ব দি বেলেগ ব্যৱস্থা চৰকাৰে তৎকালেই কৰিবনে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : আমি সেই ব্যৱস্থাই কৰিছো। আগৰ দুই বছৰ কালত ৮৬ জন সম্পাদক আছিল। গতিকে তেওঁলোকক সেই হিচাব পৰীক্ষা কৰিব দিয়া নাই। সমবায় সমিতি সমূহৰ জুন মাহ হয় চেচন। গতিকে আগৰ দুইবছৰৰ তাৰ আগতে যাতে হিচাব হয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

Shri Atul Saikia : Minister has said that a Chartered Accountant Firm has been appointed to conduct the audit.

May I know from the Hon'ble Minister that a Chartered Accountant Firm has been given some contract to some of the students reading in III and IV Year students to conduct the audit of the Society ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : আমি ফাৰ্মথনক দিছো আৰু তেখেত সকলে আৰু কাক দিছে সেই খবৰ মোৰ নাই।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : ফাৰ্মথন যিবিলাক ছাত্ৰ আছে তেওঁলোকক লগোৱা হৈছে আৰু এই ফাৰ্মথন কেতিয়া আৰম্ভ হৈছে জনাব নে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : ফাৰ্মথন কিমানদিন পুৰণা মই নাজনো।

শ্ৰীনগেন বৰুৱা : কি বিবেচনাৰ ভিত্তিত এই ফাৰ্মথনক সমবায়ৰ নিচিনা গুৰুত্বপূৰ্ণ সমিতিবিলাক হিচাব পৰীক্ষা কৰিবলৈ দিয়া হ'ল মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : ফাৰ্মথন চৰকাৰৰ পঞ্জিয়ন ভুক্ত ফাৰ্ম আৰু তেওঁলোকৰ লগত আলোচনা কৰি দিয়া হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই ফাৰ্মথনৰ সমবায়ৰ দৃষ্টিভঙ্গী কিবা আছে নেকি? কি বিবেচনাৰে এই সমবায়ৰ নিচিনা আন্দোলনৰ গুৰি এই সমবায় বিলাক এই ফাৰ্মথনক হিচাব পৰীক্ষা কৰিবলৈ দিয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : হিচাব পৰীক্ষা কৰোতে সমবায় আন্দোলনৰ দৃষ্টিভঙ্গী নালাগে।

Mr. Speaker : Question hour is over. Now Grant No. 41.

Shri Hiteswar Saikia ( Minister, Home etc. ) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 21,09,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "278 – Art and Culture – (III) – Cultural Affairs".

★ শ্ৰীসোনেশ্বৰ বৰা : বাজেটৰ দাবীৰ ১ম খণ্ড ৩৪০-৩৪৬ পৃষ্ঠাত "২৭৮—কলা আৰু সংস্কৃতি (iii) বিষয়" শিতানৰ ৪১ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ২১,০৯,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ২১,০৯,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

অধ্যক্ষ মহোদয়, এই শিতানত আমাৰ চৰকাৰে যিবিলাক দাবী আনিছে আৰু আমাৰ ৰাজ্যখনক তেখেতে যেনেকৈ সজাবলৈ চেষ্টা কৰিছে এই বিষয়ত মই অনুভৱ কৰিছো যে অসমীয়া সমাজৰ যি কৃষ্টি আৰু সংস্কৃতি, সেইখিনি ৰক্ষা কৰিবলৈ আমাৰ চৰকাৰে সিমান সক্ষম হব পৰা নাই। সিদিনা এটা আলোচনাৰ উত্তৰত মুখ্যমন্ত্ৰী ডাঙৰীয়া অৱশ্যে এটা কথা কৈছিল যে 'ঠেং চোলা পিন্ধা নতুন সমাজ এখনেই আজি অসমীয়া হ'ল" সেই সময়ৰ অসমৰ পূৰ্বৰ সংস্কৃতি বা কৃষ্টি ৰক্ষা কৰা টান হৈ পৰিল। এইটো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অস্বীকাৰ কৰিছে। ঠেং চোলা পিন্ধাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ কিবা কৰিবলগীয়া আছে নে নাই সেই কথা চৰকাৰে বিবেচনা কৰিব। মই ভাবো যে সাজ-পোচাকতো চৰকাৰে আৱশ্যক হলে হাত দিব পাৰে। সমাজখন সম্পূৰ্ণভাৱে পৰিবৰ্তন কৰিবলৈ পোচাক আদিৰ আৱশ্যকতাত যদি চৰকাৰে গুৰুত্ব নিদিয়ে তেতিয়াহলে সমাজখন হয়তো কোনোবা ফালে যাবগৈ। এই কথা মই স্বীকাৰ কৰো যে এসময়ত ইংলেণ্ডত বোৱাৰী, জীয়াৰীয়ে গুৰুহা লেটিয়াই কাপোৰ পিন্ধিছিল। কিন্তু সময়ত শিল্প জগতৰ লগত নিজকে খাপ খুৱাই পোচাক পাতিৰ পৰিবৰ্তনো হ'ল। কল কাৰখানাত কাম কৰিবলগীয়া হোৱাত তিৰোতাসকলে সেই পোচাক বদলাব লগীয়া হ'ল। কিন্তু অসমত সেই অৱস্থা এতিয়াও হোৱা নাই। অসমীয়া সংস্কৃতি ব্যাখ্যা কৰিবলৈ যাওঁতে আজিকালি এটা মাত্ৰ সম্বন্ধ হৈ পৰিছে সেইটো হৈছে চৰকাৰৰ ফালৰ পৰা সৃষ্টি কৰা কিছুমান নাটক-নাটিকাৰ নামত ৰেডিঅ যন্ত্ৰটো। এই ৰেডিঅ যন্ত্ৰটোৰ জৰিয়তে অসমৰ সংস্কৃতিয়ে বিকৃত আকাৰত সজোৱা মই দেখিছো সেই কাৰণে মই এই কথা কৈছো। অসমৰ যি সংস্কৃতি, সভ্যতা সেই ধৰণেৰে অসমীয়া মানুহক সজালে মহাভাৰত অশুদ্ধ নহয় বুলি মই ভাবো। অসমৰ

*Speech not corrected

মানুহৰ খাওন-বোৱন, পিন্ধন-উৰণ, ফুৰণ-চাকন, বোৱা-কটা আদি ভাল চিন্তাবিলাক প্ৰচাৰৰ জৰিয়তে ৰক্ষা কৰিবলৈ গলে অসমীয়া জাতিটো এক জাতি যি হাবে জীয়াই ৰখাৰ দায়িত্ব সমাজৰ লগতে চৰকাৰেও লোৱা হব। অসমীয়া গাওঁবিলাকে আজি ভাৰতবৰ্ষৰ কোনো প্ৰদেশেই চেৰ পেলাব নোৱাৰে অসমীয়া মানুহৰ সংস্কৃতি আৰু সভ্যতা কোনে প্ৰবৰ্তন কৰিছিল সেইটো অৱশ্যে মই নাজানো। কিন্তু মাছে-খালেয়ে, খালে-দোঙে, সাপে-চাপে, বাৰীয়ে-ঘৰে, অসমীয়া মানুহে গাওঁবিলাক সজাই ৰাখিছে। সেই ধৰণেৰে অসমীয়া মানুহৰ গীত-মাতৰ জৰিয়তে অসমীয়া সমাজখন জীয়াই ৰখাৰ চেষ্টা কৰি আছে। উদাহৰণ স্বৰূপে অসমীয়া বিহু নামৰ যোগেদি আমাৰ অসমীয়া সমাজৰ এটা হুবহু প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। এই গীত-মাতৰ অসমীয়া গাৱঁলীয়া জীৱনৰ এটা প্ৰতিচ্ছবি নিহিত হৈ থাকে। যেনে——

আগবাৰী গুৱনী বাকিনী তামোল ঐ
পিচবাৰী গুৱনী পান,
বৰ ঘৰ গুৱনী জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান।

সামাজখনৰ বৈশিষ্ঠতা আজি বিহুনাম এখাবে জীয়াই ৰাখিব পাৰিছে। মই নাগাও কাৰণ গান গোৱাৰ অধিকাৰ বিধান সভাত নাই। কিন্তু ৰেডিঅৰ জৰিয়তে আজি যেনেকৈ অসমীয়া সংস্কৃতি জীয়াই ৰাখিবলৈ চেষ্টা কৰা হৈছে অসমৰ যি ঐতিহ্য যি পিন্ধন-উৰণ, ফুৰন-চাকন এই গোটেইখিনি মোহাৰি পেলাবৰ বাবে যি এটা ব্যৱস্থা কৰা হৈছে এইটো নকৰি অসমীয়া কৃষ্টি সভ্যতা জীয়াই ৰাখিবলৈ চৰকাৰৰ ফালৰ পৰা সহায় কৰিলে অসমীয়া সমাজখন জীয়াই থাকিব। অসমত এনে ধৰণৰ মানুহ আছে যি জনে লিখা পঢ়া নাজানে কিন্তু তেওঁ বিহুগীত বা লোকগীত ৰচনা কৰিব পাৰে। কেৱল যৌন প্ৰকৃতি আৰু যৌন উন্মাদনাৰ প্ৰকাশ কৰাটোৱে সংস্কৃতি হব নোৱাৰে। আজি ৰেডিঅত যিকেইটা বিহু নাম দিয়ে বা যৌন বিষয়ৰ যিকেইটা চাচ দিয়ে সেই কেইটা সমাজৰ কেইজন মানুহে গ্ৰহণ কৰিছে। কাৰণ এইখিনি গ্ৰহণ কৰিলে অসমীয়া সমাজত অসমীয়া মানুহ হিচাবে জীয়াই থাকিব নোৱাৰিব। সেই কাৰণে মই ভাবো অসম চৰকাৰে এই বিলাক কথা চিন্তা কৰি অসমীয়া সংস্কৃতি ৰক্ষা কৰিবলৈ চেষ্টা কৰে।

আজি আমি মহাপুৰুষ শংকৰদেৱে ভাদ মহীয়া ব্ৰহ্মপুত্ৰ সাতুৰি পাৰ হোৱা কথা, গদাধৰ সিংহৰ পেৰা মহৰ শিঙ ভঙা কথা, আদি কথা কোৱা হয়। এইবিলাক কথা এনেয়ে কোৱা নহয়।

তাত স্বাস্থ্য-চৰিত্ৰকে আৰম্ভ কৰি সমাজখনৰ বহুতো কথা নিশ্বয় আছে। গতিকে

সেই ধৰণৰ কথাবিলাক যদি প্ৰচাৰ কৰা হয় তেতিয়াহলে, তাত গোটেই বিলাককথা থাকে। এইবিলাক পৰিহাৰ কৰিলে নহব। সিদিনা মাননীয় মন্ত্ৰী শ্ৰীডাওলাগপো ডাঙৰীয়াই কোৱাৰ দৰে অসমত পাচ-ছয় লাখ তাতশাল আছে বুলি কলেই তাৰ দ্বাৰা অসমৰ সমাজখন নেবাচে। নতুনকৈ সাংস্কৃতি বিভাগটো কৰি ভুল মনকান দিয়াহে দেখা পোৱা গৈছে। ওজাপালিৰ নামত এইবিভাগে ১২ দফীয়া মদ নিবাৰণী আঁচনি, ২০ দফীয়া অৰ্থনৈতিক আঁচনি আদিৰ ওজাপালি কৰি গাই থাকে। সুৰটো ওজা-পালিৰ হব পাৰে কিন্তু প্ৰকৃততে সি ওজাপালি কেতিয়াও হব নোৱাৰে। ঢোলৰ মাত শুনিলেই বা বিহুগীতৰ সুৰ শুনিলেই যি কোনো মানুহৰে অকল অসমীয়া বুলিয়েই নহয়, গা ৰাইজাই কৰে। সেই বুলিয়েই অকল ঢোলত চাপৰ মাৰিব পাৰিলে বুলিয়েই ব' বিহুগীত গাব পাৰিলেই যে, অসমীয়া সংস্কৃতিৰ কাৰণে কিবা কৰা হয় সেইটো নহয়। বহুতে হয়তো বিশ্বাস নকৰিব যে, যি কাহিনী আছে শিৱ-পাৰ্ব্বতীৰ বিয়াত এই ঢোলৰ আৱিস্কাৰ হৈছিল আৰু সেই বিয়াতে ঢোল বজোৱা হৈছিল। গতিকে এই ঢোল ইতিবৃত্তিত কোনে বজাইছিল, কোনে চাইছিল, কোননো ঢোল, কোননো বাৰী এই কথা বিলাক হয়তো আমাৰ এই বিভাগটো পৰিচালনা কৰা বিষয় ববীয়া সকলে কব পাৰেনে নোৱাৰে কব নোৱাৰো সংস্কৃতিৰ সংক্ৰান্তত এই একোকে নিৰ্ণয় কৰিব নোৱাৰা লোকো বেডিঅত কাম কৰি আছে। আজি যি ধৰণে অসমীয়া ভাষা আৰু অসমীয়া সংস্কৃতিৰ ওপৰত হেচা পৰিছে সেইটোলৈ লক্ষ কৰিলে দেখা যায় যে, অদূৰ ভৱিষ্যতত হয়তো অসমীয়া ভাষা-সংস্কতিৰ বিলুপ্তিয়েই ঘটিব। এই বিষয়ত মই সদনত আগতেও উল্লেখ কৰিছো। গতিকে আজি আৰু মই বেছি উল্লেখ কৰিব খোজা নাই। মুঠতে মই এইখিনিকে কওঁ যে চাকৰি কৰি থকা মানুহখিনিৰ ওপৰতে নিৰ্ভ'ৰ নকৰি আমাৰ গাঁৱে ভূঁইয়ে যিবিলাক সত্ৰ সমাজ আদি আছে আৰু যি সকল বুঢ়াবেঠা আদি লোক আছে সেইসকলৰ পৰা অসমীয়া ভাষা-সংস্কৃতিৰ কিছুমান অত্যাৱশ্যকীয় বস্তু উদ্ধাৰ কৰি অসমীয়া জাতিটোক জীয়াই ৰখাৰ চেষ্টা কৰিব লাগিব।

আজিৰ এই বাজেটখনত সৰহ ভাগ টকাকেই গাড়ী-মটৰ আদি, বা এলাউন্স আদিৰ কাৰণেই খৰচ হৈছে। কিন্তু সৃষ্টি মূলক ক্ষেত্ৰত বেছি টকা ধৰা হোৱা নাই। গতিকে আজি এই চৰম মুহূৰ্ত্তৰ সময়ত অসমীয়া জাতিটোক ৰক্ষা কৰিবলৈ সাংস্কৃতিৰ খউব আৱশ্যক হৈছে বুলি ভাবো আৰু সেই কাৰণেই মই এই কৰ্ত্তন প্ৰস্তাবটো উদ্স্থাপন কৰিছো এইখিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণী মাৰিছো।

★ শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মাননীয় উপাধ্যক্ষ মহোদয়, মই ও কৰ্ত্তন প্ৰস্তাৱ-টোৰ সমৰ্থনত কেইআষাৰমান কথা কবলৈ উঠিলো। অকল খাদ্যৰ সংস্থান

* Speech not corrected

হলেই নহব তাৰ লগে লগে কৃষ্টি-সভ্যতা নহলেও মানুহ কেতিয়াও জীয়াই থাকিব নোৱাৰে। মানুহৰ মাজত সংহতিও থাকিব নোৱাৰে। এই বিলাক যে কোনোবাই সৃষ্টি কৰিছে সেইটো নহয়। এই বিলাক আপোনা-আপোনি হোৱা বস্তু। এই বিলাকৰ সৃষ্টি আগৰে পৰাই হৈ আছে। এইটো পৰিবৰ্ত্তনহে কৰিব পাৰি সৃষ্টি কৰিব নোৱাৰি। কৃষ্টি সংস্কৃতিৰ ৰূপ বেলেগ হব পাৰে, হয় আৰু হোৱাটোৱেই স্বাভাবিক। পৰিবৰ্ত্তন কৰোতে কেইটামান কথাৰ প্ৰতি বেছিকৈ লক্ষ্য কৰা হয়। তাৰ ভিতৰত সংহতিও এটা। মানুহৰ মাজত সংহতি. সমাজৰ মাজত সংহতি এই বিলাক কথাত গুৰুত্ব বেছিকৈ আৰোপ কৰা হয়। কলা-কৃষ্টিৰ জৰিয়তে এজন মানুহৰ ওপৰত অন্য এজন মানুহৰ আৰু এখন সমাজৰ ওপৰত অন্য এখন সমাজৰ প্ৰভাৱ পৰাটো তেনেই স্বাভাবিক। এটা সংস্কৃতিৰ প্ৰভাৱ আন এটা সংস্কৃতিৰ ওপৰত পৰাটো স্বাভাবিক। ভাৰতবৰ্ষ এখন বিশাল দেশ। তাৰ ভিতৰতে অসম দেশখন বিশাল নহলেই বিভিন্ন ভাষা-ভাষী, কলা-সংস্কৃতিৰে ভৰপূৰ। আৰম্ভণিৰেই পৰাই এইবোৰ চলি আছে। কিন্তু এইক্ষেত্ৰত চৰকাৰে আজি যিবিলাক কলা-সংস্কৃতিক 'ষ্টেজলৈ' 'আনিছে, 'ড্ৰামা'ৰ পৰ্যায়লৈ আনিছে তাৰ দ্বাৰা সেই প্ৰচেষ্টা ব্যৰ্থ হৈছে। অসম খন আজি ভাঙিচিগি চুৰমাৰ হোৱাৰহে উপক্ৰম হৈছে। একোখন প্ৰদেশৰ, সকলো বিলাক মানুহক একগোট কৰি ৰাখিব পাৰিব লাগিছিল। কিন্তু তাকে কৰিব নোৱাৰাৰ কাৰণে এইটো ব্যৰ্থ হোৱাটোহে প্ৰমাণ হৈ গৈছে। কলা-কৃষ্টি এনেকুৱা এটা বস্তু যি একোখন দেশ বিভক্ত কৰি তুলিব পাৰে। এই কলা-কৃষ্টিকে যদি 'চাপ্ৰেছ' কৰাৰ চেষ্টা কৰা হয় তেতিয়া হলে, সেই চাপ্ৰেশ্বন বেছি দিন নিটিকে। সি ধ্বংস হৈ যায়। শেষত সংহতি বিনষ্টহোৱাটোও স্বাভাবিক। গতিকে গাৱেঁ-ভূঞে সিচৰিত হৈ থকা কলা-কৃষ্টি বিলাক যদি সংগ্ৰহ কৰাৰ দিহা কৰা নহয় তেতিয়া হলে, দেশত অসংহতিমূলক দৃষ্টিভঙ্গী ক্ৰমান্বয়ে বাঢ়িহে যাব। আজি কেইটামান আইটেমলৈয়েই দেখুৱাই থকা হৈছে। সকলোকে যদি সমানেই গুৰুত্ব আৰোপ কৰা নহয় তেতিয়া হলে, বিভিন্ন স্তৰৰ মানুহৰ মাজত অপ্ৰকাশ্য অসন্তুষ্টিৰ বোজা ক্ৰমান্বয়ে বাঢ়িহে যাব।

মহোদয়, আমাৰ অসম খনক সাধাৰণতে দুটা ভাগত ভগাব পাৰি কামৰূপ, গোৱালপাৰা, কাছাৰ আৰু নগাৱঁক লৈ আৰু বাকী কেইখন জিলাক লৈ। কামৰূপ, গোৱালপাৰা, নগাওঁ আৰু কাছাৰ প্ৰত্যেক জিলাকে ভাষা কলা-কৃষ্টি আদি অলপ বেলেগ বেলেগ। কৃষ্টিৰ সংগ্ৰহৰ যিটো বিভাগ আছে সেই বিভাগটোৱে এই সকলো বিলাক কলা-কৃষ্টিৰে সংগ্ৰহৰ কাম কৰিব লাগিব। প্ৰত্যেকটো কলা-কৃষ্টিয়ে প্ৰত্যেক ঠাইৰে কলা-কৃষ্টিক প্ৰভাৱ বিস্তাৰ কৰি আছে।

ভাৰতবৰ্ষৰ পুৰণা ইতিহাস আমাৰ মনত আছে, গেইট চাহাবে লিখি থৈ গৈছে

ৰাজবংশী ভাষা আৰু সংস্কৃতি আমাৰ ৰাজ্যখনৰ ভাষা আৰু সংস্কৃতিৰ অন্তৰ্ভুক্ত আছিল কিন্তু আজি সেইটো নাইকীয়া হৈ গৈছে। এসময়ত এই ৰাজবংশী ভাষা সংস্কৃতিয়েই ৰাজ্যখনত যথেষ্ট প্ৰভাব বিস্তাৰ কৰিছিল কিন্তু এতিয়া ইয়াক চাপৰেচ কৰা হৈছে। ভাষা আৰু সংস্কৃতিয়ে চাপৰেচ কৰিলে কোনেও গম নাপায় ই নিৰৱে কাম কৰি যায়। আমাৰ মহাপুৰুষ শংকৰদেৱে এই সংকৃতি আৰু ভাষাৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন গোষ্ঠীক একগোট কৰি চপাই অনা ব্যৱস্থা কৰিছিল। আৰু সেই-দৰে তেওঁ একগোট কৰিব পাৰিছিলো। কিন্তু আজি এই ৰাজবংশী, ভাষা সংস্কৃতি আমাৰ মাজৰ পৰা ক্ৰমে আতৰি গৈছে কিন্তু আনহাতেদি পশ্চিম বঙ্গত ইয়াৰ আশে -পাশে থকা যিবিলাক ভাষা-সংস্কৃতি আৰু এই ৰাজবংশী ভাষা সংস্কৃতি ইয়াৰ এটা চাপ পৰিছে। এই ভাষাৰ প্ৰায় ৫ হাজাৰ শব্দৰ এখন অভিধানো ওলাইছে। গতিকে এনেবিলাক ভাষা-সংস্কৃতিৰ প্ৰতি মৰ্য্যাদা দিয়াটো উচিত নহলে তেনে ক্ষেত্ৰত বিপ্লৱৰ সৃষ্টি হয়। মই এইটো অৱশ্যে অস্বীকাৰ কৰিব নোৱাৰো যে প্ৰত্যেক ইতিহাসৰ উত্থান-পতন নোহোৱাকৈ থকা নাই। আজি এই শিতানত ইমানবিলাক ভাষা-সংস্কৃতিৰ সমাজ আৰু জনসাধাৰণৰ মাজত ঐতিহ্য বজাই ৰাখিবলৈ আৰু ইয়াৰ উন্নয়নৰ বিকা-শৰ কাৰণে বহু টকা আৱশ্যক আছিল। কিন্তু পুজিসামান্য ধৰা হৈছে কাৰণেই তাৰ দ্বাৰা বৃহত কামটো কৰা সম্ভৱ নহয়। গতিকে কেইজনমান গায়িকা বা নাচনী বাহিৰ কৰিলেই কোনো এখন ৰাজ্যৰ কোনো এটা সংস্কৃতি ৰক্ষা কৰা নুবুজায়। গতিকে মই আশা ৰাখিছো আমাৰ যি উদীয়মান ডেকা মন্ত্ৰী গৰাকী আছে তেখেত নিজেও শিক্ষক এজন সমাজকৰ্মী তেখেতে এই সংস্কৃতি এটা নৰূপ লৈ এই সংস্কৃতি বিভাগটো সকলোৰে সন্তুষ্ট কৰিব পৰাকৈ আৰু সকলোৰে মাজত সংহতি আনিব পৰাকৈ বিভাগটো অধিক জনপ্ৰিয় কৰি তুলিব বুলি আশা কৰি এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই আৰু শ্ৰীকবিৰ ৰায় প্ৰধানী ডাঙৰীয়াই এই সদনত তেখেত সকলে যি পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে মই ধন্যবাদ জনাইছোঁ। মাননীয় বৰা ডাঙৰীয়াই অসমৰ কলা কৃষ্টি ৰক্ষাৰ ক্ষেত্ৰত ভালে কেইটা পৰামৰ্শ আগবঢ়াইছে আৰু তাৰ বাহিৰেও গীতমাতৰ ওপৰত আৰু বিহু গীতৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিহু গীত মাতে আমাৰ সমাজত বিচিত্ৰ প্ৰতিফলন কৰিছে, বিয়া গীতৰ পৰা আৰম্ভ কৰি ধৰ্মীয় কৰ্ম্ম-কাণ্ডলৈকে বিহু গীতত উল্লেখ আছে। এইটো সত্য কথা যে আজি অসমৰ বাহিৰতো এই গীত-মাতৰ ইত্যাদিৰ বিস্তাৰ লাভ কৰিছে আৰু ইয়াৰ যথেষ্ট

★ Speech on cerrected

জনপ্ৰিয়তা বাঢ়িছে আৰু ইতিমধ্যে এই বিহু গীতৰ সম্পৰ্কত যিবিলাক গীত-মাত বাহিৰত প্ৰদৰ্শিত হৈছে সেই খিনিয়ে যথেষ্ট খ্যাতি লাভ কৰিছে। কিন্তু এইটো কথা আমি স্বীকাৰ কৰিব লাগিব যে যিটো এই বিভাগৰ সংস্কৃতিক বিভাগ খোলা হৈছে সেইটো নিচেই চালুকীয়া অৱস্থাতে আছে। আমাৰ ৰাজ্যখনত সাংস্কৃতিক বিভাগটো খোলা মাত্ৰ ৪ বছৰহে হৈছে, এই কেই বছৰৰ ভিতৰত ৰাজ্যখনত সাংস্কৃতিক কাৰ্য্যসূচী ব্যাপক ভাৱে বাঢ়িছে।

সাংস্কৃতিক কাৰ্য্যকলাপ বৃদ্ধিৰ গুৰিত চৰকাৰৰ পৃষ্ঠপোষকতাই যে ভালেখিনি কাম কৰিছে সেই বিষয়ত সন্দেহ নাই। যোৱা কেইবছৰত আমি ৰাজ্যখনৰ ভালেকেইটা সাংস্কৃতিক অনুষ্ঠানক বছৰি বছৰি অনুদান দি আহিছো। এই অনুদানৰ পৰিমাণ ১৯৭৩-৭৪ চনত ১৯৯টা অনুষ্ঠানক ধন দিয়া হৈছে ৪০৩০০০ টকা আৰু ১৯৭৪-৭৫ চনত ২৪৫টা অনুষ্ঠানক ধন দিয়া হৈছে ৫,২১০০০ টকা। ইয়াৰ বাহিৰেও অইন ৰাজ্যৰ লটাৰী ফাণ্ডৰ পৰা ৰাহি হোৱা টকাও ভালেমান সাংস্কৃতিক অনুষ্ঠানক দিয়া হৈছে। আমাৰ সাংস্কৃতিক অনুষ্ঠান সমূহ যাতে জীৱন্ত হৈ থাকে। সাংস্কৃতিক জীয়াই ৰখাৰ আৰু চৰ্চাৰ জৰীয়তে নতুন নতুন সাংস্কৃতিক বিষয় বস্তু উদ্ভাৱন কৰি সমৃদ্ধিশালী হব পাৰে তাৰ বাবেও ব্যৱস্থা লৈ থকা হৈছে। সময়ে সময়ে পাতি থকা নাট সমাবোহ, নাট প্ৰতিযোগিতা, সঙ্গীত সন্ধিয়া, চিত্ৰ প্ৰদৰ্শন আদিবোৰ এই বিষয়ত উল্লেখ কৰিব পাৰি। অসমৰ সংস্কৃতি ৰাজ্যৰ বাহিৰত প্ৰচাৰ কৰাৰ সম্পৰ্কত সমানে গুৰুত্ব আৰোপ কৰা হৈছে। যোৱা বছৰত মধুপুৰ শাখাক মুঠতে ১০,০০০ টকা দিয়া হয়, এই টকা দিয়া হয় পাঞ্জাবলৈ সাংস্কৃতিক দল পঠোৱাৰ খৰচৰ বাবদ আৰু নিউ আৰ্ট প্লেয়াৰ্চক পাঞ্জাব ভ্ৰমণৰ বাবে ৬০০০ টকা দিয়া হয়।

তাৰ উপৰিও আমাৰ সত্ৰীয়া দলে বাহিৰত কৃষ্টি সংস্কৃতি বিনিময়ত আৰু প্ৰচাৰত আগভাগ লৈছে। গোৱালপাৰাৰ মইনামতী দলে বহু ঠাইত তেনে অনুষ্ঠানৰ জৰিয়তে দৰ্শকৰ প্ৰশংসা আদায় কৰিছে আৰু তাৰ কাৰণে আমি গৌৰৱ অনুভৱ কৰিছো। বিলাসীপাৰাৰ এই মইনামতী দলে গোৱালপাৰাৰ কৃষ্টি কলিকতা, দিল্লীত, উড়িষ্যাৰ, ভূবনেশ্বৰত গীত-মাত প্ৰদৰ্শনী কৰি প্ৰচাৰ কৰি যথেষ্ট সুনাম অৰ্জন কৰিছে আৰু সেইটো আমাৰ কাৰণে সঁচাকৈয়ে গৌৰৱৰ বিষয়। ইতিমধ্যে অসম চৰকাৰেও এই কথাটো পলব্ধি কৰিছে যে যদিও আমাৰ ৰাজ্যৰ পৰা নানান ৰাজ্য ফাটি বাহিৰ হৈ গল তথাপিতো আমাৰ অসমতো এতিয়াও মেঘালয় গলেও খাচী বা জয়ন্তীয়া, গাৰো লোকৰ সংখ্যা নিচেই কম নহয়। নগালেণ্ড আমাৰ ৰাজ্যৰ পৰা বাহিৰ হৈ স্বকীয়া ৰাজ্য হলেও আমাৰ ইয়াতো কন্যাক, চেমা আদি লোক আছে মিজোৰাম বেলেগ হলেও আমাৰ ইয়াত কুকী আদি লোক আছে আৰু সেই সকলৰ নিজা নিজা

কৃষ্টিত গীত-মাত আছে। ডিমাচা, টেংচা আদি বহু সংখ্যক লোক আমাৰ অসমত আছে আৰু তেওঁলোকৰ গীত-মাতৰ প্ৰচাৰ যাতে কৰিব পৰা যায় তাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লৈছে আৰু মোৰ দৃঢ় বিশ্বাস আমাৰ অসম অতি কম দিনৰ ভিতৰতে সাংস্কৃতিক দিশত আগবঢ়া কলাকৃষ্টিৰ কেন্দ্ৰস্বৰূপ হৈ উঠিব। মাননীয় কবিৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই কিছুমান দিহা পৰামৰ্শ দিছে আৰু গোৱালপাৰা জিলাৰ গীত-মাতৰ কলাকৃষ্টিৰ সম্পৰ্কে নজৰ দিয়াৰ কথা উল্লেখ কৰিছে এইটো আমাৰ ফালৰ পৰা অনুভৱ কৰিয়েই ঠায়ে ঠায়ে সাংস্কৃতিক উপকেন্দ্ৰ কিছুমান স্থাপন কৰাৰ দিহা কৰা হৈছে। বৰা ডাঙৰীয়াই পূৰণা গীত-মাতৰ প্ৰচাৰৰ কথা কৈছিল আমি আমাৰ ফালৰ পৰা এই ধৰণৰ যিবিলাক পূৰণা গীত-মাত আছে প্ৰায় ভাগেই যিহেতু লিখিত নহয় অলিখিত অৱস্থা আছে সেই কাৰণে টেপ ৰেকৰ্ডাৰ কিনি সেইমতে টেপ কৰি ৰখাৰ দিহা কৰা হৈছে।

মাননীয় সদস্য বৰা ডাঙৰীয়া আৰু ৰায় প্ৰধানী ডাঙৰীয়াই আগবঢ়োৱা দিহা পৰামৰ্শাৱলীৰ দ্বাৰা যে আমাৰ ৰাজ্যখনক আৰু এই বিভাগটো আগুৱাই নিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিম। আমাৰ ফালৰ পৰা পুৰণা গীত-মাত বিলাকৰ, অসমত থকা বিভিন্ন ভাষা-ভাষী আৰু বিভিন্ন কৃষ্টিৰ লোকসকলৰ গীত-মাত আদি প্ৰচাৰৰ কাৰণে এক অসমীয়া বুলি গীত-মাত প্ৰচাৰ কৰাৰ কাৰণে এই বিভাগটোৰ দ্বাৰা এই গোৱালপাৰাৰ সাংস্কৃতিক গীত-মাত আদি চৰ্চা কৰাৰ কাৰণে আৰু ৰক্ষা কৰিবৰ কাৰণে ইতিমধ্যে বৰপেটাত এটা সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে আৰু চৰকাৰে সাহায্য পালে গোৱালপাৰাৰ কলাকৃষ্টিৰ কেন্দ্ৰটোও বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে চেষ্টা কৰিব পাৰিম। যোৱা বছৰ মই ভালেকেইটা কথা সদনত কৈছিলো। মিউজিক কলেজ এখন স্থাপন কৰাৰ কাৰণে আমাক প্লেনিং কমিচনে যোল্ল লাখ টকা মঞ্জুৰী দিছে আৰু অ এচ ডি বিষয়া এজন নিয়োগ কৰা হৈছে আৰু তেওঁৰ জৰিয়তেই মিউজিক কলেজৰ কাম আৰম্ভ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। সিদিনা সদনত কৈছিলো যে আৰ্ট গেলাৰিটোৰ কাম অহা মাৰ্চৰ পোন্ধৰ তাৰিখে কৰিব পৰা হব কিন্তু এইটো পোন্ধৰ মাৰ্চত নহয়, ওঠৰ, উনৈশ বা বিশ তাৰিখৰ ভিতৰত খোলাৰ কথা চিন্তা কৰিছো। পোন্ধৰ মাৰ্চত অসুবিধা হব কাৰণেই বিশ তাৰিখৰ ভিতৰত খোলাৰ ঠিক কৰা হৈছে। ইতিমধ্যে ইয়াৰ কাৰণে অসম সাহিত্য সভাৰ কাৰ্য্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱনত ওপৰ তলা ভাড়ালৈ লোৱা হৈছে আৰু তাত আৰ্ট গেলাৰিৰ কাম আৰম্ভ কৰা হব। আমাৰ যিটো ফিল্ম ডেফেলপমেন্টৰ কথা যোৱাবাৰ কৈছিলো আমাৰ অসমীয়া কথাছবি উলিয়াবৰ কাৰণে আমাৰ যিসকল শিল্পীয়ে টকা পইচাৰ নাটনিৰ কাৰণে উলিয়াব পৰা নাই সেই সকলক আৰ্থিক সাহায্য দিয়াৰো ব্যৱস্থা কৰা হৈছে ফিল্ম ফাইনেন্স কৰপোৰেচনৰ যোগেদি। এতিয়া-

লৈকে ধৰ্ম্মকাইৰ কাৰণে পয়সত্তৰ হাজাৰ, পুতলাঘৰৰ কাৰণে পয়সত্তৰ হাজাৰ আৰু গঙ্গাচিলনীৰ পাখিৰ কাৰণে পয়সত্তৰ হাজাৰ টকা ঋণ দিয়া হৈছে। কথাছবি সমবায়ৰ দ্বাৰা দুই লাখ টকা ঋণ দিয়া হৈছে আৰু যাতে অসমীয়া কথাছবি প্ৰদৰ্শন কৰাৰ কাৰণে ঘৰ বিলাকে বা বাহিৰৰ এজেণ্ট বিলাকে কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে সেই ফাললৈকো চোৱা হৈছে। আমাৰ জ্যোতিচিত্ৰবন এতিয়া প্ৰায় সম্পূৰ্ণ হৈছে। কেৱল ৰেকৰ্ডিংৰ বাহিৰে আন বিলাক কাম ইয়াতে কৰি কথাছবি সম্পূৰ্ণ কৰিব পৰা হৈছে। যোৱা বছৰ আৰু এটা কথা আশ্বাস দিছিলো যে আমাৰ কলা কৃষ্টি বা সাংস্কৃতিক দিশত খুব বেছি এটা নিয়ন্ত্ৰণ বা হস্তক্ষেপ যদি চৰকাৰৰ ফালৰ পৰা থাকে তেতিয়াহলে শিল্পী বা লিখক আদি লোক সকলে মুকলিভাৱে কিছু কিছু কথা কোৱা অসুবিধা হৈ যাব পাৰে সেই কাৰণেই এটা উপদেষ্টা কমিটি গঠন কৰি দিয়াৰ কথা যোৱা বাৰ বাজেট অধিবেশনৰ সময়ত কোৱা হৈছিল। সেই কমিটিয়ে বিষয়টোৰ সম্পৰ্কত সকলো ৰকমৰ দিহা পৰামৰ্শ বিভাগক দিব পাৰিব আৰু সাংস্কৃতিক বিকাশৰ কাৰণে আৰু তেনেকুৱা গীত-মাত আদি প্ৰচাৰ নাট আদি প্ৰচাৰৰ কাৰণে ৰবীন্দ্ৰ ভৱনত নাট্যশালা এটা গঠন কৰা হৈছে আৰু বিভিন্ন ঠাইত নাট আদি প্ৰচাৰৰ প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় সদস্য ৰায় প্ৰধানী ডাঙৰীয়া আৰু বৰা ডাঙৰীয়াই যিথিনি পৰামৰ্শ দিছে আৰু কৈছে যে পুৰণা গীত-মাতৰ ক্ষেত্ৰত যাতে এৰা নপৰে সেই কাৰণে চৰঅৱশ্যে আমাৰ ফালৰ পৰা টেপ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি চৰকাৰৰ পৰা মঞ্জুৰীও পাইছে আৰু সেই মতেই কাম কৰিবলৈ লোৱা হৈছে। এই সংক্ৰান্তত চৰকাৰক উপদেশ আদি দিয়াৰ কাৰণে কলাকৃষ্টিৰ ওপৰত দখল থকা সাহিত্য আদি চৰ্চা কৰা কেইজনমান লোকক লৈ এটা উপদেষ্টা কমিটি গঠন কৰি দিয়া হৈছে আৰু তেনে লোকক সন্নিবিষ্ট কৰি এই কামত আগুৱাই যাবলৈ চেষ্টা কৰা হৈছে।

সাংস্কৃতিক বিভাগৰ আঁচনি সমূহ কাৰ্য্যকৰী কৰাত পৰামৰ্শ আদি দিবৰ কাৰণে আৰু ভবিষ্যতে কেনে ধৰণৰ আঁচনি যুগুত কৰা উচিত সেই বিষয়ত পৰামৰ্শ দিবলৈ এখন উপদেষ্টা সমিতি পাতি দিয়া হৈছে। সভ্যসকল হল—সাংস্কৃতিক বিভাগৰ মন্ত্ৰী হল সভাপতি, ড: মহেশ্বৰ নেওগ উপ সভাপতি, এখেতে কিতাপ লিখে, আৰু সভ্য সকল হল ডাঃ ভবেন্দ্ৰ নাথ শইকীয়া, গল্পৰ যাদুকৰ, ডঃ ভূপেন হাজৰিকা, এখেতৰ কথা কবই নালাগে সকলোৱে জানে কলাকৃষ্টিৰ উপাযক, চৈয়দ আব্দুল মালিক, এখেতৰ কথাও সকলোৱে জানে লগতে জে, বি, কলেজৰ অধ্যাপক, শ্ৰীনীল পৱন বৰুৱা, শ্ৰীনব কান্ত বৰুৱা, শ্ৰীলীলা গগৈ, তৰুন পামেগাম, শ্ৰীনাৰায়ন ঘাটোৱাৰ, জগন্নাথ ৰায় চৌধুৰী, শ্ৰীবীৰেণ দত্ত তেখেতকো সকলোৱে জানে। ইয়াৰ লগতে শ্ৰীমতী প্ৰনীতা তালুকদাৰ,

চেক্রেটাৰী এডুকেচন, ডিৰেক্টৰ অব কালচাৰেল এফিয়াৰচ, শ্ৰীমতী নিৰ্ম্মল প্ৰভা বৰদলৈ, ইন্দ্ৰেশ্বৰ পেগু।

শ্ৰীজগদীশ দাস: ডঃ ভূপেন হাজৰিকাৰ নাম আছে নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): হয় আছে।

শ্ৰীকবীৰ ৰায় প্ৰধানী: এই কমিটি সম্পৰ্কে ওৱেল ৰিপ্ৰেজেনটেনচ হোৱা নাই। কাৰণ গোৱালপাৰা জিলাৰ পঁৰা এই কমিটিত কোনো লোকেল আৰটিষ্ট লোৱা হোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): অধ্যক্ষ মহোদয়, গোৱালপাৰা কলা কৃষ্টি সম্পৰ্কে অসমত জনাজাত বীৰেণ দত্তক সকলোৱে জানে আৰু তেখেতক ইয়াত ৰখা হৈছে।

শ্ৰীকবীৰ ৰায় প্ৰধানী: তেখেতক আমি জানো। কিন্তু সেই অঞ্চলৰ আৰু বহুতো লোকেল আৰটিষ্ট আছে। মই লোকেল শিক্ষিত এজন আৰটিষ্টকহে লোৱাৰ কথা কৈছো। লাগিলে মই মন্ত্ৰী এনে এজনৰ নাম দিব পাৰো। কিন্তু নাম দিয়াৰ আগতে তেখেত সকলে নিজে ললে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): দিলে ভাল হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ: মই এতিয়াই নাম এটা দিব খুজিছো সেইটো হল প্ৰতিমা বৰুৱা ওৰফে পানদে। তেখেতক দিলে ভাল হয়।

শ্ৰীজগদীশ দাস: সত্ৰীয় ফালৰ পৰাও দিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): উপদেষ্টা কমিটিত লোৱা সদস্য সকলৰ সেই সম্পৰ্কে জ্ঞান আছে। এতিয়া মাননীয় সদস্য সকলে যদি সহাৰি দিয়ে তেনেহলে এইবিষয়ত আমি আগবাঢ়ি যাব পাৰিম। আৰু যি সকলে সহানুভূতি দেখুৱাইছে তেওঁলোকক মই ধন্যবাদ জনাইছো। এইটো ঠিক যে কলাকৃষ্টিৰ কাৰণে যিমান টকা পোৱা হৈছে সেইটো কম অৱশ্যে সেইটো অসমৰ পূৰ্ণ বাজেট নোহোৱা কাৰণে হয়তো অসুবিধা হৈছে। আৰু টকা পইচা খৰচ কৰিব পৰা নাই। এই খিনিকে কৈ মই মাননীয় সদস্য ভুগৰাকীক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি মই সামৰণি মাৰিলো।

শ্ৰীকবীৰ ৰায় প্ৰধানী: অধ্যক্ষ মহোদয় মই এটা কথাত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। এই চেচন শেষ হোৱাৰ আগতে, চেচনৰ শেষৰ ফালে কি কলা কৃষ্টিৰ উদিয়মান কৰিছে সেইটো সকলোকে দেখুৱাব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : দেখুৱা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তৃতা শুনি তাৰ ওপৰতেই এটা স্পষ্টিকৰণ বিচাৰিছো। গোৱালপাৰা কৃষ্টি বিকাশৰ সা-সুবিধা নললে অসম দিখণ্ডীত হোৱা কথাটো যদিও অবান্তৰ তথাপি- গোৱালপাৰাৰ কলা কৃষ্টি সম্পদপূৰ্ণ আৰু ঐচৰ্য্যশালী। বিলাসী পাৰাৰ মইনামতীত চৰকাৰে অনুদান নিদিয়া নহয় কিন্তু যিখিনি পাইছে সেইটো যথেষ্ট নহয়। শুনিবলৈ পাইছো চৰকাৰে সৰু সৰু কালচাৰ কৰিবলৈকো অনুদান দিছে। গতিকে মইনামতীৰ বাবেও বিশেষ সুবিধা দিবৰ বাবে বিবেচনা কৰি চাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : সেইটো বিবেচনা কৰি চাব লাগিব।

শ্ৰীআব্দুল হান্নান চৌধুৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে আমি শুনিলো। মইনামতীকে আদি কৰি অসমৰ সকলো ধৰণৰ সাংস্কৃতিক বৰঙণী দিয়াৰ ব্যৱস্থা ৰাখিছে। কিন্তু মন্ত্ৰী মহোদয়ক জিকিৰ জাৰীৰ বিষয়েও ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিব খুজিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : জিকিৰ জাৰি বিষয়ত এনেয়ে সকলোৰে মাজত জনাজাত আৰু ৰাইজেই ইয়াক জনপ্ৰিয় কৰি তুলিছে।

Mr. Deputy Speaker : The cut-motion is withdrawn. Now, i put the main motion. The motion is that a sum of Rs. 21,09,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the "278-Art and Culture (III)-Culture Affairs."

(The motion is passed and the grant No. 41 is passed)

Shri Hiteswar Saikia (Minister) : Sir, I beg to move Grant No. 51.

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, ৫১ দাবীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। বাজেটৰ দাবীৰ প্ৰথম খণ্ডৰ ৪৯২-৫০১ "২৮৫ তথ্য আৰু প্ৰচাৰ" শিতানৰ ৫১ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ২৮, ৪৩, ৯০০ টকা এটকালৈ হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ২৮, ৪৩, ৯০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

অধ্যক্ষ মহোদয়, এই তথ্য পাতি আৰু প্ৰচাৰৰ শিতানত এই টকা দিবলৈ মই ৰাজি হোৱা নাই। সেই কাৰণে মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো। এইখন দেশ গণতান্ত্ৰিক দেশ। এই গণতান্ত্ৰিক দেশত প্ৰচাৰ বিষয়টো যিহেতুকে একদলীয় শাসনৰ ব্যৱস্থা আমাৰ দেখাত নহয়, বহুত দলীয় শাসনৰ ব্যৱস্থা বুলি সকলোৱে জানে গতিকে দেশত যিবিলাক আলোচনা হয় সেই আলোচনা চৰকাৰী পক্ষৰ যেনেকৈ তেওঁলোকৰ তথ্য-পাতি অৰ্থাৎ বক্তৃতাবোৰ প্ৰচাৰ হয় ঠিক তেনেকৈ বিৰোধী দলৰ বক্তৃতাবোৰো প্ৰচাৰ হোৱাটো বাঞ্চনীয়। কিন্তু তাকে নকৰি জনসাধাৰণৰ মাজত কেৱল চৰকাৰৰ পক্ষৰ আলোচনাৰ কথাবোৰ প্ৰচাৰ কৰি এক দলীয় শাসনৰ অৱস্থাৰ এটাৰ ইংগিত দিছে। ফলত গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা যেনেদৰে স্বীকৃত হব লাগে তাক খৰ্ব্ব কৰা হৈছে। ফলত বিৰোধী দলৰ ভূমিকাৰ বিষয়ে ৰাইজে জানিব নোৱাৰা হৈছে। গণতন্ত্ৰক প্ৰকৃতপক্ষে কুঠাৰাঘাত কৰা হৈছে।

বৰ্ত্তমান বিধান সভা চলি আছে। বিধান সভা আৰম্ভণী দিনৰে পৰা আজিলৈকে আমি কোনোৱেই বহি থকা নাই, যত যি কব লাগে, যি ধৰণেৰে বিধান সভাত আমাৰ বক্তব্য প্ৰদান কৰা বুলি আমি বিবেচনা কৰিছো আৰু অসম বিধান সভাত উত্থাপিত চৰকাৰী বিষয় বস্তুবিলাকত আমি যি ধৰণেৰে আলোচনা আৰু সমালোচনা উত্থাপিত কৰিবলৈ আমাৰ কাৰণে ব্যৱস্থা আছে সেই সকলোবোৰ কৰিছো। তেতিয়া হলে সেই কথাখিনি, বক্তব্য মন্তব্যখিনি, আলোচনা-সমালোচনাখিনি দেশৰ জনসাধাৰণে শুনা আৰু বুজাত সহায় হব লাগিছিল আৰু সেইখিনি বুজাৰ মাধ্যম হৈছে প্ৰচাৰ। কিন্তু আজি খবৰ কাগজত বা ৰেডিঅ'ৰ জৰিয়তে দেশ তথা ৰাজ্যখনৰ জনসাধাৰণে এই প্ৰচাৰৰ সুবিধা পোৱা নাই। এই কথা মই মানি লওঁ যে অসম বা ভাৰতবৰ্ষত জৰুৰীকালীন অৱস্থাৰ ম্যাদ এতিয়াও শেষ হোৱা নাই, দেশত জৰুৰী অৱস্থা চলি আছে। জৰুৰী অৱস্থাত আন্দোলন বা বিক্ষোভ আদি বন্ধ কৰা হৈছে, আলোচনা-সমালোচনাৰ সীমা কিছু বন্ধ কৰা হৈছে। বিক্ষোভ বা আন্দোলন যাতে নহয়; হিংসাত্মক কিবা বক্তব্য—মন্তব্য তাকে সেইবিলাক কথা প্ৰচাৰ নকৰে। কিন্তু বিধান সভাৰ কাৰ্য্য বিৱৰণী বিলাকো প্ৰচাৰ কৰা নাই। যিখিনি কথা আজি আমি ইয়াত আলোচনা-সমালোচনা কৰিছো, যিবিলাক কথা বিধান সভাৰ কাৰ্য্য বিৱৰণীত যুগ যুগ ধৰি থাকিব, যিবিলাক কথাৰ পৰা ইতিহাস বা বুৰঞ্জীৰ সৃষ্টি হব সেইবিলাক কথা যদি অসমৰ জনসাধাৰণে শুনিবলৈ নাপায়, তাৰ ওপৰত যদি জনমত গঠন কৰিবলৈ সুবিধা নাপায় তেন্তে এই খিনি কথা এই ধৰণেৰে বন্ধ কৰি দিয়াত নিশ্চয় গণতান্ত্ৰিক সংসদীয় ব্যৱস্থা বাধা স্বৰূপ হৈ পৰিছে। প্ৰকৃত অৰ্থত কবলৈ হলে আজি সংসদীয় গণতন্ত্ৰই সুবিচাৰ পোৱা নাই। বিৰোধী দলৰ বক্তব্য-মন্তব্য এই ধৰণেৰে প্ৰচাৰ

নোহোৱাত ৰাজনীতিৰ যিটো জ্ঞান আৰু গণতন্ত্ৰক জীয়াই ৰাখিবলৈ হলে বিৰোধী দলৰ যি অপৰিহাৰ্য্য আৱশ্যকতা সেইখিনি বহু আঁতৰি যাব। চৰকাৰী পক্ষৰ সদস্য সকলৰ সকলো কথা যে প্ৰকাশ হৈছে সেই কথা মই কব খোজা নাই। চৰকাৰী পক্ষৰ কথা-বতৰাবিলাকো আমাৰ দৰেই প্ৰকাশ হোৱা নাই। এই সকলৰ কথা-বতৰাবিলাক প্ৰচাৰ কৰাটো বন্ধ কৰাটো উচিত হোৱা নাই, একেদৰেই বিৰোধী পক্ষৰ কথা-বতৰাবিলাকো বন্ধ কৰাটো উচিত হোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই সেই কাৰণে এই সদনত এই কথা দাবী কৰিছো যে মানুহে কোৱা কথা, মানুহৰ ভাবনা-চিন্তাবিলাক কিমান দূৰ বন্ধ কৰিব পাৰিব সেইটো আজি বিবেচনা কৰিব লগা হৈছে। চৰকাৰে আমাৰ এই কথাবোৰ ৰেডিঅত প্ৰকাশ নকৰিব পাৰে, বাতৰি কাকতত প্ৰচাৰ নকৰিব পাৰে কিন্তু ই যে জন মানসত প্ৰবেশ নকৰিব পাৰে, বাতৰি কাকতত প্ৰচাৰ নকৰিব পাৰে কিন্তু ই যে জন মানসত প্ৰবেশ হৈছে জন মানসত ক্ৰিয়া— প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সেই কথা বন্ধ কৰিব নোৱাৰে। শব্দ যদি ব্ৰহ্ম হয় তেন্তে ই জন মানসত প্ৰবেশ কৰিবই।

আমি বিধান সভাত যিবিলাক কথা কওঁ, সেইবিলাক মানুহে শুনিছে, কিন্তু ঠিক ভাবে, বিতং ভাবে আৰু পৰিষ্কাৰ ভাবে শুনিবলৈ পোৱা নাই। আমাৰ বিধান সভা বহি থকা কাল চোৱাত ৰেডিঅ'ৰ সাংবাদিক এজন ইয়াত বহুৱাই থয় আৰু সেই সাংবাদিকৰ দ্বাৰা ১০-১৫ মিনিট ৰেডিঅ'ত প্ৰচাৰ কৰা হৈছিল, এই কথাবিলাক আমাৰ মানুহে জানিছিল। কিন্তু চেন্সৰ কৰা নামত এতিয়া এই বন্ধ কৰাত বিধান সভাত কুৰিদফীয়া আঁচনি বিৰোধীতাই কৰিলেনে সমৰ্থনেই কৰিলে, বাজেটত কিমান টকা ধৰা হৈছে, এইবোৰ একো কথা আমাৰ মানুহে আজি জানিব নোৱাৰা হৈ পৰিল। এইবোৰ কথা কেৱল সদস্য কেইজনে জানিব, চৰকাৰী পক্ষৰ পৰা ইন্টেলিজেন্স ব্ৰাঞ্চৰ যি কেইজন মানুহ আমাৰ মতি-গতি লক্ষ কৰিবলৈ ইয়াত বহুৱাই ৰাখিছে সেই কেইজনে শুনিব আৰু বিধান সভালৈ আহিবলৈ যি কেইজন চৰকাৰী কৰ্ম্মচাৰীয়ে সুবিধা পায় তেখেত সকলে শুনিব। আজি গণতান্ত্ৰিক দেশ এখনত এনেকৈ মানুহক টেটুত চেপা দি ৰখাটো উচিত হোৱা নাই। আজি যদি ৰাইজৰ বক্তব্য— মন্তব্য প্ৰকাশ সুবিধা দিয়া নহয় তেতিয়া হলে আচলতে প্ৰকৃত গণতন্ত্ৰ নাথাকিব। আজি আমি বিৰোধী সকলৰ মুষ্টিমেয় সদস্য সকলে যদি মুখ্য মন্ত্ৰী শৰৎ সিংহক ভঙাৰ চেষ্টা কৰো বা আঁতৰোৱাৰ চেষ্টা কৰো তেন্তে সেইটো নহব পাৰে। অৱশ্য কেতিয়াবা হলেও তেখেত সকলৰ শক্তিশালী দলটোৱেই আঁতৰাব পাৰিব। গতিকে, আমি থিয় হলেই অশুদ্ধ হৈ যাব নে? আমাৰ মানুহে যদি জনমত গ্ৰহণ কৰে তেন্তে কাৰ শক্তি আছে যে আইনৰ বলত মানুহৰ মন-প্ৰাণ, চিত-সাধনা হৰণ কৰিব পাৰিব? নোৱাৰিব।

কিন্তু আইন শৃংখলা মই সদায় মানি আহিছো, আইন শৃংখলা মতে আমিও চলিব লাগিব আৰু চৰকাৰী পক্ষও চলিব লাগিব। এইখিনি কথা মানিয়েই মই কৈছো যে বিধান সভাৰ কাৰ্য্য বিৱৰণী প্ৰচাৰৰ ক্ষেত্ৰত বাতৰি কাকত বা ৰেডিঅ' ইমান সীমা বদ্ধ কৰাটো উচিত হোৱা নাই। অৱশ্যে বাতৰি কাকত বা ৰেডিও' এই বিধান সভাৰ বহুল কাৰ্য্যাৱলী কেতিয়াও প্ৰচাৰ কৰিব নোৱাৰে। অন্তত সীমা বদ্ধ নকৰা হলে মুল মূল কথা কেইটা প্ৰচাৰ হলহেতেন। জনসাধাৰণে বুজিলেহে যেন সংসদীয় গণ-তন্ত্ৰ আজিও আছে, আগেয়েও আছিল আৰু ভবিষ্যতেও থাকিব। কিন্তু এতিয়া মানু-হৰ মনত চিন্তা হৈছে যে আমাৰ দেশখনে কোনফালে গতি কৰিছে?

উপাধ্যক্ষ মহোদয়, মই আশা কৰো বাজেট আলোচনাৰ পিচত চৰকাৰৰ মতি-গতি এই ক্ষেত্ৰত আঁতৰ হব। বৃটিছ থকা দিনত আমাৰ দেশৰ মানুহক দেশৰ কৰ্ম-চাৰীক আৰু বিষয়া সকলক বিশ্বাস নকৰিছিল আৰু সেইবাবে নানা ন ফাইল বঢ়াই-ছিল। চেক্ৰেটাৰী, ডেপুটি চেক্ৰেটাৰী, আন্দাৰ চেক্ৰেটাৰী আদি। আৰু আঙুলি কটপাৰ সৃষ্টি কৰিছিল, সেইটো ভুল হোৱা নাছিল। কাৰণ বিদেশী চৰকাৰে হয়টো আমাক বিশ্বাস কৰিব নোৱাৰিছিল। কিন্তু আজি স্বাধীনতাৰ ডেৰকুৰি বছৰেও চৰ-কাৰী কৰ্মচাৰীসকলক, বিষয়াসকলক, এম, এল, এ; এম, পি সকলক বিশ্বাস কৰিব পৰা নাই নে? কিয় ফাইলৰ উপৰি ফাইল সৃষ্টি কৰিব লগা হৈছে, চহী কৰিব জনা সকলৰো কিয় আঙুলি কটপা লব লগা হৈছে? এইটো বৰ দুখৰ কথা। এইবোৰ কথা দেশৰ জনসাধাৰণে বিচাৰ কৰিব। অফিচাৰ, মন্ত্ৰী, ডিৰেক্টৰ, চেক্ৰেটাৰী আদিয়ে বিচাৰ কৰি শেষ কৰিব নোৱাৰিব।

ৰজা মহাৰজা কোনোৱে সৃষ্টিৰ আৱাহন কালৰে পৰা অনন্তকাললৈ শাসন কৰিব পৰা নাই। উত্থান পটন শাসন ব্যৱস্থাত হৈ আছে আৰু থাকিবও। সেই কাৰণে গণতন্ত্ৰত বিশেষকৈ সংসদী গণতন্ত্ৰৰ আলোচনাখিনি অন্ততঃ জনসাধাৰণে যাতে শুনি-বলৈ পায় ৰেডিঅ বা কাগজৰ মাধ্যমেৰে আৰু তাত যাতে চৰকাৰে হকাবধা নকৰে সেইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

★শ্ৰীদুলাল চন্দ্ৰ থাউণ্ড: মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি খুব চমুকৈ দুটামান কথা কব খুজিছো। বৰ্ত্তমান তথ্য আৰু প্ৰচাৰ বিভাগ সেইটোৰ যে প্ৰয়োজন তাছে তাৰ স্বীকৃতি পিচত দিম। যোৱা সময় চোৱাৰ ভিতৰত এই তথ্য আৰু প্ৰচাৰ বিভাগে আজি কিছুদিনৰ ভিতৰত কিছু উন্নতি কৰা আমাৰ পৰিলক্ষিত হৈছে। কিন্তু আজি এই অৱস্থাত যিটো প্ৰয়োজনবোধ কৰা হয় আৰু

★ Speech on cerrected

যিটো সমাজে বিচাৰিছে সেই তুলনাত যথেষ্ঠ হোৱা নাই। ইয়াৰ প্ৰথম কথা হৈছে এই তথ্য আৰু প্ৰচাৰ বিভাগে কাম কাজৰ ক্ষেত্ৰত ওপৰৰ লেখেইলত কিছু উন্নতি কৰিলেও গাওঁ অঞ্চলৰ ৰাইজৰ মাজত ইয়াৰ উন্নতি হোৱা বৰ বেছি দেখা নাই। উদাহৰণ স্বৰূপে এটা কথা কব পাৰো ধৰক আজি আমাৰ সমাজত অৰ্থ নৈতিক পৰিবৰ্ত্তনৰ বিকাশৰ কাৰণে বহুত আইন কৰা হৈছে কিন্তু গাওঁ অঞ্চলৰ ৰাইজে এই আইন সমূহ ভালকৈ বুজা নাই কাৰণে আগ্ৰহেৰে গ্ৰহণ কৰিব পৰা নাই। দুই চাৰিখন পুস্তিকা প্ৰকাশ পাইছে বা এখন কিতাপো প্ৰকাশ হৈছে যদিও এই আইন সমূহৰ ব্যাখ্যা বা তাৰ কাৰ্য্যকৰী কৰা সম্পৰ্কে চৰকাৰৰ নীতি জনসাধাৰণে যি ধৰণে বুজি পাবলাগিছিল সেই ধৰণে বুজি পোৱা নাই। আমাৰ অলপতে এখন গাওঁলীয়া ৰিণগ্ৰস্থতা বুলি যিখন আইন পাচ হোৱাৰ কেইবামাহো হৈ গ'ল কিন্তু আমাৰ গাওঁৰ জনসাধাৰণে তাৰ খবৰেই পোৱা নাই। তেওঁলোকে এই বিলৰ দ্বাৰা কি উপকাৰ পাব তাক বুজা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যে সামাজিক পৰিবৰ্ত্তনৰ ক্ষেত্ৰত তথ্য আৰু প্ৰচাৰ বিভাগক যদি ব্যৱহৃত কৰিব বিচাৰিছে তেনেহলে এই ব্যৱস্থাবিলাক যিবিলাক ব্যৱস্থা লোৱা হৈছে সেইবিলাক জনসাধাৰণৰ মাজলৈ কঢ়িয়াই নিয়াৰ ব্যৱস্থা কৰিব লাগিব। দ্বিতীয় কথা হ'ল কুৰী-দফীয়া অৰ্থ নৈতিক কাৰ্য্যসূচী ৰূপায়নৰ ক্ষেত্ৰত যি সামাজিক পৰিবৰ্ত্তন আনিবলৈ ব্যৱস্থা লোৱা হৈছে এই আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ জনসাধাৰণক সম্পূৰ্ণৰূপে শিকাই লব নোৱাৰিলে কাম আদায় কৰিব নোৱাৰে। তেওঁলোকৰ সক্ৰীয় সহযোগ লাগিলে তেওঁলোকৰ পৰিস্থিতি ভালকৈ বুজাই দিব লাগিব। উদাহৰণ স্বৰূপে মই এটা কথা কওঁ আমাৰ যি চিলিংৰ মাটি বিতৰণ কৰা হৈছে কাগজে পত্ৰে হয়তো ৰাইজে গম পাইছে যে মন্ত্ৰীয়ে অ'ত ত'ত গৈ মাটি বিতৰণ কৰিছে বা কিমান মাটি দিয়া হৈছে সেইটোও হয়তো জানিছে কিন্তু মোৰ প্ৰশ্ন হৈছে মাটিৰ সমস্যা কি আৰু চৰকাৰ আৰু জনসাধাৰণৰ ভূমিকা কি সেই সম্বন্ধে আমাৰ ৰাইজক যি ধৰণে এই বিভাগে বুজাই দিব লাগিছিল সেই ধৰণে বুজাই দিব পৰা নাই।

দ্বিতীয় কথা হৈছে মাননীয় সদস্য বৰা ডাঙৰীয়াই চেনচৰস্বীপ সম্পৰ্কে এটা কথা কৈছে। আমাৰ দেশত এই অৱস্থাৰ পৰিপ্ৰেক্ষিত্ৰতত চেনচৰস্বীপ লাগে। আমাৰ দেশত কুৰীদফীয়া অৰ্থ নৈতিক কাৰ্য্যসূচী তথা জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। আৰু এই জৰুৰী অৱস্থালৈ লক্ষ্য কৰিয়ে কিছুমান নিৰ্দ্দেশ বা চেনচৰস্বীপ বিবেচনা কৰিব লাগিব। এই চেনচৰস্বীপে আমাৰ ৰাজনৈতিক বা অৰ্থ নৈতিক ক্ষেত্ৰত সহায় কৰিব লাগিব। কিন্তু অসমৰ ক্ষেত্ৰত এই কথা দেখা গৈছে বহুত সময়ত এই চেনচৰস্বীপে ৰাজনৈতিক বা সামাজিক ক্ষেত্ৰত সহায় কৰা নাই। উদাহৰণ স্বৰূপে দিল্লীত যেতিয়া

কেন্দ্ৰই চেনচৰস্বীপ কৰে তেতিয়া বহুতো প্ৰবন্ধ প্ৰকাশ কৰিবলৈ বন্ধ কৰা নহয় কিন্তু সেই প্ৰবন্ধটোকে যদি অসমীয়া অনুবাদ কৰা হয় আমাৰ অসমত তাক প্ৰকাশ কৰিবলৈ বন্ধ কৰি দিয়া হয়। আমাৰ কথা হ'ল কেন্দ্ৰীয় চৰকাৰে যেতিয়া প্ৰকাশ কৰিবলৈ অনুমতি দিয়ে তেতিয়া আমাৰ চৰকাৰে তাক বন্ধ কৰে কিয় ? আমাৰ প্ৰচাৰ বিভাগে ক'ত ক'ত বন্ধ কৰিছে তাৰ হিচাব আমাৰ হাতত আছে। উদাহৰণ স্বৰূপে সমাজ-তন্ত্ৰৰ বিৰুদ্ধে কিবা কবলৈ গলে তাক বন্ধ কৰিব লাগে কিন্তু সমাজতন্ত্ৰৰ ওপৰত লিখা প্ৰবন্ধ পাতি আদি লক্ষ্য কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। চেনচৰস্বীপ থাকিব লাগে বা উঠাই দিব লাগে বুলি মই কোৱা নাই কিন্তু ৰাজনৈতিক, সামাজিক বা অৰ্থনৈতিক লক্ষ্য পূৰণৰ কাৰণে যাতে ব্যৱহৃত কৰা যায় তালৈ লক্ষ্য কৰিবলৈ কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীযুত সোনেশ্বৰ বৰা ডাঙৰীয়াই বাতৰি কাকতত বিধান সভাৰ মাননীয় সদস্য সকলে কোৱা কথা বিলাক প্ৰকাশ নোহোৱাৰ কথা উল্লেখ কৰিছে। জৰুৰীকালিন অৱস্থা ঘোষণা কৰাৰ পিচত আমাৰ দেশখনে বহুতো ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰন আনিব লগীয়া হৈছে। জৰুৰীকালিন অৱস্থা ঘোষণা কৰাৰ আগ মুহূৰ্তলৈকে দেশত যি এটা পৰিস্থিতি হ'ল আৰু সেই পৰিস্থিতিৰ সুযোগ লৈ ভাৰতবৰ্ষৰ বাতৰি কাকত বিলাকে এনে ধৰণৰ অপপ্ৰচাৰ আৰু গণতান্ত্ৰিক বিৰোধী কাম-কাজ চলোৱা আৰম্ভ কৰিলে যাৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰি বাতৰি কাকত বিলাকৰ কিছু নিয়ন্ত্ৰণ কৰিব লগীয়া হ'ল। এই সন্দৰ্ভত যিখিনি ব্যৱস্থা লোৱা হৈছে সি সংবিধান সন্মত আৰু গণতান্ত্ৰিক। বাতৰি কাকতত প্ৰচাৰ কৰা কথা বিলাক চাবৰ কাৰণে আমাৰ যি এটা বিভাগ কৰা হৈছে সেই বিভাগে কিছু নীতি-নিয়ম ৰাখি কাম কৰি আছে। এই নীতি-নিয়ম বিলাক মানি চলিবলৈ যাওতে মাননীয় সদস্য সকলৰ বহু কথাই প্ৰকাশ পোৱা নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড: অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। কথাটো হৈছে যে পাৰ্লিয়ামেণ্টত এটা সিদ্ধান্তলৈ আহিছে যে সকলোবিলাক সদস্যৰ কথা প্ৰকাশ কৰা হব। কিন্তু আমাৰ ইয়াত ব্লেনকেট বেণ্ড কৰা হৈছে যাতে কোনো কথা প্ৰকাশ কৰা নহয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): আমাৰ বাতৰি কাকত বিলাকৰ ওপৰত কেতিয়াও নিয়ন্ত্ৰণ নাৰাখিলোহেতেন যদি বাতৰি কাকত সমূহে গণতান্ত্ৰিক মৰ্যাদা আৰু তেখেত সকলে পোৱা মৰ্যাদা ৰাখিব পাৰিলেহেতেন। আমি বাতৰি কাকত সমূহক যথেষ্ঠ মূল্য দিওঁ। আৰু বাতৰি পৰিবেষণ কৰাৰ ক্ষেত্ৰত পৰাপক্ষত চৰকাৰে হস্তক্ষেপ নকৰে।

মাননীয় সদস্য সকলক কথা কবৰ বাবে যি দৰে প্ৰিভিলাইজ দিয়া হয় ঠিক তেনেকৈয়ে বাতৰি কাকত বিলাককো যথেষ্ঠ প্ৰিভিলাইজ দিয়া হৈছিল। তেখেত সকলে বহুত বিষয়ত প্ৰিভিলাইজ অপব্যৱহাৰ কৰিছে। অসমৰ ভালেকেইখন বাতৰি কাকতে এনে ধৰণৰ অসত্য কথা পৰিবেষণ কৰিলে যিবিলাক কথাই জনসাধাৰণৰ মাজত বহু ধৰণেৰে আতংকৰ সৃষ্টি কৰিলে। যোৱা বছৰ যেতিয়া আমাৰ দেশত খাদ্যৰ নাটনি হৈছিল আৰু বস্তুৰ মূল্য বাঢ়িছিল সেই সময়ত প্ৰকাশ কৰা বাতৰিয়ে জনসাধাৰণৰ মাজত যিটো অৱস্থাৰ সৃষ্টি কৰিছিল তাৰ ফলত জনসাধাৰণৰ মন আতংক গ্ৰস্ত হৈছিল।

এনে ধৰণৰ কথাও প্ৰকাশ হৈছে যে ধুবুৰীৰ কোনোবা বাছত এজন যাত্ৰীয়ে বমি কৰিছিল আৰু বাছৰ এজন মানুহে সেই বমিকে খাইছিল বুলি প্ৰচাৰ হৈছিল। গতিকে যি স্বাধীনতা এই বাতৰি কাকত সমূহক দিয়া হৈছিল সেই স্বাধীনতা তেওঁলোকে ৰক্ষা কৰিব নোৱাৰিলে। গতিকে বিধান সভাৰ সদস্য সকলেও এইটো কথাও অস্বীকাৰ কৰিব নোৱাৰে। লোক সভাৰ বহুতো সদস্যই এনে কিছু কাম কৰিছে, যিবিলাক কামে গণতান্ত্ৰিক ব্যৱস্থাৰ লগত খাপ নাখায়। পাৰ্লিয়ামেণ্ট বা গণতান্ত্ৰিক ব্যৱস্থাৰ কথা সমূহত ব্যাঘাত কৰিবলৈ যোৱাৰ আগতে এই অৱস্থা আনিব লগা হ'ল। বহুতো ঠাইত জনসাধাৰণৰ বিপথে পৰিচালিত হোৱাৰ বাবে গণতান্ত্ৰিক ব্যৱস্থা অচল হৈ পৰিল। গতিকেই গণতান্ত্ৰিক অচলতা দূৰ কৰিবৰ কাৰণে দেশৰ সংহতি ৰক্ষা কৰিবৰ কাৰণে আৰু দেশৰ অখণ্ডতা ৰক্ষা কৰিবৰ কাৰণেই এই জৰুৰী অৱস্থাৰ ঘোষণা কৰি বহুতো কামৰ নিয়ন্ত্ৰণ কৰিব লগীয়া হল। আজি আমি প্ৰধান মন্ত্ৰীৰ কুৰি দফীয়া অৰ্থ নৈতিক কাৰ্য্যসূচীৰ ওপৰত জোৰ দিছো ইয়াত সকলো লোকৰে সমৰ্থন আছে। এই অৱস্থাত কুৰি দফীয়া কাৰ্য্যসূচী কৃতকাৰ্য্যতাৰে কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ইয়াৰ ফলত আমাৰ দেশৰ সমূহীয়া উন্নতি আৰু সমৃদ্ধি হব। আমাৰ এইটো লক্ষ্য নহয় যে মাননীয় সদস্য সকলে কি সমৰ্থন কৰিলে, কি সমৰ্থন নাই কৰা, আমাৰ উদ্দেশ্য হৈছে এই বিধান সভাত আমি কি গ্ৰহণ কৰিলো বা কি সিদ্ধান্ত ললো সেইটোৰ ওপৰত গুৰুত্ব আৰোপ কৰাহে। যদি পাৰ্লিয়ামেণ্টৰ সদস্য সকলৰ কথা প্ৰকাশ কৰা হয় তেনেহলে অসম বিধান সভাৰো প্ৰকাশ কৰাৰ ব্যৱস্থা লম। শ্ৰীযুত বৰা ডাঙৰীয়াই কোৱা কথাৰ ওপৰত মই কব খুজিছো যে তেখেতে আক্ষেপ কৰিছে যে জৰুৰীকালীন অৱস্থাৰ কিছুমান নীতি-নিয়ম সলাই কাম কৰা হৈছে। কিন্তু মই ভাবো তেখেতে নিশ্চয় উপলব্ধি কৰিছে যে আজি আমি বিশেষ কাৰ্য্যসূচীৰে কাম কৰিবলৈ লৈছো। এই ক্ষেত্ৰত আমি অলাগতিয়াল আৰু অসংযত ভাৱে কাম নকৰি সংযত ভাৱে কাম কৰাৰ বাতাবৰণ জনসাধাৰণৰ মাজত সৃষ্টি কৰিব লাগিব। আমি যিয়েই নকওঁ যে আমাৰ বিধান সভাৰ সকলো সদস্যৰে একমত যে আমাৰ দেশখনে উন্নতিৰ পথত আগবাঢ়ক, দুখীয়া জনসাধাৰণে খাবলৈ পাওঁক। খাউণ্ড ডাঙৰীয়াই কৈছে

যে আমি বিধান সভাত যিবিলাক এই কথাবিলাকে সাধাৰণ মানুহক অন্তৰ স্পৰ্শ কৰিব পৰা নাই ইয়াৰ বাবে কি ব্যৱস্থা লৈছে । কিন্তু সেইটো কথা ঠিক যে এই কথা বিলাক প্ৰকাশ কৰিবৰ কাৰণে আৰু আইন বিলাক জনসাধাৰণক জনাবৰ কাৰণে বিশেষ ব্যৱস্থা লবলৈ জৰুৰীকালীন অৱস্থা ঘোষণা কৰি পিচত কামৰ বিভাগ বিলাক পুনৰ গঠন কৰি চোৱা হব । এতিয়া আমি ৬১ খন পুস্তিকা, চাৰিশ ৬১ খন কথাছবি প্ৰকাশ কৰিছো । ইয়াৰ উপৰিও আমি যিবিলাক আইন পাচ কৰিছো, আধিয়াৰ আইন, ৰায়তিস্বত্ত আইন এইবিলাক এতিয়াও আমি বাস্তৱত ৰূপায়িত কৰিব পৰা নাই । আমাৰ দেশৰ প্ৰায় শত-কৰা ৭২ জন মানুহে নিৰক্ষৰ ।

যি সকলৰ কাৰণে আজি আইন কানুন বিলাক কৰা হৈছে সেই সকলক নিৰক্ষৰ মানুহ। শতকৰা ৭২ জন মানুহেই লিখিব পঢ়িব নোৱাৰা। গতিকে এই সকল মানুহে যাতে যিবিলাক আইন আদি ইতিমধ্যে কৰা হয় বা যিবিলাক কৰা হৈছে বা ভৱিষ্যতে কৰা হব সেইবিলাক যাতে আমাৰ মানুহ বিলাকে ভালদৰে বুজিব পাৰে তাৰ কাৰণে এই কথাছবি বিলাকে কাম কৰিব। আলোচনা চক্ৰ সহায়ক হব আৰু ক্ষেত্ৰ প্ৰচাৰ বিভাগো সহায়ক হব। অহা বছৰৰ কাৰণে কি কৰিব খোজা হৈছে সেই বিষয়ে মাননীয় সদস্য সকলক অৱগত কৰোৱা হব। এই বিধান সভাতে যিমান বিলাক আইন আদি কৰা হল আৰু হব বা চৰকাৰে যি বিলাক প্ৰগতিমূলক আঁচনি গ্ৰহণ কৰিছে বা কৰিব সেই সম্পৰ্কে আমাৰ জনসাধাৰণক অৱগত কৰোৱাৰ কাৰণে বিভিন্ন ঠাইত আলোচনা চক্ৰ, সমূহীয়া মেল, কথাছবি আৰু ক্ষেত্ৰ প্ৰচাৰ আৰু প্ৰদৰ্শনীৰ জৰিয়তে কৰিবলৈ দিহা কৰা হৈছে। তিনিটা ভ্ৰাম্যমান প্ৰদৰ্শনীৰ ব্যৱস্থা শিলচৰ, যোৰহাট আৰু তেজপুৰত কৰা হৈছে। তাৰোপৰি আলোচনা আদিৰ যোগেদি যাতে প্ৰচাৰ কাৰ্য্য ভালদৰে কৰিব পাৰি আৰু মানুহক সহজে অৱগত কৰাব পাৰি তাৰ কাৰণেও সমূহীয়া সভা সমিতি আদিৰ ব্যৱস্থা কৰা হৈছে। কথাছবিও ভালেকেইখন কৰিব খোজা হৈছে। সাংস্কৃতিৰ ক্ষেত্ৰতো যে কিছু কাম নকৰিম সেইটো নহয়। সাংস্কৃতিক গোট কিছুমান কৰি তাৰ যোগেদি প্ৰচাৰ কৰিব কাৰণেও ৰাজ্যৰ বিভিন্ন ঠাইত ৰাস্তাৰ দাতিয়ে দাতিয়ে কিছুমান নাটঘৰ কৰাৰ কাৰণেও ব্যৱস্থা কৰা হৈছে। মুকলি মঞ্চৰ জৰিয়তে নাটঘৰ কৰিব খুজিছোঁ। মাননীয় সদস্য সকলেও জানে যে, দেশৰ যতেই কিবা এটা বিপ্লৱ হৈছে তাতেই গীত-মাত, নাট্যাভিনয় আদিয়ে এক বিশেষ বৰঙণী যোগাই আহিছে। ভিয়েটনামৰ জাগৰণতো নাট্যসাহিত্য আদিয়ে আতাইতকৈ বেছি বৰঙণী আগবঢ়াইছিল। তাৰ ডেকা-গাভৰু সকলক প্ৰেৰণা দিছিল। সেইদৰে আজি আমি সমাজবাদী সমাজব্যৱস্থাৰে যি প্ৰগতিশীল আঁচনি বিলাক গ্ৰহণ কৰিছো সেই বিলাকো আমাৰ জনসাধাৰণৰ মাজত প্ৰচাৰ আৰু জনপ্ৰিয় কৰি তুলিবৰ কাৰণেও আমি গীত মাতৰ আশ্ৰয় লব লাগিব। আনকি মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱেও বৈষ্ণৱ

ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে গীতমাত, ন ত্য-গীত, সুৰ-সঞ্চাৰৰ আশ্ৰয় লব লগীয়া হৈছিল।
কিন্তু তাকে কৰিবলৈ যাওতে যাতে আমাৰ পুৰণি কলা-কৃষ্টিৰ কোনো বিৰূপ প্ৰতিক্ৰিয়াৰ
সৃষ্টি নহয় সেইটোলৈকে আমি নজৰ ৰাখিব লাগিব। সংস্কৃতি বুলিলে এইটোকে নুবুযায়
যে, পুৰণা গীত মাত বা সংস্কৃতিক অশ্ৰদ্ধা কৰা বা গুৰুত্ব কমাই দিয়া। কিছু
সালসলনি হব পাৰে। সংস্কৃতিক সামাজিক ব্যৱস্থা। এতিয়া সমাজখন কেনেকৈ চলিছে
সেইটোও সংস্কৃতিৰ মাজেদি পূৰ্ণপ্ৰতিফলন হব লাগিব। এইখিনিৰ কাৰণে এই বিভাগে
নিশ্চয় চেষ্টা কৰিব। ইয়াৰোপৰি ৰচনা, আকস্মিক বক্তৃতা আদি পাঠ কৰিবলৈকো
ব্যৱস্থা কৰা হৈছে। তথ্যকেন্দ্ৰ কিছুমানো বিভিন্ন ঠাইত কৰোৱাৰ দিহা কৰা হৈছে।
এইখিনি কথা কৈয়ে মই মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়া আৰু থাউও ডাঙৰীয়াই দিয়া
পৰামৰ্শৱলী যাতে আমাৰ প্ৰচাৰ আৰু জনসংযোগ বিভাগে বাস্তৱত ৰূপায়িত কৰিব
পাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা হব। এনে এটা বাতাবৰণৰ সৃষ্টি আমাৰ দেশত
কৰিব লাগিব যিটোৰ দ্বাৰা আমাৰ দেশৰ মানুহ বিলাকে নিজৰ দায়িত্ব উপলব্ধি কৰি
চৰকাৰৰ ওপৰতেই যাতে সকলো এৰি নিদিয়ে। চৰকাৰ আৰু জনসাধাৰণ আগতে
দুটা বেলেগ বস্তু বুলি পৰিগণিত হৈছিল। আজি সেইটো ক্ৰমান্বয়ে নাইকীয়া হৈ যাব
ধৰিছে। আমাৰ সংশ্লিষ্ট বিভাগে তেনেকুৱা এটা বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ
কাৰণে আজি চৰকাৰ আৰু জনসাধাৰণৰ মাজত এটা সম্পৰ্ক স্থাপন হৈছে। নিজৰ
কৰণীয় আৰু দায়িত্ব উপলব্ধি কৰিব পাৰিছে। সেইকাৰণেই ৰাস্তাঘাট, স্কুল কলেজ
আদি স্থাপন কৰিবৰ কাৰণে আমাৰ মানুহ আগবাঢ়ি আহিছে। ই সচাকৈয়ে এটি শুভ-
লক্ষণ। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও এনেকুৱা উদাহৰণৰ কথা কৈছে। বৰমাত গৈ
কটন কলেজৰ কেইজনমান শিক্ষক ছাত্ৰই কাম কৰিবলৈ আৰম্ভ কৰা দেখি প্ৰায়
২০০।৩০০ গাৱলীয়া মানুহ আহি ৰাস্তা বনোৱাৰ কামত লাগি গৈছে। প্ৰচাৰ আৰু
জনসংযোগ ৰক্ষী বিভাগে এটা বাতাবৰণ অনুকূল কৰি সৃষ্টি কৰিব পৰাৰ কাৰণেই এই
সহাৰি ৰাইজৰ পৰা আহিছে মই ভাৱো এই বিভাগে সকলোখিনি কাম কৰিবলৈ
সক্ষম হব! গতিকেই মাননীয় সদস্য বৰা ডাঙৰীয়াই অনা কৰ্ত্তন প্ৰস্তাৱটো উঠাই
লবলৈ মই তেখেতক অনুৰোধ কৰিছো।

ড: কোমেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, 'ৰাইজৰ বাতৰি' নামৰ যিখন পত্ৰিকা
আছে সেইখনত ৰাইজৰ বাতৰি থকাতকৈ চৰকাৰৰ বাতৰিহে আছে। গতিকে সেইটোৰ
প্ৰতি লক্ষ ৰাখি এই বাতৰি কাকতখনৰ নাম 'চৰকাৰৰ বাতৰি' নামাকৰণ কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তাত যিবিলাক বাতৰি
পৰিবেশন কৰা হয় সেইবিলাক চৰকাৰে লোৱা ৰাইজৰ কাৰণে আঁচনি আৰু প্ৰগতি-

মূলক আঁচনি বিলাকৰ খবৰহে থাকে। এতিয়ালৈ এই বাতৰি কাকতখনৰ 'প্ৰিন-পেইড' গ্ৰাহকৰ সংখ্যা গোটেই অসমতে ১৯ হেজাৰ। ৬৬৩ খন কো-অপাৰেটিভৰ জৰিয়তে ২০ খনকৈ বাতৰি কাকত ৰাইজৰ মাজলৈ গৈছে। চৰকাৰে যিবিলাক কৰিছে সেই-বিলাক ৰাইজক জনাবৰ কাৰণেই আৰু ৰাইজৰ কাৰণেই। গতিকেই তাৰ নাম 'ৰাইজৰ বাতৰি' ৰখা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : ইমান বিলাক গোলমালত নোসোমোৱাকৈ একেবাৰেই 'ৰাইজ' বুলিয়েই নামাকৰণ নকৰে কিয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : 'ৰাইজৰ বাতৰি' ৰাইজেই হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : চৰকাৰৰ বাতৰি নাম নিদিয়ে কিয়?

মাননীয় অধ্যক্ষ : সেইটো কৈছেই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰীৰ ২০ দফীয়া কাৰ্যাসূচীৰ আৰু ৰাইজৰ কাৰণে চৰকাৰে লোৱা প্ৰগতিশীল আঁচনি আৰু আইন কানুন বিলাক সুন্দৰ ভাৱে ব্যাখ্যা কৰিবৰ কাৰণে 'ব্লক'ৰ ভিত্তিত পঞ্চায়ত আৰু কো-অপাৰেটিভৰ সদস্য সকলকলৈ একো একোটা আলোচনা চক্ৰ সংগঠিত কৰাৰ দিহা কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : মাননীয় সদস্য সকলে সহায় সহযোগ আগবঢ়ালে ৬৬৩ খন কো-অপাৰেটিভ চছাইটিতে এই ব্যৱস্থা কৰিব পাৰিম।

মাননীয় অধ্যক্ষ : আপুনি 'কাটমোচন'টো 'উয়িদ্ৰ' কৰিলে নেকি?

Mr. Speaker : I put the cut motion. The Cut Motion is বাজেটৰ দাবীৰ প্ৰথম খণ্ডৰ ৪৯২-৫০১ "২৮৫—তথ্য আৰু প্ৰচাৰ" শিতানত ৫১ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ২৮,৪৩,৯০০ টকা এটকালৈ হ্ৰাস কৰা হওক, অৰ্থাত সমুদায় মঞ্জুৰীৰ ২৮,৪৩,৯০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

( After a pause )

The cut Motion is lost

Now I put the main motion. The motion is that a sum of Rs. 28,43,900 be granted to the Minister in Charge to defray the charges which will come in course of payment during the

year ending the 31st March 1977 for the administration of the head "285-Information and Publicity,"

( After a pause—the motion is passed. the Grant is passed ), Now, the House stands adjourned till 2-30 P.M.

শ্রীসোনেশ্বৰ বৰা : নাই কৰা ।

( After lunch )

Mr. Speaker : Md. Idris to move the Grants.

Md. Idris ( Minister, P.W.D. ) : I move Grant No. 22. Shall I move all the Grants ?

Mr. Speaker : Yes. You move all the grants.

Md. Idris ( Minister, P.W.D.) : Sir, I beg to move Grants Nos. 22, 48, 85, 90, 91, 92, 108,

Mr. Speaker : Grants moved. Any cut motion ?

শ্রীনগেন বৰুৱা : বাজেটৰ দাবীৰ ১ম খণ্ডৰ ২০০-২১৪ পৃষ্ঠাত "২৫৯ গড়কাপ্তানী" শিতানৰ ২২ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৫,২৫,৬৮,৩০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় মঞ্জুৰীৰ ৫,২৫,৬৮,৩০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক। অধ্যক্ষ মহোদয়, মই এই দাবীৰ ওপৰত কৰ্তন প্ৰস্তাৱ দাঙি ধৰি যাৱতীয় বিভাগৰ কাৰ্য্য পদ্ধতি সম্পৰ্কে কিছু কথা আলোচনা কৰিবলৈ বিচাৰিছো। আমাৰ এই গড়কাপ্তানী বিভাগটো অকল অসম চৰকাৰৰ ডাঙৰ বিভাগেই নহয়, ই এটা পুৰণি বিভাগ অথচ এই বিভাগৰ কাৰ্যাকলাপবোৰ জনসাধাৰণে যি ধৰণেৰে গ্ৰহণ কৰিব লাগিছিল সেই ধৰণে গ্ৰহণ কৰিব পৰা নাই। লাহে লাহে এই বিভাগৰ কাৰ্যাকলাপ এনেকুৱা হৈছে যে আঁচনি অনুপাতে ইয়াৰ কাৰ্য্যসূচীৰ কাৰ্য্যকৰী অন্য ৰকমৰ হয়। অন্যান্য যিবিলাক বিভাগৰ কাম ইতিপূৰ্ব্বে এই গড়কাপ্তানী বিভাগে কৰিছিল আনকি সেই চৰকাৰি বিভাগ বিলাকো অসন্তুষ্ট হৈ তেওঁলোকৰ নিজ নিজ বিভাগৰ কাম নিজেই কৰিবলৈ আৰম্ভ কৰিছে।

উদাহৰণ স্বৰূপে স্বাস্থ্য বিভাগৰ কাম হৈছে— এই ক্ষেত্ৰত যিবিলাক উন্নয়নমূলক জনস্বাস্থ্য সম্পৰ্কীয় আঁচনি আছে সেইবিলাক কাৰ্য্যকৰী কৰাত মনোনিবেশ কৰিব লাগে।

কিন্তু তেওঁলোকে তেওঁলোকৰ ঘৰ-সজা, ৰাষ্টা বন্ধা কাম নহয়। এই স্বাস্থ্য বিভাগে আজি-কালি গড়কাপ্তানী বিভাগৰ যি কাম সেই কাম কৰিবলৈ নিদি নিজে কৰিবলৈ লৈছে। এইদৰে অন্যান্য কিছুমান বিভাগ আছে যিবিলাকে আগতে গড়কাপ্তানী বিভাগৰ দ্বাৰা কাম কৰোৱাই লৈছিল সেই বিলাক কাম আজি কালি নিজে কৰিবলৈ লৈছে। কিয় এইটো হৈছে? ইয়াৰ পৰা প্ৰমাণিত হয় যে এই কাম বিলাক কৰোতে অনাৱশ্যকীয় ভাৱে লেহেম গতিৰ দ্বাৰা জনসাধাৰণৰ সেৱা কাৰ্য্য ব্যাহত হয়। এই বিভাগে কিছুমান ফাইল আদি লৈ বৈ থাকে আৰু বাজেটত যি টকা দিয়া হয় উপযুক্ত আঁচনিৰ অভাৱত সেই কাম সময়মতে কৰিব নোৱাৰে। তাৰ ফলত অজস্ৰ পৰিমানে বছৰি চাৰেণ্ডাৰ কৰিবলগীয়া হয়। এইদৰে গড়কাপ্তানীৰ বাহিৰেও চৰকাৰৰ অন্যান্য বিভাগ সমূহতো টকা চাৰেণ্ডাৰ হয়। সেইদৰে কেন্দ্ৰীয় চৰকাৰে আমাক যি পুঁজি দিয়ে সেই পুঁজিৰ টকা বিলাকো এই বিভাগত চাৰেণ্ডাৰ হৈ যোৱাৰ দৃষ্টান্ত আমাৰ হাতত আছে। এই সন্দৰ্ভত যোৱা কেইটা বছৰত এই বিভাগক দিয়া টকাৰ পৰিমাণ কম আছিল। সেই কাৰণে দুই তিনি বছৰৰ ভিতৰত এই বিলাক কাম হৈ নুঠিব পাৰে। আৰু অন্যান্য বিভাগত যিবিলাক মঞ্জুৰী দিয়া হয় সেই বিলাকৰ কাম সময়মতে কৰিব নোৱাৰাৰ কাৰণে এই টকা চাৰেণ্ডাৰ কৰা হয় আৰু তাৰ ফলত ৰাইজৰ সেৱা কাৰ্য্যত ব্যাঘাত জন্মে। এই বিভাগৰ বহুতো দোষ আছে যিবিলাকৰ পৰা এই বিভাগ মুক্ত নহয়। সেই কাৰণে এই কৰ্তন প্ৰস্তাৱটোৰ আলোচনা সন্দৰ্ভত মই বিভাগীয় মন্ত্ৰী বিষয়া, কৰ্মচাৰী আদিক কব খুজিছো যে আমাৰ অসম ৰাজ্যৰ ভৌগলিক পৰিস্থিতি আৰু ইয়াৰ অৱস্থা বেলেগ ধৰণৰ, ৰাজ্যখন পিচপৰা, আৰু ইয়াৰ যি জলবায়ু, সেই মতে ইয়াৰ ৰাষ্টা-ঘাট, দলং, ঘৰ-বাৰী আদি নিৰ্মাণ যি দৰে হব লাগে সেই ধৰণে হৈ উঠা নাই। এই ক্ষেত্ৰত এই কাম বিলাক সময় মতে কৰিব নোৱাৰিলে জলবায়ুৰ প্ৰভাৱত নষ্ট হৈ যায়। গতিকে এই ক্ষেত্ৰত কোনো হেমাহী নকৰি সময় মতে কাম কৰি যোৱাৰ ব্যৱস্থা এই বিভাগে কৰি যাব লাগে। ভাৰতবৰ্ষৰ ভিতৰতে অসম এখন পিচপৰা ৰাজ্য। ইয়াৰ জনসংখ্যা অনুপাতে যিমান ৰাষ্টা-ঘাট হব লাগিছিল সেই পৰিমাণে হৈ উঠা নাই। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ ভৌগোলিক পৰিস্থিতি আৰু জলবায়ু আমাৰ ৰাজ্যৰ লগত নিমিলে। ইয়াত বৰষুণ বেছি হয় ফলত বানপানী বেছি হয়। গতিকে খৰালী সময় অতি কম। এই সময় চোৱাৰ ভিতৰত যদি ৰাষ্টা-ঘাট ঘৰ-দুৱাৰ দলং সময় মতে কৰিব পৰা নাযায় তেতিয়াহলে বাৰিষাকালি কাম হৈ নুঠে। তেনেস্থলত এই কাম বিলাকৰ কাৰণে কৰা ব্যয় অপব্যয় হৈ উঠে। আৰু ৰাইজৰ অসুবিধা হয়। গতিকে এইটো আমি সদায় দেখি আহিছো যে আমাৰ এইদৰে লেহেম গতিত কাম হয় আৰু তাৰ ফলত সকলো বিলাক কল্যাণমূলক কাম ব্যৰ্থ হয়। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ

কৰিছো যাতে যিবিলাক আঁচনি লোৱা হয় সেই আঁচনি বিলাক কাৰ্যাকৰী হয়। নহলে নানা ৰকমৰ বতৰৰ ডুৰ্যোগৰ ক্ৰীয়া আৰু প্ৰতিক্ৰিয়াই এই ৰাষ্টা-ঘাট দলং বিলাক নষ্ট কৰি পেলায় আৰু তাৰ ফলত পিচৰ বছৰত এই কামবিলাকৰ কাৰণে অজস্ৰ টকা খৰচ কৰিবলগীয়া হয়। এই সম্পৰ্কে এই বিধান সভাৰ ভিতৰত আৰু বাহিৰত বহুতো আলোচনা কৰা হৈছে। গতিকে চৰকাৰে হাতত লোৱা আঁচনি-যাতে সময় মতে কাৰ্য্যকৰী হয় তাৰ কাৰণে মই চৰকাৰৰ মনোনিবেশ কৰিবলৈ পৰামৰ্শ আগবঢ়ালো। মই আগতেই কৈ আহিছো যে অসম খনৰ যি পৰিমাণে ৰাষ্টা হব লাগিছিল সেই মতে হোৱা নাই। উজনি অসমত বহুতো চাহ বাগিচা খোলাৰ কাৰণে বৃটিছ চৰকাৰে তেওঁলোকৰ স্থবিধাৰ কাৰণে যিখিনি ৰাষ্টা কৰি লৈছল সেইখিনি নোহোৱা হলে ৰাষ্টা-ঘাটৰ ক্ষেত্ৰত অসম খন আৰু পিচপৰি থাকিলেহেতেন। দৰং, গোৱালপাৰা, আৰু কামৰূপ জিলাৰ অন্তৰ্গত ভিতৰুৱা অঞ্চল বিলাকত য'ত এই চাহ শিল্প নাছিল সেই বিলাকত একেবাৰে ৰাষ্টা নহল। কিন্তু শিৱসাগৰ লক্ষীমপুৰ আৰু দৰং জিলাত চাহ শিল্প অধিক হোৱাৰ ফলত তেওঁলোকৰ স্থবিধাৰ কাৰণে এই জিলাকেইখনত ভালেখিনি ৰাষ্টা কৰি লৈছিল। আৰু তাৰ দ্বাৰাই যাতায়তৰ ক্ষেত্ৰত বহুখিনি সমস্যা সমাধান আগতে হৈছিল যদিও বৰ্ত্তমান সময়ত যান-বাহনৰ চলাচলৰ সেই বিলাক অন্থপযোগী হৈ উঠিছে। বৃটিছৰ দিনত সেইবিলাকৰ নিৰ্মাণ প্ৰণালীৰ যি ষ্টেণ্ডাৰ্ড আছিল আৰু যিবিলাক স্পেচিফিকেচন আছিল সেই ষ্টেণ্ডাৰ্ড আৰু স্পেচিফিকেচন মতে ৰাষ্টা-ঘাট, দলং আদি বনোৱা হৈছিল কিন্তু আজি-কালি যানবাহনৰ বৃদ্ধি হোৱাৰ ফলত সেই বিলাক অন্থপযোগী হৈ পৰিছে আৰু আৱশ্যকীয় স্পেচিফিকেচন লৈ এই বিলাকৰ উন্নতি কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি যিবিলাক ৰাষ্টা বা দলং নিৰ্মাণ কৰিছে সেইবিলাক অতি নিম্ন খাপৰ যেন অন্থমান হয়। কিয়নো এই দলং বা ৰাষ্টা সম্পূৰ্ণ হোৱাৰ আগতেই বা সম্পূৰ্ণ হোৱাৰ এবছৰ পিচতেই ভাঙি যোৱাৰ উদাহৰণ আছে। এই কথা আমি বহুত বাৰ এই সদনত উল্লেখ কৰি আহিছো। বিত্তীয় ফালৰ পৰা আমাৰ ৰাজ্যখন পিচপৰা আৰু ইয়াৰ অধিবাসী সকলৰ বেছি ভাগৰে আৰ্থিক অৱস্থা সন্তোষজনক নহয়। গতিকে ৰাজ্যখনৰ বৃহৎ স্বাৰ্থৰ কাৰণে আৰু আৰ্থিক ডুৰ্দশাগ্ৰস্ত ৰাইজৰ কল্যাণৰ কাৰণে আমাৰ চৰকাৰে অধিক অৰ্থসাহায্য পাবলৈ কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। কাৰণ ৰাষ্টা-ঘাটৰ ওপৰতেই এখন ৰাজ্যৰ কিমান উন্নতিশীল সেইটো জানিব পাৰি। আমাৰ ৰাজ্যৰ ভিতৰুৱা অঞ্চল বিলাকত ১০-১৫ বছৰ আগতেই বসবাস কৰিছিল তেওঁলোকৰ আৰ্থিক বিকাশৰ কাৰণে, যাতায়াতৰ স্থবিধাৰ কাৰণে এতিয়াও এই বিলাক অঞ্চলত ৰাষ্টা-ঘাট নাই। যিবিলাক পিটনি বা জানজুৰিয়ে সেই মান্থহ বিলাকক অহাযোৱাত বিচ্ছিন্ন কৰি ৰাখিছিল সেই বিলাক ঠাইলৈ এতিয়াও গড়কাপ্তানী বিভাগৰ ৰাষ্টা যোৱা নাই। গতিকে এইটো

পৰিলক্ষিত হৈছে যে এই বিভাগৰ কৰিবলগীয়া কাম এতিয়াও বহুত বাকী আছে। ইয়াৰ উপৰিও সেই বিলাকলৈ যাবলৈ যিবিলাক নৈ বা জান-জুৰি আছে সেই বিলাক অতিক্ৰম কৰি যাবলৈ নাওঁৰ বাহিৰে কোনো উপায় নাই। এনে অৱস্থাত মই ভাৱো এই বিভাগটোৱে ৰাষ্টা, ঘাট, আদি কৰাত অধিক গুৰুত্ব দিব লাগে।

আজি আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰাস্তা দিবলৈ হলে আমাক যিমান টকাৰ প্ৰয়োজন সেই হিচাবে কম হৈছে আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যি ধৰণে দাবী উঠাব লাগে সেই ধৰণে উঠাব পৰা নাই বুলি মই অনুভৱ কৰিছোঁ। যোৱা ৪ বছৰে এই বিধান সভাত দেখা মতে, যোৱা বছৰ মিনিমাম নীদচ আৰু এই বছৰ মিনিমাম নীদচৰ বাহিৰে গড়কাপ্তানী আৰু দলং ইত্যাদিত খৰচ কৰিবলৈ টকা পোৱা নাই। আমাৰ ৰাইজে বেচি নিবিচাৰে কেইখনমান স্কুল ঘৰ সাজিব লাগে, দলং বিচাৰে আৰু ৰাস্তা বিচাৰে, আমাৰ ৰাজ্যখনত আজি ৰাস্তাৰ দাবীটো ইমান প্ৰকট হৈ পৰিছে যে বছৰৰ পিছত বছৰ ৰাইজক আশ্বাস দিয়াৰ বাহিৰে কোনো উপায় নোহোৱা হৈছে। এতিয়া এম,এল,এ একোজনৰ নামত ৫ কিলোমিটাৰ কৈ ৰাস্তা হলেও কিছু কাম হয় কিন্তু আমাৰ জনসাধাৰণৰ ৰাস্তা-ঘাটৰ ক্ষেত্ৰত যিটো দুৰ্য্যোগ হৈছে সেইটো সম্পূৰ্ণ কৰিবলৈ বহু বছৰ লাগিব। আগতে মিনিমাম নীদচৰ প্ৰোগ্ৰেমত টকা পোৱাৰ ব্যৱস্থা আছিল কিন্তু সেইটো আমি এতিয়া পোৱা নাই, গতিকে সেই টকাতো পোৱাৰ কাৰণে দাবী জনাই যি কোনো উপায়ে হলেও এই ৰাস্তাবিলাকৰ কিবা এটা ব্যৱস্থা কৰক। আমাৰ এতিয়াও বহুবিলাক দুৰ্গম অঞ্চল আছে যত অহা-যোৱা কৰিবলৈ অত্যন্ত অসুবিধা বহু সময়ত বোকা-পানী গচকি যাবলগীয়া হয় আৰু আমাৰ ৰাজ্যৰ যিটো টপ'গ্ৰাফী সেইটো আন ৰাজ্যৰ তুলনাত বেলেগ, বৰষুণ দিলে সেই ঠাইলৈ অহা-যোৱা কৰাতো সম্ভৱ নহয়। সেইকাৰণে অসমৰ ক্ষেত্ৰত অন্তত: অলপ গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগে। এই বিষয়ত আমাৰ বহু কেইজন অভিজ্ঞতা সম্পন্ন লোক আছে কিন্তু তেখেতসকলৰ অভিজ্ঞতা থকা স্বত্বেও আমাৰ ৰাস্তা-ঘাট বিলাক যি ধৰণে নিৰ্মাণ হব লাগিছিল সেই ধৰণে নোহোৱা কথাটো অতি পৰিতাপৰ বিষয়। তাৰোপৰি আমাৰ এই ৰাস্তা-ঘাট নিৰ্মানৰ ক্ষেত্ৰত যিবিলাক দুৰ্নীতি চলি আছে বুলি কৈছে সেইবিলাকৰ বিষয়ে তদাৰক কৰিব লাগে। আৰু ইতিমধ্যে আমাৰ যিবিলাক গোচৰ এই সংক্ৰান্তত পৰি আছে সেইবিলাক নিৰ্মূল কৰিবৰ কাৰণে অতি সোনকালে ব্যৱস্থা কৰিব লাগে। মই আৰু অধিক কথা আলোচনা কৰিবলৈ যোৱা নাই মাত্ৰ এটা কথা কব বিচাৰিছোঁ যে আজি যিবিলাক মঞ্জুৰী আহে সেইবিলাকৰ যাতে সৎব্যৱহাৰ হয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু পাৰিলে এনেবিলাক কামৰ কাৰণে যাতে আৰু অধিক মঞ্জুৰী আনিব পাৰি তালে চাব লাগে আৰু দলং আৰু ৰাস্তা-ঘাটৰ কাৰণে আৱশ্যকীয় পুঁজী কেন্দ্ৰীয় চৰকাৰৰ

পৰা অনাত জোৰ দিব লাগে। এই খিনিকে জনাই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান কথা কবলৈ আগবাঢ়িছোঁ। অধ্যক্ষ মহোদয়, আজি আমাৰ যিটো প্লেন লোৱা হৈছে আৰু এই প্লেন মতে কিমান দূৰ কাম হৈছে সেইটো যদি বিতংভাবে চোৱা হয় তেতিয়াহলে দেখা যায়, প্ৰথমতেই আমাৰ চকুত পৰে আমাৰ ৰাজ্যখনৰ ৰাস্তা-ঘাট বিলাকৰ অৱস্থা। আজি যদি চোৱা হয় আমাৰ যিবিলাক নেশ্যনেল হাইওৱে আছে সেই নেশ্যনেল হাইওৱেৰ ৰাস্তা-ঘাট বিলাকৰ অৱস্থা অইন ৰাজ্যৰ তুলনাত অতিকৈ দুখলগা। তাৰোপৰি এই ৰাস্তা-ঘাটৰ কাৰণে যিটো এমাউন্ট চেংশ্যন কৰা হয় সেইটো ভাল ধৰণে খৰচ কৰা নহয়। বহু ক্ষেত্ৰত এনেবিলাক কামৰ কাৰণে যি মঞ্জুৰী দিয়া হৈছে সেইবিলাক ভালমতে খৰচ হোৱা নাই, নানাভাবে তাত দুৰ্নীতি চলে, গতিকে সেইবিলাক কাৰ্য্য চাবৰ কাৰণে এটা ভিজিলেন্সৰ প্ৰয়োজন হৈ পৰিছে। আমাৰ গাৱৰ মানুহবিলাকে এই ৰাস্তা-ঘাট বিলাক নিৰ্মাণ কৰাৰ সময়ত, ঠিকাদাৰ, ইঞ্জিনিয়াৰ বিলাকে কি ভাবে দুৰ্নীতি কৰে সেই বিষয়ে তেওঁলোকে একো গম নাপায় আৰু গাৱত তেনেবোৰ কামত পহৰা দিয়াৰো উপায় নাই। অৱশ্যে স্কুল ইত্যাদিত কিভাবে টকা-পইচা খৰচ কৰা হৈছে সেই বিষয়ে ভালদৰে চালে আমি কিবা এটা গম পাও। কিন্তু গাৱত ৰাস্তা-ঘাট কৰি কত কি কেনেদৰে দুৰ্নীতি কৰে সেইটো জনাৰ কোনো উপায় নাই। আনকি আমিও ধৰিব নোৱাৰো। বহু সময়ত দেখা যায় ৰাস্তা-ঘাট বিলাকৰ কাৰণে ট্ৰাকত শিল ইত্যাদি লৈ আনে আৰু তাক গ্ৰেভেল ইত্যাদিত লগায় কিন্তু কিছুদিন পাছত সেই শিলবোৰ পুনৰ ঘাঁতবাই আনে, এইবিলাক কিয় কৰা হয় কোনেও নাজানে। গতিকে এই বিলাক বিষয় ভালদৰে চাবলৈ ভিজিলেন্সৰ প্ৰয়োজন হৈছে।

অধ্যক্ষ মহোদয়, তেনেকুৱাকৈ ধুবুৰী কচুগাওঁ যিটো ৰাস্তা আছে তালৈ বিভাগীয় কৰ্মচাৰী গৈছে, মন্ত্ৰী মহোদয় সকলো নোযোৱা নহয়। চীফ মিনিষ্টাৰৰ পৰা আন আন মিনিষ্টাৰ সকলো গৈছে সেই ঠাইলৈ। বাচ ট্ৰাক আদি চলে সেই ৰাস্তাত। এইটো কিন্তু ডেভেলাপ কৰা নহল। আকৌ ধুবুৰী গৌৰীপুৰ ৰাস্তাটো ওৱান ওৱে ৰাস্তা সেইটো যোৱা বছৰতেই টকা মঞ্জুৰ হৈছিল যদিও এই বছৰলৈকে একো হোৱা নাই। কিয় হোৱা নাই নাজানো। এইটো আপগ্ৰেড কৰা হব বুলি শুনিছিলো কিন্তু পাকা হব বুলিও শুনিছিলো যদিও আজিলৈকে একো হোৱা নাই। মঞ্জুৰীও কিমান পাইছে নাজানো। বিতং খবৰ আমি নাপাওঁ। যিসকল উচ্চতম কৰ্মচাৰী এই বিভাগৰ দায়িত্বত আছে তেওঁলোকে এইবিলাক কথালৈ নজৰ ৰাখিব লাগে। ভালকৈ যাতে পইচাখিনি খৰচ হয় তাৰ কাৰণে লক্ষ্য ৰাখিব লাগে। ১৯৭৪-৭৫ চনত ধুবুৰী মহকুমাৰ কাৰণে

যিবিলাক টকা দিয়া হৈছিল তাৰ ভাল খৰচ হোৱা নাই কাৰণে বিভাগীয় তদন্ত হৈছে আৰু তাৰ কাৰণে সেই ঠাইত থকা কিছুমান কৰ্মচাৰী কঁপিছে আৰু আমাক তালৈ গলে সোধে যে কি হব নহব সেই বিষয়ে জানিবলৈ ইচ্ছা কৰে। আমি কৈছো যে উচ্চতম পৰ্য্যায়ত ভাল মানুহ আছে যদি কোনোবাই দোষ কৰিছে তেন্তে নিশ্চয় অসুবিধা হব। চৰকাৰেও এই বিলাক বিষয়ত ভালকৈ নজৰ দিছে। গতিকে আমি সেই বুলিয়েই কৈছো। আৰু সেইটো হোৱাও উচিত। দোষীয়ে সাজা পাব লাগে।

অধ্যক্ষ মহোদয়, অসমত শিল পথাৰৰ অভাৱ হোৱা নাই। পশ্চিম বঙ্গ বা বিহাৰত শিল পথাৰৰ অভাৱ হব পাৰে কিন্তু আমাৰ অসমত কোনো অভাৱ নাই। কিন্তু ৰাস্তা বিলাক বিলো ষ্টেণ্ডাৰ্ড হৈ আছে। মুখ্যমন্ত্ৰীয়ে অৱশ্যে বৰষুণ বেছিকৈ পৰি থকা কাৰণে ৰাস্তা কোমল হৈ যোৱা কাৰণে সোনকালে নষ্ট হৈ যায় বুলি কৈছে কিন্তু সেইটোৱেই কথা নহয় কিয়নো কেৰেলা আদি ঠাইতো বৰষুণ বেছিকৈ হয় আৰু সেই ঠাইৰ ৰাস্তা ভালে থাকে কিয়। আমাৰ ইয়াৰ জলাবায়ু বা বৰষুণৰ পৰিমাণলৈ চাই কেনে ধৰণে ৰাস্তা বান্ধিলে ভাল হব পাৰে বেছি দিন স্থায়ী হব পাৰে সেইটো টেকনিকেল মানুহ দ্বাৰা চোৱাই সেই মতে ৰাস্তা বন্ধাৰ কাম কৰিব লাগে। কিয়নো হেভি ট্ৰাক আদি প্ৰায় চলাচল কৰা ৰাস্তাবিলাক মজবুট হব লাগে। তাৰ বাহিৰে আন কেইটামান দৰকাৰী কথা কব খুজিছো আশা কৰো মন্ত্ৰী মহোদয়ে নজৰ কৰিব। এখন দলং ভোগদঙ্গা নদীৰ কাৰণে ভোগদঙ্গা গাওঁৰ মাজেৰে যোৱা ৰাস্তাৰ কাৰণে তৈয়াৰ কৰাৰ কাৰণে পয়ত্ৰিশ নে আঠত্ৰিশ হাজাৰ টকা মঞ্জুৰ হৈছিল কিন্তু এতিয়াও দলংখন হোৱা নাই। আকৌ কে-ডি ৰোডত গোলোকগঞ্জৰ পশ্চিমফালে বেৰভাঙিলৈ যিটো ৰাস্তা সেই ৰাস্তাটো দলং হোৱা নাই। ভোগদঙ্গা ৰাস্তাটো পাকিস্তানৰ আক্ৰমণৰ সময়ত বন্ধা হৈছিল সেইটো বৰ দৰকাৰী ৰাস্তা কিন্তু 'দলংখন আজিলৈকে হোৱা নাই। মই আশাকৰো মন্ত্ৰী মহোদয়ে এই কথাটো চালি জাৰি চাই এই বিষয়ে তদন্ত কৰি দলংখন সোনকালে নিৰ্মাণ কৰাৰ কাৰণে উপযুক্ত ব্যৱস্থা হাতত লব।

তাৰ পিচত অধ্যক্ষ মহোদয়, ধুবুৰী মহকুমাত এফ-ডি-আৰৰ শতকৰা নব্বৈ ভাগ কাম হোৱা নাই। ১৯৭৪-৭৫ চনত দিয়া এফ-ডি-আৰৰ টকা প্ৰায় কাম হোৱা নাই। মেটেলিং ৰোড আজিও হোৱা নাই। এই সম্পৰ্কত কড়া-কড়ি নজৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত ভিজিলেন্স বেছি হব লাগে। উচ্চতৰ বিষয়াসকল সেই বিলাক ঠাইলৈ গলে যাতে কেৱল চাৰ্কিট হাউচৰ পৰা ঘূৰি নাহি ধূলাৰ কাৰণে সেই ভিতৰুৱা ঠাই বিলাকলৈ নোযোৱাকৈ নথাকি যদি ঘূৰি ফুৰি চাই আহে তেতিয়াহলে সেই বিলাক দোষ আঁতৰিব আৰু কাম ভালকৈ হব আৰু পৰ্য্যবেক্ষণ কৰাৰ ভয়তে সেই বিলাক কাম ঠিকমতে কৰিব। ৰাইজৰ কাৰণে যদি চিন্তা কৰে

যদি ৰাইজৰ কাম হওক বুলি ভাৱে তেন্তে ধূলিৰ কাৰণে চিন্তা নকৰি সেই বিলাক ঠাইলৈ যাব লাগে। অৱশ্যে সেই দলংখনৰ এপ্রোচ ৰাষ্টাখিনি অতি সোনকলে ব্লেক টেপিং কৰিব লাগে। কিয়নো মাত্র সাত কিলোমিটাৰ ৰাষ্টা আৰু সেই ৰাষ্টাৰে গাড়ী মটৰ আদি অনবৰত চলি থাকে ট্রাক আদি খুব বেছিকৈ চলে সেই কাৰণে ধূলি বেছি হয়। প্রায় তিনিশ চাৰিশ ট্রাক চলাৰ কাৰণে ধূলি বেছি হৈছে। ধূলিয়ে গা ধুৱাই দিয়ে। মন্ত্রী সকল বা কর্মচাৰী যদি তালৈ যায় তেনেহলে পৰিষ্কাৰ হৈ গলেও ঘূৰি আহোঁতে চিনিবই পৰা নাযাব মন্ত্রী নে অফিচাৰ। গতিকে অলপমান কষ্ট কৰি হলেও তালৈ গৈ চাই আহি ৰাষ্টাখিনি ঠিক কৰি দিব লাগে। ট্রাক বাচৰ উপৰিও চাইকেল, খোজকঢ়া পথযাত্রী সকল আছেই। এইটো কৰিলে পি-ডব্লিউ-ডি মিনিষ্টাৰৰ সেই অঞ্চলৰ প্রতি মৰম থকা বুলিয়েই কম।

অধ্যক্ষ মহোদয়, তাৰ পিচত মেজৰ ৰোডৰ কথা কওঁ যে আমাৰ গৌৰীপুৰ সমষ্টিত বেলতলা ৰাস্তাৰ দলংখন আজি ভালে কেইবছৰৰ পৰা হোৱা নাই। গৌৰীপুৰ ঘাটৰ পৰা নাওঁত পাৰ হোৱাৰ ব্যৱস্থা আছে যদিও বছৰি ভালেকেইটা মানুহ মৰিছে। গতিকে সেই দলংখন সম্পূর্ণ কৰিলে নিশ্চয় ৰাইজৰ উপকাৰ হব। সেই কেন্দ্রীয় ঠাইত দলং এখন ইমান দিনে নোহোৱাতো সঁচাকৈ দুখ লগা কথা। পাগলাঘাট, মাতিচাৰ ঘাটত হৈছে যদিও সেই কেন্দ্রীয় ঠাইতো এখন দলং লাগে। তাৰ কাৰণে হয়তো মাত্র দুই তিনি লাখ টকা লাগিব। বিভাগৰ টকা দুই তিনি লাখ একো নহয়। দলংখন হলে কলেজীয়া ছাত্র-ছাত্রী আৰু ল'ৰা-ছোৱালীৰ কাৰণে নিশ্চয় বহু উপকাৰত আহিব। সেইটো আমাৰ আইন মন্ত্রী মহোদয়ৰ সমষ্টিৰ। গতিকে আশা- কৰো মন্ত্রী মহোদয়ে নিজে মনত কৰি এই দলংখনৰ কামটো কৰাৰ কাৰণে চকু দিব। ৰাইজে আপত্তি কৰিছে কাৰণেই মই এই কথাটো ইয়াত কৈছো।

চৈয়দ আহমেদ আলী (মন্ত্রী) : আপোনাক ধন্যবাদ জনাইছো।

শ্রীকবীৰ চন্দ্র ৰায় প্রধানী : ইয়াৰ উপৰিও প্রতাপগঞ্জৰ খেৰবাৰী ৰোডত এখন দলঙৰ অতি আৱশ্যক হৈ আছে। আগমণীৰ পৰা মাত্র কেইমাইলমান ৰাস্তা সেই- খিনিও সম্পূর্ণ কৰিলে নিশ্চয় ৰাইজ উপকৃত হব।

এইটো মোৰ সমষ্টিৰে কথা। এই ব্রিজখন নহলে এই অঞ্চলত থকা লৰা-ছোৱালী বিলাকক পশ্চিমবঙ্গলৈ ঠেলি দিয়াৰ নিচিনা হব। কাৰণ তাত এখন এল পি স্কুলও নাই। সেই কাৰণে তাৰ লৰা-ছোৱালী বিলাক পঢ়িবলৈ পশ্চিমবঙ্গলৈ যাব লাগে। কাৰণ সীমাটো পাৰতেই এই ঠাই খন। তালৈ গলে মোক কয় যে, আপোনালোকে আমাক পশ্চিমবঙ্গলৈ ঠেলি দিছে। মই কওঁ যে মন্ত্রীয়ে কৈছে এতিয়া

টকা নাই, পাচত নিশ্চয় হব। গতিকে এনে ধৰণৰ মানুহৰ অন্তৰত লগা নিবেদন বিলাক চৰকাৰৰ হাতত লবলৈ মই জনালো।

তাৰ পাচত চৰকাৰী পলিচি মতে "Improvement of low Standard roads" চতুৰ্থ পৰিকল্পনাত লোৱা অকল মোৰ সমষ্টিতে নহয় গোটেই অসমতে মিচিং ৰোড বহুত আছে। আজিলৈকে ভায়াপুৰৰ বজাৰলৈ যোৱা ১ কিলোমিটাৰ ৰাস্তাও সম্পূৰ্ণ নহয়। কিন্তু টকা শেষ হৈ গল। আগৰ বছৰ ৭৫ হাজাৰ টকা দিছে গুনিয়াৰ ঘাটৰ পৰা ৰাষ্টা কৰিবলৈ কিন্তু সেইটোও সম্পূৰ্ণ হোৱা নাই। এনেকৈ এক দুই মাইলৰ কাৰণে বহুতো মিচিং ৰোড আছে। অৱশ্যে কেৱল মোৰ সমষ্টিৰে কথা কোৱা নাই, গোটেই অসমতে এনে ধৰণৰ ৰাস্তা আছে গতিকে এই বিলাক ৰাস্তা সকলোবোৰ ভাল কৰিব বুলি আশা ৰাখিছো। আৰু যিবিলাক চহৰৰ ৰাস্তা আছে, কিছুমান ৰাস্তা খুব বেয়া। গতিকে সেইবিলাক ডেভেলাপমেণ্টে ভাল কৰিব লাগে। যি কোনো মানুহেই স্বীকাৰ কৰিব লাগিব যে গুৱাহাটীৰ ৰাস্তাৰ বৰ দুৰ্অৱস্থা। মন্ত্ৰী মহোদয়ে যদি এদিন খোজ কাঢ়ি গৈ চায় তেন্তে গম পাব যে গুৱাহাটীৰ ৰাস্তাত কিমান ৰাচ। মই অৱশ্যে মটৰ চাইকেল ড্ৰাইভ কৰি গৈছিলো, কিন্তু ইমান ৰাচ যে কোন মুহূৰ্ত্তত আহি মানুহ আগত পৰে তাৰ ঠিক নাই। গতিকে এই ৰাস্তাত ফুটপাথ কৰি দিব লাগে। গুৱাহাটীৰ যিটো মেইন ৰোড সেই ৰাস্তাইদি সকলো বাহিৰৰ মানুহ আহে আৰু তেওঁলোকে দেখি নিশ্চয় অনুমান কৰে যে এই চৰকাৰ কিমান কামিলা নাইবা অকামিলা। যদি চৰকাৰে কয় টকা পইচাৰ অভাৱৰ কাৰণে কৰিব পৰা নাই তেন্তে মই কও যে তেওঁ বিলাকেও বেংকৰ পৰা লোন লওক। কৃষকক যদি লোন দিওতে গেৰাণ্টাৰ হব পাৰে তেনেহলে নিজে লোন লোৱাত কি আপত্তি থাকিব পাৰে। কাৰণ চেণ্টেল বেংকৰ পৰা লোন লৈ এতিয়াও ২০ লাখ টকাৰ সুদেই দি আছে। তাৰ ওপৰি মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছো। বোম্বেত যি দৰে এখন গাড়ী চহৰত প্ৰবেশ কৰিলে টেক্স দিব লাগে। ঠিক সেই দৰে গুৱাহাটী শৰাইঘাটত এটা টোল বহুৱাব পাৰে। সেইফালেৰে যিমান ট্ৰাক বা টেক্সী আহে তাৰ পৰা এটকাকে ললেও ৰাস্তা বন্ধাৰ অৰ্থাৎ গুৱাহাটী দেভেলাপমেণ্টৰ টকাটো উঠি যাব।

তাৰ পাচত মই ৰেলৱেৰ অভাৱ ব্ৰিজৰ কথা কওঁ। আগতে যিটো এচানমেণ্ট কৰা হৈছে মোৰ বোধেৰে সেইটো ভুল হৈছে আৰু সেই কাৰণে এফালে ৰাস্তা এফালে গৈছে, কতো মিল নাই। সেই কাৰণে এতিয়া সেই ভুলৰ শুধৰণি কৰিব লগা হৈছে আৰু ব্ৰিজ বিলাক কৰি দিব লাগে। গুৱাহাটী জুৰোডত আৰু পাঠশালাটো এখন ব্ৰিজ দিব লাগে। অসমৰ ইমানবোৰ ট্ৰাঙ্ক ৰোড আছে কিন্তু ৰেলৱেৰ ক্ৰচিংৰ ওপৰত অভাৱ ব্ৰিজ কৰি দিয়া নাই। সেই কাৰণে মই আশা ৰাখিছো যে এই বিলাক কৰি দিব।

পি, ডাব্লিউডিৰ নামত যি কলঙ্ক আছে সেইবিলাক সম্পূৰ্ণ মোচন কৰি কামত আগবাঢ়ি যাবলৈ বুলি আশা ৰাখিছো। পি, ডাবলিউ, ডিৰ যিবিলাক আই, বি আছে, তাৰ ভিতৰত পৰাকৈ পশ্চিম বঙ্গৰ সীমাতো এটা সাজি দিয়াৰ দৰ্কাৰ হৈছে বুলি মই ভাবো। কাৰণ জহৰজোতি আৰু বিনোৱাভাবে আহোতে বহিবৰ ঠাই পোৱা নাছিল। ১০ মাইল আহিহে বহাৰ ব্যৱস্থা কৰিব পাৰিছে। গতিকে এনেকুৱা এখন ঠাইত এটা আই, বি হোৱাটো অতি প্ৰয়োজন। এই সকলো বিলাক কথালৈ দৃষ্টি আকৰ্ষণ কৰি মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

* শ্ৰীগোবিন্দ বৰা: অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি গড়কাপ্তানি বিভাগৰ সাপেক্ষে দুআষাৰ কথা কব খুজিছো।

অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগে যে দেশৰ সমৃদ্ধি বঢ়োত কিমান সহায় কৰে সেই কথা আমি সকলোৱে জানো। গড়কাপ্তানি বিভাগটোৰ লগত দেশৰ অৰ্থ নৈতিক সমস্যাও যে জড়িত হৈ থাকে সেই কথাও আমি সকলোৱে জানো। এখন ঠাইৰ যদি যাতায়তৰ ব্যৱস্থা ভাল নহয় তেন্তে সেই ঠাইখন স্বাভাৱিকতে পিচ পৰি থাকে। গতিকে, এইটো চৰকাৰৰ মুখ্য উদ্দেশ্য হব লাগে যে যাতায়ত্ ভাল হোৱাৰ কাৰণে যেন চিন্তাশীল ব্যক্তিক নিযুক্তি কৰা হয় আৰু যাতায়তে যেন দেশৰ সমৃদ্ধিহে বঢ়াই, ইযেন অন্তৰায় স্বৰূপ হৈ নুঠে। আন দেশত দেখা যায় যে এই বিভাগটোৰ মানুহে শুদ্ধ চিত্তে কাম কৰে, ফলত পথাৰৰ মাজলৈকে তেওঁলোকে ৰাস্তা ভাল কৰে যাতে পথাৰৰ ওচৰলৈকে গাড়ী মটৰ যাব পাৰে। কিন্তু আমাৰ দেশত দেখা যায় যে সাধাৰণ বানপানী হলেই প্ৰায়বোৰ ৰাস্তা পানীত ডুব যায়। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ হৈছে আমাৰ এই বিভাগটোৰ মানুহে চিনচিয়েলি কাম নকৰে, ফলত ৰাইজে দুৰ্য্যোগ ভুগিব লগা হয়। গতিকে ৰাস্তাবোৰ যাতে সোনকালে উন্নত কৰা হয় তাৰ প্ৰতি মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ ৰাস্তাবোৰ দুটা ভাগত ভাগ কৰা দেখা যায়, এটা হৈছে ডিষ্ট্ৰীক্ট ওৱাইজ আৰু আনটো হৈছে ভিলেজ ওৱাইজ। জিলাবোৰত যিবিলাক ৰাস্তা আছে সেইবোৰৰ অৱস্থা উন্নত। কিন্তু গাওঁবোৰত যিবোৰ ৰাস্তা আছে সেইবোৰ প্ৰায়েই ভগাচিগা। অলপমান বৰষুণ দিলেই মানুহ অহা-যোৱা কৰিব নোৱাৰা অৱস্থা হয়। যি ৰাইজৰ পৰিশ্ৰমেৰে আজি আমাৰ দেশ চলি আছে সেই ৰাইজৰ কাৰণে আজি গাৱৰ ৰাস্তা ভাল কৰা হোৱা নাই। আগতে ৰোড বোৰ্ড আছিল আৰু ময়ো নিজে তাৰ মেম্বাৰ আছিলো। সেই বৰ্ডে এটা কথা সদায় মনত ৰাখি কাম কৰিছিল যে চৰকাৰে দিয়া টকাৰে কিমান ৰাস্তা কৰিব পৰা হয়, কোন কোন সমষ্টিত কিমান বেয়া ৰাস্তা আছে আৰু কিমান টকাৰে কিমান ৰাস্তা কৰিব পৰা হয় সেইটো হিচাব কৰিহে

*Speech not corrected

ৰাস্তা কৰা হৈছিল। কিন্তু আজি ৪-৫ বছৰৰ পৰা কি হৈছে কব নোৱাৰো ৰাস্তা-বোৰ ভাল কৰা নহয়। মোৰ সমষ্টিত এডোখৰ ঠাইলৈ গৈ দেখিছিলো যে এটা ৰাস্তাত শিল পেলোৱাতে থাকিল, আৰু মাটি দি ৰাস্তা পোটা নোহোৱাকৈয়ে শিল পেলোৱা হল। এতিয়া কি হৈছে নাজানো। ইয়াৰ প্ৰধান কাৰণ হৈছে ৰাস্তা পদূলিৰ সংক্ৰান্তত আমি সাধাৰণতে মহৰীৰ ওপৰত, অভাৰ চিয়াৰৰ ওপৰত নিৰ্ভৰ কৰো। ওপৰৱালা কৰ্মচাৰী ৰাস্তাবিলাক পৰিদৰ্শনত খুব কমেই হে যায়। তাকো গৈ তেওঁলোক চাৰকিট হাউচতে থাকি ইঞ্জিনিয়াৰৰ পৰা একোটা ৰিপৰ্ট সংগ্ৰহ কৰি লৈ আহে। এই কথাবোৰ চাবৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

আন এটা কথা মই কব খুজিছো। সেইটো হৈছে আঞ্চলিক বৈষম্যৰ কথা। এই সম্বন্ধে অৱশ্যে শ্ৰীপেগু ডাঙৰীয়াই কবই। লক্ষীমপুৰ জিলাখন ১৯৭১ চনতে হল। জিলা হল হয়, কিন্তু অভাৱ অভিযোগ আজিলৈকে দূৰ নহল। এই খিনিতে মই এটা কথা কওঁ। কমলাবাৰী ৰাস্তাটোৱে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাক লগ লগাইছে আৰু অসম আৰু অৰুণাচলক লগ লগাইছে। ১৯৬২ চনত চীনা আক্ৰমণ হওঁতে এই ৰাস্তাটোৱে অনেক বস্তু সৰবৰাহ কৰিছিল আৰু ৰিফিউজি বোৰ আহি ব্ৰহ্মপুত্ৰৰ পাৰত আশ্ৰয় লৈছিল। এই ৰাষ্টাটো ভাল কৰাৰ কাৰণে মই অনেকবাৰ এই বিধান সভাত কৈ আহিছো আৰু বাইজৰ ফালৰ পৰাও নানা আবেদন নিবেদন কৰি অহা হৈছে। অসম প্ৰভিন্সিয়েল কংগ্ৰেছ কমিটিয়েও এই ৰাষ্টাটো ভাল কৰাৰ কাৰণে প্ৰপোজুৰেল লৈছিল। কিন্তু আজিলৈকে হৈ নুঠিল। আশী হেজাৰ টকা খৰচ কৰি লক্ষীমপুৰত এখন দলং কৰা হল। কিন্তু কেইমাহ মানৰ পিচত দলংখন ভাগি গল। ইয়াৰ পৰাই প্ৰমাণ হয় যে দলংখন ঠিককৈ কৰা নহল। খুটা পোটোতেই কেনা লাগি থাকিল। নহলে কিয় সাজি উলিওৱাৰ পিচতে দলংখন ভাঙি যাব? সেইকাৰণে মই কওঁ যে দলং এখন কৰিবলৈ ওলাওতেই এটা কথা ভালকৈ মন কৰিব লাগে যে দলঙৰ ঘাই খুটাবোৰ যাতে ভালকৈ পোটা হয়।

মই এটা কথা শুনি বৰ ভাল পাইছো যে কমলাবাৰী ৰাস্তাটো ভাল কৰিবৰ কাৰণে আৰু তাৰ ওপৰত দুখন দলং দিয়াৰ কথা ভাবিছে। এখন থাকলিত আৰু এখন তামোলবাৰীত। এইটো এটা বৰ গুৰুত্বপূৰ্ণ ৰাষ্টা কাৰণ যোৰহাটৰ পৰা উত্তৰলক্ষীম-পুৰলৈ এই ৰাষ্টাৰে মাত্ৰ ২৮ মাইল দূৰ হয়। আৰু এই ৰাষ্টাটো সকলো ফালৰ পৰা দৰ্কাৰ বুলি উপলব্ধি কৰা হৈছে আৰু এই ৰাষ্টাৰ কাম যাতে সোনকালে সম্পূৰ্ণ হয় তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো।

আমি দেখিছো কিছুমান স্পেচিফিক কথাত এষ্টিমেট কৰোতেও ভুল হয়। মোৰ

তাতে চিচাপথাৰ বুলি এখন দলং আছে। এই দলংখন সংক্ৰান্তত ৰাইজে কিছু আপত্তি কৰিছিল। দলংখনৰ কথা হ'ল যিটো পুৰণা ৰাষ্টা সেই ৰাষ্টাৰে দলংখন কৰিলে কম পইছাতে হয় আৰু সিফালেদি কৰিলে ৬০-৭০ লাখ টকা খৰছ কৰিলে হয় অৰ্থাত দাবুল খৰছ হয়। কিন্তু আমাৰ অভিযন্তা সকলে এই ফালেদি নকৰি সিফালেদি কৰিলে ফলত নদীখন ইফালেদি গুচি গ'ল আৰু এতিয়া যদি সিফালেদি কৰা হয় তেনেহলে আৰু ৪০-৫০ লাখ টকা নতুনকৈ খৰছ কৰিব লাগিব। গতিকে যিহেতু এটা খৰছ হৈয়ে গৈছে আৰু নতুনকৈ খৰছ নকৰাই ভাল। আমাৰ গড়কাপ্তানি বিভাগে প্ৰাককলন কৰোতে এইবিলাক কথা চাইচিতি কৰিব লাগে।

মোৰ সমষ্টিতে উত্তৰলক্ষীমপুৰ ঢকুৱাখানা ৰাষ্টাৰ ওপৰত এখন দলং আছে। ৰাষ্টাটো বান্ধা বহুতদিন হ'ল কিন্তু দলংখন সম্পূৰ্ণ হোৱা নাই। বহুত হেজাৰ টকা খৰছ কৰি এই ৰাষ্টাটো কৰিছে। এই ৰাষ্টাটোত টাউনৰ পৰা ৪ মাইল দুৰত ধল দলং বুলি এখন দলং আছে। সেই দলংখনৰ মাজত ২০০ ফুট আছে তাৰ ইফালে নাই সিফালেও নাই মাজতে দলংখন ওলমি আছে। মই সিদিনা আমাৰ গড়কাপ্তানি মন্ত্ৰী ইদ্ৰিছ চাহাব তেখেতক মই ভাল পাওঁ তেখেতক নি দেখুৱাইছো তেখেতে অফিচাৰ সকলক ধমকিও দিছে আৰু সোনকালে কৰি দিয়াৰ আশ্বাস দিছে।

তাৰ পিচত আমাৰ গৃহমন্ত্ৰী ডাঙৰীয়াই এদিন মোক এটা কথাত বেয়া পাইছিল। মোৰ সমষ্টিতে এঠাইত ৩২ কিলোমিটাৰ খোজকাঢ়ি আহি ৰাইজে চৰকাৰী ৰাষ্টাৰ ওপৰত গাড়ীত উঠিব লাগে আৰু সেইষাৰ কথা কওতে তেখেতে এতিয়াও আমাৰ দেশ এনেকুৱা হৈ আছে বুলি সুধিছিল। গতিকে এইখিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীআবুল হুছেইন মীৰ: মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ পৰা অনা কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি আৰু গড়কাপ্তানী বিভাগৰ দাবীটো সমৰ্থন কৰি কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমি গোটেই বাজেতখনৰ নিগেটিভ চেন্সত বিচাৰ কৰিলে নহব। কিছুমান কাম নোহোৱা নহয় অৱশ্যে তাৰতম্য থাকিব পাৰে। যোৱা বছৰত এই বিভাগে এম, এন, পিত যিখিনি কামত এক্সপিডাইড কৰিলে সেইখিনি কোনো সদস্যই নিশ্চয় তুই কৰিব নোৱাৰে। মেৰামতিৰ কাৰণে ১ কোটি টকা অতিৰিক্ত কৰায়ত্ব কৰা হৈছে। ইয়াৰ পৰা অনুমান কৰা হয় যে ৰাস্তা কিছু ভাল হব। এই বছৰত ৭৩ খন দলং আৰু ১৭২ কিলোমিটাৰ নতুন ৰাস্তা লব বুলি এই বিভাগে আশা প্ৰকাশ কৰাই আমি ধন্যবাদ জনাইছো।

(উপাধ্যক্ষ আসনত বহে।)

মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ক এইখিনিতে অনুৰোধ কৰিব বিচাৰিছো যে এই বিভাগে যিখিনি টকা পাইছে সেইখিনি যাতে ভাল ৰকমে খৰচ হয় তাৰ বাবে চকু দিয়ে যেন। মেৰামতিৰ কাম কাজ বিলাকৰ প্ৰতি যদি লক্ষ্য কৰো তেনেহলে নিৰাশ হোৱাৰ কথা নাই কিন্তু মেৰামতিৰ ক্ষেত্ৰত এটা কথা ঠিক যে একোটা ৰাস্তাৰ বা দলংৰ কাৰণে তিনিবাৰ পৰ্য্যন্ত মেৰামতিৰ কাৰণে টেণ্ডাৰ কল কৰা হৈছে। এবাৰ মেৰামতি কৰাৰ পিচত আকৌ আঠ দহ হাজাৰ টকা বেলেগে বেলেগে টেণ্ডাৰ কল কৰা কথাটো বৰ ভাল কথা নহয়। মই ভাবো এইটো অনিয়মৰ কথা। আমাৰ নগাওঁ ওৱেষ্ট ডিভিজনত এনে কাম চলি আছে। আনকি একোখন দলঙৰ কাৰণে একে বছৰতে দুবাৰ পৰ্য্যন্ত মেৰামতিৰ কাৰণে টেণ্ডাৰ কল কৰা হৈছে। আনহাতে কিছুমান ৰাস্তাত টকা নাই বুলি টকা দিয়া নাই। কিছুমান ৰাস্তাত মই দেখিছো ঠিকাদাৰ বিলাকক মেৰামতিৰ কাৰণে কাম দিয়ে— পইচা লৈ যায় কিন্তু কাম সম্পূৰ্ণ নহয়।

এই বিলাক টকাৰ অপচয় যদি বন্ধ নকৰিলে, তেনেহলে আমাৰ পি ডব্লিউ ডিৰ মিনিষ্টাৰ যিমানেই ভাল নহওক লাগিলে কাম সম্পূৰ্ণ নহয়। ইয়াৰ উপৰিও ৰিপেয়াৰিংৰ ওপৰত চকু দিব লাগিব। যোৱা বছৰ ধিং অঞ্চলৰ এটা ৰাস্তাৰ কাৰণে বাজেটত টকা দিছিল। আৰু সেই ৰাস্তাটোত টেণ্ডাৰ কল কৰা হৈছিল কিন্তু পিচত দেখা গল সেই টকা ২·৬০ লাখ বেলেগ বিলাক জিলাৰ বেলেগ ৰাস্তাৰ কাৰণে দিলে। আনহাতে এই ৰাস্তাটো আন্তঃ জিলাৰ ঢেকিয়াজুলী ৰোড। এই তিনি কিলোমিটাৰ ৰাস্তা পি, ডব্লিউ ডি বিভাগে চকু নিদিয়াত বেয়া হৈয়ে থাকিল। গতিকে এনে ধৰণৰ জোৱা টাপলি মৰা কথা মই ভাল নাপাওঁ। আৰু এইটো দেখাতো শিশুসুলভ কথাৰ নিচিনা হৈছে। আৰু বাজেটৰ ওপৰত আমাৰ কোনো আস্থা নাথাকে। গতিকে বাজেটৰ ৰিজিডিটি ৰক্ষা কৰাটো উচিত। আৰু এটা ৰাস্তাৰ কাৰণে ১৯৬৭ চনৰ বাতচুগুৰি অকড়াবৰি ৪ৰ্থ পঞ্চবাৰ্ষিক ৰাস্তাৰ বাবে ৫০ হাজাৰ টকা খৰচ কৰা হল। কিন্তু মাটি অধিগ্ৰহনৰ কথালৈ কিছু গোলমাল হোৱাত সেই ৰাস্তাটো এতিয়াও সম্পূৰ্ণ হোৱা নাই। আৰু তাৰ পিচত ৰাইজে চেমি টাউনখনৰ মাজেদি এটা ৰাস্তা উলিয়াবৰ কাৰণে মাটি দান কৰিছে। কিন্তু গড়কপ্তানী বিভাগৰ মানুহে আজিও ৰাস্তাৰটো সম্পূৰ্ণ কৰি নিদিলে। ইয়াৰ উপৰি মই গড়কাপ্তানী বিভাগৰ বিষয়েকৰ খোজো যে এই বিভাগটো এতিয়া দুভাগত ভাগ হৈছে। এটা চেনেলৰ দুটা ভাগ হৈছে। এটা গৃহ আৰু আনটো পথ। প্ৰত্যেকৰ বিভাগৰ কামো বেলেগ বেলেগ। এই খিনিতে মই এটা কথা কব খোজো আমাৰ ধিং থানাত যোৱা ৪ বছৰ ধৰি এটা বিল্ডিং আৰম্ভ কৰা হৈছে। কিন্তু আজিলৈকে কামটো শেষ হোৱা নাই। এতিয়া আমি ভাৱি নাপাও ইয়াৰ বাবে দায়ী পুলিচ বিভাগ নে পি, ডব্লিউ, ডি। গতিকে এই বিলাক কাম সোনকালে শেষ হোৱাই ভাল। মহোদয়, মই বাজেটত আৰু এটা

নতুন কথা দেখিবলৈ পাই আচৰিত হৈছো। মেডিকেল কলেজৰ চতুৰ্থ শ্ৰেণীৰ কাৰণে ৩ লাখ ৭৫ হাজাৰ টকা খৰচ কৰি অস্থায়ী ভাৱে কিছুমান থকা ঘৰ আৰু ৭লাখ টকা খৰচ কৰি ৬০ টা আৰ চি চি ঘৰ বনোৱাৰ দিহা কৰিছে। এই দুই খিনি টকা যোগ কৰিলে প্ৰায় ১১ লাখ টকা হয়। ইমান খিনি টকা খৰচ কৰি অস্থায়ী ভাৱে ঘৰ সজাটো মই একো যুক্তি যুক্ত বুলি নাভাবো। ইয়াতে আৰু টকা যোগ কৰি স্থায়ী ভাৱে ১০০ টা ঘৰ নিৰ্মাণ কৰাটোহে ভাল কথা। এই গড়কাপ্তানী বিভাগে কাম কাজ কৰক বা নকৰক মাৰ্চ মাহত ৰানিং বিল আৰু এডভান্স বিলৰ টকা পাবই। গতিকে এই কথাটো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰিও ৰাস্তাৰ ক্ষেত্ৰত ৰিজিয়নেল ডিচপেৰিটি নথকাই ভাল। কাৰণ আমাৰ কিছুমান অনুন্নত অঞ্চল আছে যিবিলাকৰ লগত ৰাস্তা ঘাট নোহোৱাৰ বাবে যোগাযোগৰ অসুবিধা। এনে কিছু ঠান বিধ্বস্ত অঞ্চল আছে যত আগতে নাও চলিছিল কিন্তু এতিয়া মঠাউৰি দিয়া কাৰণে নাও চলাচল নকৰে ফলত কৃষিজাত উৎপন্ন দ্ৰব্য ও মৰাপাট-ধান আদি মাৰ্কেটিং কৰাত ৰাইজৰ অসুবিধা হয়। এইবাৰ ধান সংগ্ৰহৰ ক্ষেত্ৰতো দেখা গল যাতায়তৰ সুবিধাৰ কাৰণে কোনো ঠাইত ১৬ কোনো ঠাইত ২০ আৰু কোনো ঠাইত ২৮ টকা দামতো ধান বিক্ৰী হৈছে। গতিকে এই ঠাই বিলাকত যাতায়ত কাৰণে সুবিধা নথকাতো দুখৰ কথা। মোৰ সমষ্টি ৰূপহী অঞ্চলটো আজি এনে অৱস্থা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে ৰাস্তা ঘাট আদি বিষয় বোৰলৈ গুৰুত্ব দি চকু দিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি গড়কাপ্তানী বিভাগৰ কামৰ বিষয়ত অলপ আলোচনা কৰিব খুজিছোঁ। গড়কাপ্তানী বিভাগটোৱে প্ৰায় শতকৰা ৫০ ভাগ টকা অপচয় কৰা বিভাগ বুলিয়েই আগৰ সময় চোৱাত সমালোচনা কৰা হৈছিল। ভাবিছিলো সেই সমালোচনা বিলাকৰ যোগেদি এই বিভাগটোৰ সংস্কাৰ হব আৰু শতকৰা ৫০ ভাগৰ পৰা উধাই গৈ শতকৰা ১০০ ভাগ নহলেও আচনি বিলাকৰ মতে অন্ততঃ কিছুমান হব। কিন্তু উপাধ্যক্ষ মহোদয়, এই বিভাগটোৱে আচনি বিলাক কৰোতে বহুতো সময়ত দুৰ্নীতিৰ ৰাস্তা বিলাকহে ৰাখে। ইয়াৰ আগতে এনেকুৱা এটা আলোচনাতে কোৱা হৈছিল যে, "বাঘ চাব নেলাগে বোন্দাকে চাব" আৰু গড়কাপ্তানী বিভাগৰ কাম চাবলৈ হলে ৰাজধানীতে চাব।" সেই আষাৰ কথা কোৱা হৈছিল। ৰাজধানীত ঘৰ-দুৱাৰ বন্ধা, মাটি পোতা, খাল খন্দা, শিল-বালিৰ কথা উন্নুকিয়াইছিলো। ইটাও আনিছিল। চৰকাৰৰ নিজা ৰিপটতে দেখিছো যে, মাটি ভৰ্ত্তি কৰোতে প্ৰথমে যি সকল ঠিকাদাৰৰ পৰা টেণ্ডাৰ কল কৰা হৈছিল তেখেত সকলক আকৌ 'কেন্সেল' কৰি আগৰ ৰেটতকৈ দেৰ গুণ বঢ়াই অৰ্থাৎ ৰিপৰ্টত দেখা মতেই ৪·৭৫ টকাৰ ঠাইত ৬·৮০ টকাৰ ৰেটলৈ বঢ়াই দিয়াৰ ফলত এই নতুন

ৰেটত আনুমানিক দুই লাখ টকা খৰছ কৰা হল। অকল মাটি ভৰ্ত্তি কৰোতেই। গতিকে এই আচনি কৰোতে যে সুৰুঙা ৰাখি থৈছে সেইটোৰেই প্ৰতীয়মান হৈছে। প্ৰথমতে প্ৰথম শ্ৰেণীৰ ঠিকাদাৰক দিয়াৰ কথা আছিল। তাৰ পিছত নতুন ঠিকাদাৰ সৃষ্টি কৰাৰ কাৰণে নতুন ৰেটত দিবলগীয়া হল। ৰাজনৈতিক কাৰণত গড়কাপ্তানী বিভাগক কাম কৰিবৰ কাৰণে কিয় দিয়া হল? ইয়াত নিশ্চয় ৰাজনৈতিক বেহা সোমোৱাই দিয়া হল। ৰাজনীতি কৰা সকলক আৰু বিষয়ববীয়া সকলক সাঙুৰি দূৰ্নীতিৰ কৱাল গ্ৰাসত সোমোৱাই দিয়া হয়। দূৰ্নীতিৰ পৰা এই বিভাগটোক মুক্ত কৰাৰ বা পৰিত্ৰাণ কৰা একেবাৰেই টান হৈ পৰিছে। অকল সেয়ে নহয়। ৰাজধানী নিৰ্মাণৰ ক্ষেত্ৰত যিবিলাক ইটা-বালি, শিল, কাঠ আদি ব্যৱহাৰ কৰা হৈছিল সেইবিলাক প্ৰথম শ্ৰেণীৰ নহয়। যিটো 'প্ৰপৰশ্বনত' কাম কৰিব লাগিছিল সেইটো কৰা হোৱা নাই। বালি বিলাক যেনেকৈ ছালি—জাৰি দিব লাগে সেইদৰে ছালি-জাৰি দিয়া হোৱা নাই। সেই সময়ত চিমেণ্ট মহাৰ্ঘৰ দোহাই দি গোটেই অসমৰ পৰা চিমেণ্টৰ 'কোটা' কাটি আনি যাৰ কাৰণে আমাৰ মানুহে সেই অভাৱৰ কথা মুৰ পাতিলোৱাৰ সময়ত ৰাজধানীত আটাইতকৈ ওখ থাপৰ বিষয়ববীয়া ইঞ্জিনীয়াৰ সকল থাকোতেও আটাইতকৈ শিক্ষিত নিবনুৱা. ইঞ্জিনীয়াৰ নিবনুৱাৰ নামত অশিক্ষিত-অকৰ্ম্মণ্য কাম কৰিবলৈ দিয়া হল? ভৱিষ্যতৰ বংশধৰ সকলক দূৰ্নীতিৰ মাজলৈ কিয় থেলি দিছে? এই ৰাজনীতিৰ আতিগুৰি চাবলগীয়া হৈছে। ৰাজনীতি সদায় ৰাজনীতি হৈয়েই থাকক। কিন্তু টকা আৰু আচনি অনুপাতে কাম কৰিব লাগিব। কিন্তু ইয়াৰ বুৰঞ্জী শেষ নহব। আমি আতৰি যোৱাৰ পিছতো মৰি হাড়ত বন গজিলেও ইতিহাস ইতিহাস হিচাবেই থাকিব কিন্তু গড়কাপ্তানী বিভাগৰ ইতিহাসৰ এই কলংকিত অধ্যায়ৰ পৰা মুক্ত কৰিব নোৱাৰিব। বশিষ্ঠ ৰাস্তা কৰাৰ ক্ষেত্ৰটো আমি দেখিছো যে, কিমান টকা তাত কি হল তাৰ কোনো উৱাদিহ নাই। কাম কৰিবলৈ যিমান টকা, লয় সিমান টকাৰ কাম নহয়। সেইদিনা পৰিপূৰক বাজেটৰ ওপৰত আলোচনা কৰোতে মই কৈছিলো। অৱশ্যে মই ইঞ্জিনীয়াৰ বা বৈজ্ঞানিক নহয়, উজনীৰ ফালে যিবিলাক পথ আছে সেইবিলাকত এবিধ শিল যাক আমি পানী শিল বুলি কওঁ এই-কাৰণেই যে, পানীৰ পৰা. নদীৰ পৰা এই শিল বিলাক বুটলি অনা হয়। সেই শিল বিলাককে ৰাস্তাত দিয়া হয়। সেই শিল বিলাক অতি কোমল। যাৰ কাৰণে ৰাস্তাত যেতিয়া ডাঙৰ ডাঙৰ গাড়ী বিলাক চলে তেতিয়াই ভাঙি উৰি যায়। মই ভাবো এই কথাতো আমাৰ ইঞ্জিনীয়াৰ সকলে অধ্যয়ন কৰা উচিত। এই কোমল শিল বিলাক নিদি পাহাৰৰ কঠিন শিল দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে এই বিলাক ৰাস্তা বেয়া নহব।

( ভইচ্ : বৰ খৰছ হয় )

খৰছ হওঁক। ৰাস্তা ভাল হব লাগিব। অসমৰ ৰাস্তাত যিমান পৰিমাণে টকা খৰছ

কৰা হয় ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে সিমান পৰিমানে টকা খৰছ কৰা নহয়।
আমাৰ এম, এল, এ, মন্ত্ৰী বা প্ৰায়বিলাক ইঞ্জিনীয়াৰ সকল অসমৰ বাহিৰলৈ গৈছে
আৰু তাৰ ৰাস্তা ঘাট আদিও দেখি আহিছে আৰু তেখেত সকলে এই কথা নিশ্চয়
উপলব্ধি কৰিব পাৰিব। মই অৱশ্যে বিৰলা চাহাবক লগ পোৱা নাই বা বিৰলা
কোম্পানীত তৈয়াৰ হোৱা মটৰ গাড়ীও কিনা নাই কিন্তু তেখেতে এই বুলি কোৱা
বুলি প্ৰকাশ যে, 'মই এম্বেছেদৰ গাড়ীবোৰ অসমৰ ৰাস্তাত চলাৰ কাৰণে তৈয়াৰ
কৰা নাই। 'অসমৰ ৰাস্তাত ব্যৱহাৰ নকৰিলেও মোৰ ক্ষতি নাই।' বিৰলা কোম্পানীয়েও
এই বদনাম দিছে। কাৰণ অসমলৈ যিয়েই এবাৰ আহিছে সিয়েই কয় 'অসমৰ ৰাস্তা
ইমান কিয় বেয়া ?' ইমূৰৰ পৰা সিমূৰলৈ ভাৰতবৰ্ষৰ ৰাস্তা আমি দেখিছো। কিন্তু
অসমৰ বাহিৰে ইমান বেয়া ৰাস্তা আমি কেতিয়াও দেখা পোৱা নাই। গতিকে এই
কথা বিলাক আজি অধ্যয়ন কৰিচোৱাৰ নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে।

মই ভাৰতবৰ্ষৰ যিমান ঠাই ফুৰিছোঁ বা আমাৰ মাননীয় সদস্য সকল আৰু মন্ত্ৰী
সকলেও ঘুৰিছে আৰু আমাৰ গড়কাপ্তানী বিভাগৰ বিষয়া বা কৰ্ম্মচাৰী সকলেও
ঘুৰিছে কিন্তু আজি ভাৰতবৰ্ষৰ কোনো ঠাইতে আমাৰ অসমৰ নেশ্যনেল হাইওৱেৰ
যিবিলাক ৰাস্তা ঘাট আছে তেনে ধৰণৰ ভঙা-চিঙা ৰাস্তা কতো দেখা পোৱা নাই।
মই নিজৰ ওপৰতে বিশ্বাস ৰাখি কৈছো যে এই বিষয়ে আমি এটা অধ্যয়ন কৰিব
হ'ল। আমাৰ ৰাস্তা বিলাকত কিয় ইমান সোনকালে শিলবোৰ ভাঙি যায়। ৯ মাহৰ
ভিতৰতে ৰাস্তাত শিল পেলোৱাৰ পিচত দেখা গল শিলবোৰ তাত নাই সেই শিল-
বোৰ কলৈ গ'ল, কৰাবালৈ উৰি গ'ল নেকি ? নে আমাৰ দুখীয়া ৰাইজে সেইবোৰ
খাই পেলালে ? মই নিজে হলে এই কথাটো পাইছো যে আমাৰ ৰাস্তা ঘাট বিলাকত
যিবিলাক নদীৰ কোমল শিল ব্যৱহাৰ কৰা হয় সেইবিলাক বেচি দিন নিতিকে
সোনকালেই ভাঙি যায়। কিন্তু অইন ৰাজ্যত সেইদৰে নহয়। বোধহয়। গতিকে আমাৰ
ইঞ্জিনিয়াৰ সকলে এই বিষয়ে চিন্তা কৰিব লাগে। তাৰোপৰি ৰাস্তাৰ মেৰামতিৰ
কামত শতকৰা ৫০ ভাগ অপচয় হয়। তাৰ পিচত দলংৰ কাঠৰ কথা কও, বেচি
ভাগ ক্ষেত্ৰত দেখা যায় যে টেণ্ডাৰ আহ্বান কৰোতে প্ৰথম শ্ৰেণীৰ কাঠ দলংত লগাব
লাগে বুলি কয় কিন্তু টেণ্ডাৰ লোৱাৰ পিচত কোনো ইঞ্জিনিয়াৰে সেই দলংৰ কাঠ
চিনি নাপায়, মই আচৰিত মানিছো যে এই শাল শিমলু কাঠো আমাৰ ইঞ্জিনীয়াৰ
সকলে চিনি নাপায় আৰু ঠিকাদাৰ সকলেও চিনি নাপায়। কিয় চিনি নাপায় আচ-
লতে, চিনি পায়, কিন্তু টেণ্ডাৰ হোৱাৰ পিচতহে চিনি নাপায়। গোৱালপাৰাৰ পৰা
শালকাঠৰ নামত কিছুমান বেলেগ কাঠ আনি দলং বিলাকত ব্যৱহাৰ কৰে আৰু
হয়তো শালকাঠ আনিলেও কোমলীয়া শালকাঠ আনে গতিকেই সেইবিলাক বেচি দিন

নিতিকে। যদি বুঢ়া শালকাঠ হয় নিশ্চয় বহু দিন তিকিব। আহোম ৰাজ্যৰ কালতে শিলঘাট ভোমাৰাগুৰিত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দিবলৈ অনা শাল কাঠৰ খুটা আজিও শ শ বছৰ ধৰি পৰি আছে। পচি যোৱা নাই। শিলঘাট কলিয়াবৰ অঞ্চলৰ কোনো নাম ঘৰত ৰাইজে লগাই যোৱা লাই খুটা লাই খুটা হৈয়ে আছে। কোনো ধৰণৰ ভঙা চিঙা অৱস্থা হোৱা নাই। অথচ এই গড়কাপ্তানী বিভাগে যিবিলাক কাঠ দলংত ব্যৱহাৰ কৰিবলৈ দিছে সেই বিলাক প্ৰথম শ্ৰেণীৰ বুলি কৈছে আৰু তাৰ কাৰণে প্ৰতি কিউবিক ফুটত যথেষ্ট দাম দিয়া হৈছে কিন্তু কাৰ অৱদাৰত তাত ভাল কাঠ নিদি কম দামী কাঠ দিয়া হৈছে, মন্ত্ৰীৰ অৱদাৰ নে ইঞ্জিনীয়াৰৰ অৱদাৰ নে ঠিকাদাৰৰ অৱদাৰ। জনসাধাৰণৰ তেজ মঙহৰ পইচা এইবোৰ, কোনে এই অধিকাৰ দিছিল। মই বিৰোধী দলৰ সদস্যই কৈছো কাৰণেই যে সকলো কাম বেয়াই কাম হৈছে সেইটো কোৱা নাই আমাৰ ৰাজ্যত কিছুমান ভাল কামো হৈছে। ভাল কাম থিনিৰ কথা কোৱাৰ আৱশ্যক নাই। কিয়নো যি থিনি বেয়া কাম হৈছে সেইথিনিহে ভাল ধৰণে কৰিবলৈ চেষ্টা কৰিব লাগে। ভাল যিথিনি হৈছে সেইথিনি বেয়া হৈছে বুলি কবলৈ মোৰ সাহস নাই। তথাপিতো মই পৰামৰ্শ দিব বিচাৰিছোঁ, কাম যাতে ভাল হয়, যি মতে চিমেন্ট বালি মিহলাব লাগে সেই ধৰণে মিলাবৰ কাৰণে চেষ্টা কৰে, য'ত ১ : ৪ : ৬ অনুপাত হব লাগে তাত যদি ১ : ৬ : ৮ দিয়ে তেতিয়াহলে কাম বেয়া হবই। মই নিজে ৩৩ নং এছেমন্ত্ৰীৰ কোৱাটাৰৰ বেৰা ভাঙি যোৱা বুলি যোৱা বাৰ এছেমন্ত্ৰীত কবলৈহে পালো ক'ত ভাঙিছে কি হৈছে তৎক্ষণাত বিষয়া সকল গৈ ৩৩ নম্বৰ ঘৰত হাজিৰ। এই কথাষাৰ কৈ এছেমন্ত্ৰীৰ পৰা ওলাবলৈকে নেপালো। মই ভাবিছিলো সদনৰ পৰা ওলালো মাথো পুলিশে আহিলেই মোক বিচাৰি, তেতিয়াই নোচোৱা হলেও হ'লহেতেন আজিও চালে ধৰা পৰিব তাত কেনে ধৰণে চিমেন্ট বালি দিয়া হৈছে। এইবোৰ এন, ই চিয়ে ৫০ কোটি টকাৰ আঁচনি লৈছে, তেনে ক্ষেত্ৰত এই এন, ই, চিৰ লগত অসমৰ যিমান বিলাক ৰাজ্যৰ সংলগ্ন পথ আছে সেইবিলাক অধিক উন্নত কৰাৰ কাৰণে চেষ্টা কৰিব লাগে আৰু যিবিলাকত কোনো সংলগ্ন পথ নাই সেইবিলাক সংলগ্ন কৰাৰ ব্যৱস্থা কৰিব লাগে। গোলাঘাট মেৰাপানী ৰাস্তাতো এন, ই, চিয়ে লৈচে ভাল পাইছো। কিন্তু তেনে বহুত ৰাস্তা আছে যিবিলাক আমাৰ ৰাজ্যিক চৰকাৰে বহু দিনৰে পৰা অৱহেলা কৰি আহিছে সেইবিলাক এন, ই, চিক দিব লাগে। এতিয়ালৈকে জনাৰ ভিতৰত মাত্ৰ ১১ টা ৰাস্তা দিয়া হৈছে। এই ৰাস্তা কেইটাৰ যি কেইটাত ইতিমধ্যে কাম আৰম্ভ হৈছে সেই কামবোৰৰ টেণ্ডাৰ হেড অফিচ গুৱাহাটীতে লোৱা হৈছে। শুনামতে বহুত খিলঞ্জীয়া অসমীয়া ঠিকাদাৰ হেনো কাম পোৱা নাই। কথাটো কি হৈছে চাব লাগে। আমাৰ কথা হল, কম ৰেটত বেয়া কাম হোৱাটো আমি কামনা নকৰো কিন্তু বেচি ৰেটত আমি ভাল কাম বিচাৰো।

তাৰ পিচত বহুতো আপত্তি আহিছে যে আমাৰ নতুন ৰাস্তাৰ কথা বাদেই দিয়ক পুৰণা ৰাস্তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা দিয়া নাই, কিন্তু মই কব খুজিছো আজি অসম থন যদি এখন স্বাধীন দেশ হ'লহেতেন তেনে স্থলত, এইখন বাজেট আমি এনে দৰে ললোহেতেন নে ? ইমান বিলাক চাহবাগিছা য'ত আছে, ইমান বিলাক মূল্যবান কাঠ বাহঁৰে ভৰা আকৌ তেল পুং কয়লা আদি খনিৰে ভৰপুৰ সমৃদ্ধি শালী এইখন দেশ। পৃথিবীৰ ভিতৰতে চহকী আমাৰ অসম ৰাজ্যখন হ'লহেতেন। মই কবলৈ যোৱা নাই যে অসম পৃথক হওক। কিছু উপমাহে দিছোঁ। আজি ইমান বিলাক সমৃদ্ধিৰে ভৰপুৰ ৰাজ্য এখনৰ ৰাস্তা-ঘাটৰ উন্নয়নৰ কাৰণে টকা নাই বুলি কলে কোনে মানিব। কেন্দ্ৰীয় চৰকাৰে অসমৰ নিচিনা এখন ৰাজ্যৰ ৰাস্তা-ঘাটৰ কাৰণে টকা নাই বুলি কেনেকৈ কব পাৰে অথচ আজি এনে অৱস্থাতো আন আন ৰাজ্যৰ তুলনাত অসমৰ ৰাস্তা-ঘাটৰ অৱস্থা অতি দুখ লগা আৰু ভঙা-চিঙা অৱস্থা।

অধ্যক্ষ মহোদয়, আজি আৰ্থিক ভাৱে যদি মানুহৰ উন্নতি কৰিবলগীয়া হয় সামাজিক ভাৱে যদি সংহতি আনিবলগীয়া হয় তাৰ কাৰণে একমাত্ৰ পথ হৈছে ৰাষ্টা-পদূলি আৰু পৰিবহন। পৰিবহন আৰু ৰাষ্টা-পদূলিৰ দ্বাৰা যোগাযোগ যদি ৰাখিব পৰা নাযায় যদি যোগাযোগ বিচ্ছিন্ন হৈ যায় তেতিয়া হলে সংহতি ও বিচ্ছিন্ন হৈ থাকিব। ঠিক তেনেকৈয়ে আৰ্থিক দিশতে উন্নতি কৰিব নোৱাৰিব। আজি চুকে-কোণে ঠায়ে ঠায়ে যদিও চৰকাৰী ভাৱে ত্ৰিশ টকাকৈ ধান কিনাৰ লক্ষ্য হৈছিল ওঠৰ সোতৰ টকাতো ধান বিক্ৰী হৈ আছে আৰু গাৱলীয়া মানুহে তেনে ভাৱে ধান বিক্ৰী কৰিয়েই আছে। অৱশ্যে এই সংক্ৰান্তত কেতিয়াবা কেতিয়াবা মন্ত্ৰীয়ে বিধান সভাত বা ডি-চিয়ে কাগজ আদিত বিবৃতি দিয়ে, আমি কাগজত বিবৃতি পঢ়িছো কিন্তু কাগজত বিবৃতি দিয়া বাবেই একো হোৱা নাই নেকি ? কোনো কৰপোৰেচনে যে লোৱা 'নাই সেই কথাটো মানি লৈছে কিন্তু ধান সংগ্ৰহ কৰিবৰ কাৰণে যি এজেণ্ট নিয়োগ কৰিছে সেই সকলে কিনা নাই বুলি বা গাওঁৰ মানুহে বিক্ৰী কৰা বুলি কব নোৱাৰি। কিন্তু এইটো ৰাষ্টা-পদূলিৰ অভাৱৰ কাৰণেই হৈছে। এই পুৰণা ৰাষ্টা-পদূলি ভাল কৰিবলৈ বাৰে বাৰে কৈ থকা হৈছে। আমাৰ তাত আঠখেৰিয়া নামঘৰলৈ যোৱা ৰাষ্টাখিনি অলপ মান ৰাষ্টা, গাড়ীৰে মানুহ যায়, চাইকেল লৈ যায় খোজকাঢ়িই মানুহ যায় শৰাই আদি নিয়ে ধৰ্ম-কীৰ্ত্তন আদি কৰে। মাত্ৰ চাৰি ফালং ঠাই বৰবৰা আলিৰ পৰা। কিন্তু এই চাৰি ফালং ৰাষ্টাখিনি আজিলৈকে উন্নত কৰা হোৱা নাই। চৰকাৰৰ যদি বা বিষয়াসকলৰ যদি ধৰ্ম কাৰ্য্য কৰাৰ অলপমান মন আছে তেন্তে এই ৰাষ্টাচোৱা ঠিক কৰি দিব পাৰে। এইখিনি ৰাষ্টা কাকদোঙাৰ মথাউৰি হৈ গৈছে। কিন্তু ইমান বেয়া হৈ আছে যে ৰাষ্টাটোৰে মানুহ যাব নোৱাৰা অৱস্থা। যদি চেষ্টা নকৰে তেনেহলে বিভাগটো থকাৰ নো কি প্ৰয়োজন আছে।

অধ্যক্ষ মহোদয়, চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাত যি বিলাক ৰাষ্টাৰ কাম আৰম্ভ কৰা হৈছিল তাৰো কিছুমানৰ কাম আধা কৰাকৈ থাকিলে, কিছুমান ৰাষ্টাৰ কাম অলপ বাকী থাকিল ফলত কোনোটো ৰাষ্টাই ৰাইজৰ ব্যৱহাৰৰ কাৰণে উপযোগী হৈ নুঠিল।

উপাধ্যক্ষ মহোদয়, তেনেকৈ নগোৱা আলিটো আৰু দৈয়াংৰ দলংখন প্ৰস্তাৱ হৈয়ে থাকিল। গোলাঘাট সমষ্টিৰ এই দলংখন আৰু ৰাষ্টাটোৰ কথা কাগজতো ওলাইছে। মন্ত্ৰী অফিচাৰ আজিলৈকে যিমান গ'ল সেই সকলৰ টি-এ, ডি-এ যিমান দিয়া হল সেই পইচাৰেই কাম বহুতখিনি শেষ হলহেতেন। এই দলঙৰ অতি প্ৰয়োজন কিয়নো দৈয়াং নৈ পাৰ হৈ সেই অঞ্চলৰ পৰা এই ৰাষ্টাইদি অসম সমবায় চেনী কললৈ কুঁহিয়াৰ আহে। যদি ৰাজ্যিক চৰকাৰৰ এইটো কৰিবলৈ পইচা নাই তেনেহলে এন-ই-চিৰ লগত লিখালিখি কৰিলেও হয় কেনেকৈ এনে দৰকাৰী কাম বিলাক এন-ই-চিৰ দ্বাৰা কৰাব পাৰি সেই সংক্ৰান্তত যোগাযোগ কৰিব লাগে। চৰকাৰী পইচা যাতে এক পইচাও অথলে নাযায় তাৰ কাৰণে চোকা নজৰ দিব লাগে। দুৰ্নীতিত বহুত পইচা খৰচ হৈ যায়। গতিকে সেই বিলাক বন্ধ কৰি আগুৱাই যোৱাৰ কাৰণে চেষ্টা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনি কথাকে আগবঢ়াই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীইদ্ৰিচ আলী ফকিৰ : মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ কাৰণে যি দাবী উত্থাপন হৈছে সেই দাবী মঞ্জুৰী সমৰ্থন কৰিছো। এই দাবী মঞ্জুৰী আৰু আমাৰ যিখিনি প্ৰয়োজনীয় ৰাষ্টা আছে সেই তুলনাত অতি নগণ্য বুলি মই ভাবো। ইয়াতকৈ অধিক দাবীৰ মঞ্জুৰী বিচাৰিব লাগিছিল। ৰাজ্যখনৰ ৰাষ্টাৰ যি অভাৱ সেই ফালৰ পৰা চালে দেখা যায় মন্ত্ৰী মহোদয়ৰ কাষলৈ গলে কয় যে তেখেতৰ ৰাষ্টা-ঘাট কৰি দিয়াৰ মন আছে কিন্তু ইয়াৰ অভাৱৰ কাৰণেহে কৰিব পৰা নাই। কিন্তু এই দাবী মঞ্জুৰীৰ পৰা এইটো বুজা যায় যে মন্ত্ৰী মহোদয়ে সেই ভাৱে দাবী মঞ্জুৰী কৰা নাই। যিয়েই নহওক ৰাজ্যখনত গড়কাপ্তানী বিভাগে বহুত কাম কৰিছে। কাম নকৰা নহয়। এই কামৰ গতি আগকৈতকৈও যে দ্ৰুত হৈছে এইটোও সঁচা কথা। কিন্তু কাম যিমানখিনি হব লাগিছিল সিমানখিনি কৰিব পৰা নাই টকাৰ অভাৱৰ কাৰণে। গড়কাপ্তানী বিভাগৰ এই দাবী মঞ্জুৰীৰ সন্দৰ্ভত মাননীয় সদস্য সকলে ভালেমান মূল্যবান পৰামৰ্শ আগবঢ়াইছে। মই বেছি কথা কৈ এই সদনত আমনি দিব খোজা নাই মাত্ৰ দুটা কথা কৈ মোৰ বক্তৃতা শেষ কৰিম বুলি ভাবিছো।

★ Speech not corrected

প্ৰায় মাননীয় সদস্যই কৈছে যে তেখেতসকলৰ সমষ্টিৰ মানুহ উপকৃত হৈছে কম বেছি পৰিমাণে। অৱশ্যে গড়কাপ্তানী বিভাগৰ ৰাষ্টা আৰু কিছুমান লাগে এইটো সঁচা কথা। কিছুমান ঠাই একেবাৰে পিচপৰা হৈ আছে সেইটোও সঁচা কথা। কিন্তু সেই পিচপৰা ঠাইবিলাকক আগবঢ়া ঠাইৰ তুলনাত সমানে আগুৱাই নিয়াটোহে আচল কথা। আমাৰ ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ কথা বিলাকৰ কাৰণে বিশেষকৈ ধান সংগ্ৰহৰ কাৰণে আজি সেই ৰাষ্টা বিলাকৰ এটা উল্লেখযোগ্য ভূমিকা আছে। আৰু এই কথাটো সত্য যে এই ৰাষ্টা বিলাকে ধান সংগ্ৰহৰ ক্ষেত্ৰত এটা বিশেষ অৱদান আগবঢ়াইছে। এই ক্ষেত্ৰত নগাওঁ জিলাৰ এটা উল্লেখযোগ্য ভূমিকা আছে। গোটেই জিলাখন যদি দুটা ভাগত ভাগ কৰা হয় তেতিয়া দক্ষিণ পূৱ এলেকাটো আটাইতকৈ গুৰুত্বপূৰ্ণ এলেকা বুলি বোধকৰো কোনেও অস্বীকাৰ নকৰিব। এসময়ত এই দক্ষিণ পূব এলেকাটো আছিল অসমৰ খাদ্য শস্যৰ ভঁৰাল। আজিও সেই সুনাম অব্যাহত আছে। সেই ঠাইৰে দুই এটা কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, গোটেই নগাওঁ জিলাৰ যি সংগ্ৰহ তাৰ ভিতৰত চাৰি ভাগৰ তিনি অংশ পূৰণ কৰে মাত্ৰ কেইটামান পকেট এৰিয়াই। এই পকেট এৰিয়াৰ ভিতৰত যমুনামুখ, কাকী, নমাটি আদি ঠাইয়েই প্ৰধান। এই বিলাক ঠাইৰ পৰা ধান সংগ্ৰহ কৰাত কোনো বিশেষ অসুবিধা পোৱা নাই যদিও গড়কাপ্তানী বিভাগৰ যে তেনেকুৱা ৰাষ্টাৰ কাৰণে কোনো অসুবিধাৰ সন্মুখীন হবলগীয়া হোৱা নাই সেই কথা মই অস্বীকাৰ নকৰো।

কিন্তু সেই বিলাকত একেবাৰে গড়কাপ্তানী বিভাগৰ ৰাস্তা নাই বুলি মই অস্বীকাৰ নকৰো। কিন্তু অন্যান্য ঠাইৰ লগত থাপখোৱাকৈ যিটো হব লাগিছিল সেইটো বহুত দিন আগতেই হৈছে। কিন্তু নতুনকৈ একো হোৱা নাই। অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে ব্যক্তিগত ভাৱে জানে যে, এনে কিছুমান ঠাই আছে যত যোগা যোগৰ কোনো সুবিধা নাই। এনেকুৱা কিছুমান দুখীয়া খেতিয়ক ক্ষতিগ্ৰস্ত হৈ আছে যে এওঁলোকৰ আৰ্থিক উন্নতিৰ বাবেও চৰকাৰে লক্ষ্য ৰাখিব লাগে। আমাৰ গড়কাপ্তানী বিভাগ যিবিলাক অনুন্নত এলেকা সেই বিলাকলৈ লক্ষ্য ৰাখি তৎকালেই সেই অঞ্চল বিলাকত যোগা যোগৰ গুৰুত্ব দিব লাগে। গড়কাপ্তানী বিভাগে চতুৰ্থ পৰিকল্পনাত এটা আদৰ্শ স্থাপন কৰিছে। ৰাস্তা ঘাটৰ উন্নয়নৰ কাৰণে মিনিমান নিড্‌চ প্ৰগ্ৰেমত এক কোটি টকা ধৰিছে আৰু সকলোকে সমানে ভগাই দিছে। কিন্তু যিবিলাক অতি পিচ পৰা অঞ্চল আৰু যিবিলাক আগবাঢ়ি যোৱা অঞ্চল একে পৰ্য্যয়তে ভাগ পাইছে। এই কথাটো মই বুজি পোৱা নাই কি তথ্যৰ ভিত্তিত জৰীপ কৰি এই দৰে মঞ্জুৰী দিছে। মই ভাবো এই কথাটো পুনৰ বিবেচনা

কৰিব লাগে। পিচপৰা অঞ্চলৰ উন্নতি কল্লে মই দুই এটা কথাৰ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই এটা কথা কৈছে সেই কথাটোত মইও এক মত যে, কিছুমান আলি কিছুমান জাগাত স্পীল ওভাৰ কৰি নললে অন্য কোনো উপায় নাই। উদাহৰণ স্বৰূপে মই দুটা কথা কব বিচাৰিছো আমাৰ লামডিংৰ পঁৰা গুৱাহাটী ৰাজধানীলৈ পোনে পোনে আহিব পাৰি মাত্ৰ মাজৰ ৭ কিলোমিটাৰ ৰাস্তাৰ যোগা যোগ হৈ উঠা নাই এই খিনি হৈ উঠিলে লামডিংৰ পৰা ডিচপুৰলৈ ২৭ কিলোমিটাৰ কম হব। আৰু ইয়াৰ লগত অৰ্থ নৈতিক কথাও জৰিত আছে। এই ৰাস্তাৰ কাৰণে মই গড়কাপ্তানী বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, আমি সদায়ে পাহাৰ ভৈয়ামৰ মাজত সম্প্ৰতি বিছাৰি আহিছো। মই ভাবো জনজাতি ভাই সকলৰ লগত যদি ভৈয়ামৰ জন-সাধাৰণৰ সংহতি ৰক্ষা কৰিব খোজা হয় তেনেহলে যোগা যোগৰ নিতান্ত প্ৰয়োজন। এই ক্ষেত্ৰতে মই অতি গুৰুত্ব পূৰ্ণ ৰাস্তা এটাৰ কথা যি ৰাস্তাই উত্তৰ কাছাৰ পাহাৰ আৰু মিকিৰ পাহাৰৰ লগত ভৈয়াম বাসীৰ সংযোগ স্থাপন কৰিব। আৰু এই ৰাস্তাটো অতি চমু আৰু কম টকাতে হব। ৰাস্তাটো হল হোজাই চহৰৰ পৰা শিলডুবি ঘাট হৈ বৈথালাংচুয়ে দি খেৰণি পি. ডাবলিউৰেদি ওলাব পাৰি। এই গোটেই ৰাস্তাটো বা বিস্তিৰ্ণ অঞ্চলটো জনজাতি এলেকা যত মিকিৰ কছাৰী মণিপুৰি লোক সকলৰ বাসস্থান। সেই ফালৰ পৰাও এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ আৰু নিতান্ত প্ৰয়োজন। মই ভাবো পাহাৰ-ভৈয়ামৰ মাজৰ দৈনান্দিন সম্প্ৰীতি ৰক্ষাৰ কাৰণে এই ৰাষ্টাটো অতি সোনকালে সম্পূৰ্ণ কৰি উলিয়াব লাগে। অধ্যক্ষ মহোদয় আমাৰ গাওঁৰ ভিতৰত এনেকুৱা কিছুমান সৰু সৰু ৰাষ্টা আছে, যিবোৰৰ চাহিদা অতি প্ৰয়োজন। সেইবোৰৰ প্ৰতি মই চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ : আপুনি আৰু কিমান সময় লব ?

শ্ৰীইদ্ৰিছ আলি ফকিৰ : আৰু দুই মিনিট সময় কম চাৰ।

তাৰ পাচত দিচপুৰৰ পৰা ডিব্ৰুগড়লৈ যিটো নেচনেল হাইওৱে আছে এইটো এটা অত্যন্ত দৰ্কাৰী ৰাষ্টা। আমাৰ মন্ত্ৰী সকল এম, এল, এ সকল বিষয়া সকল আৰু অসমলৈ অহা বিশিষ্ট সকল সদায়ে এই ৰাষ্টাৰে অহা-যোৱা কৰে। কিন্তু এই ৰাষ্টাৰ ওপৰত থেকেৰাগুৰি যিটো ৰেলওৱে ক্ৰচিং আছে সেই ক্ৰচিংৰ কিন্তু অভিজ্ঞতা মোৰেই নহয় হয়তো সকলো সদস্যৰে আছে। মই ভাবো এই প্ৰয়োজনীয় ক্ৰচিংৰ ওপৰত অতি শীঘ্ৰে এখন ৰেলওৱে অভাৰ ব্ৰিজ দিয়া ব্যৱস্থা গড়কাপ্তানী বিভাগে হাতত লব। তাৰ পাচত হোজাই টাউনৰ মাজতে যিটো ৰেলওৱে ক্ৰচিং আছে তাত এখন ওভাৰ ব্ৰিজৰ বিষয়ে সদায়ে অনুভৱ কৰি থকা হৈছে। কাৰণ এইটো এটা দৰ্কাৰী

ৰাষ্টা আৰু ৰেলওৱে গেটখন প্ৰায়ে বন্ধ থাকে। কেতিয়াবা এঘন্টা পৰ্য্যন্ত ৰব লগা হয়। গতিকে গড়কাপ্তানী বিভাগে এখন ওভাৰ ব্ৰিজৰ ব্যৱস্থা কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : মাননীন অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগৰ মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱৰ মাধ্যমেৰে বিৰোধী দলৰ সদস্য সকলে যি আলোচনা অৱতীৰ্ণ কৰিছে আৰু দাবীৰ সমৰ্থন কৰি টকাৰ পৰিমাণ বঢ়োৱাত বন্ধু সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে তাৰ পৰিপ্ৰেক্ষিত মই দুআষাৰমান কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, যাতায়াতৰ সুবিধা আৰু তাৰ ব্যৱস্থা যদি এখন ৰাজ্যত নৈ উঠে সেই ৰাজ্যৰ সুষ্ঠ অৰ্থনৈতিক অৱস্থা হব নোৱাৰে— এই কথা কোনেও অস্বীকাৰ নকৰে। আজি আমাৰ অসমত যাতায়াতৰ দিশৰ পৰা যথেষ্ট অসুবিধা যে আছে ৰাস্তাঘাট দলং ইত্যাদিৰ ক্ষেত্ৰত সেই কথা বন্ধু সকলে প্ৰত্যেকেই স্বীকাৰ কৰিছে। সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰতি এশ-কিলোমিটাৰ ৰাস্তাত ২৫ কিলোমিটাৰ ৰাস্তা পকা হব লাগে। সেই ফালৰ পৰা চালে দেখা যায় যে অসমত প্ৰতি বৰ্গ কিলোমিটাৰ ৰাস্তাত ২৪-২৫ কিলোমিটাৰ ৰাস্তা আছে। সেই দিশৰ পৰা চালে দেখা যায় যে অন্যান্য ৰাজ্য সমূহৰ ভৌগলিক পৰিস্থিতি, মাটিৰ পৰিস্থিতি ভাল আৰু সেই ৰাজ্যৰ ৰাস্তাৰ অৱস্থাও ভাল। সেই কাৰণে সেই ৰাজ্যৰ ৰাস্তা ভালে ৰখাৰ যিটো আব-হাৱা সেইটোৱে ৰাস্তা ভালে ৰখাত সুবিধা দিছে। তাৰেপৰি তেওঁলোকে কাৰ্য্যতঃ আৰ্থিক দুৰ্গ নিৰ্মাণ কৰাৰো সুবিধা লব পাৰিছে। সেই কাৰণে আজি মাননীয় সদস্য বৰা ডাঙৰীয়াই কেৱল ভাৰতবৰ্ষতে ৰাস্তাৰ পৰিষৰ সীমিত বুলি কোৱা ধৰণেৰে কথা এটা চিন্তা কৰি কৈছে যে এনেকুৰা দেশো আছে যে যি ঠাইত পকা ৰাস্তা কৃষিৰ পথাৰলৈকে গৈছে আৰু পথাৰৰ পৰাই কৃষিজাত বস্তু পঠোৱাৰ ব্যৱস্থা কৰা হয়। অতি সুখৰ কথা যে অসমেও নিশ্চয় তেনে আশাকেই পুহিছে। তেখেতে গাৱঁৰ ৰাস্তাবিলাকৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছে অসমত ৮,২৮৭ কিলোমিটাৰ গাৱলীয়া ৰাস্তা আছে আৰু সেই ৰাস্তাখিনি একেবাৰে নজৰ দিয়া হোৱা নাই বুলি তেখেতে কৈছে। কথাটো একেবাৰে অসত্য নহয় এই কাৰণে যে আমাৰ যিটো বৰ্ত্তমান পৰিস্থিতি, আমাৰ যিটো আৰ্থিক পৰিস্থিতি সেই পৰিস্থিতিত ৰাস্তা মেৰামতি কৰা বা নিৰ্মাণ কৰা অতি কমেই হৈ হয়।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত ১৯ হেজাৰ কিলোমিটাৰ ৰাস্তা আছে। এই ১৯ হেজাৰ কিলোমিটাৰ ৰাস্তাৰ ভিতৰত ১ হেজাৰ ৫২ কিলোমিটাৰ ৰাস্তা হৈছে

*Speech not corrected

ৰাষ্ট্ৰীয় পথ। বাকী যিখিনি ৰাস্তা আছে সেইখিনি হৈছে গাওঁ পৰ্য্যায়ৰ ৰাস্তা। গাওঁ পৰ্য্যায়ৰ ৰাস্তা বোলোতে মই কৈছো ষ্টেট আৰু জিলা পৰ্য্যায়ৰ ৰাস্তা। এই ১৯ হেজাৰ ৰাস্তাৰ বাহিৰে বাকী যিখিনি ৰাস্তা এইখিনি নিৰ্দ্ধাৰিত অবস্থাত চালু কৰিব লগা হলে আমাৰ বিভাগীয় হিচাব মতে ১১ কোটি টকাৰ আৱশ্যক হয়। এই ১১ কোটি টকা বন্ধু সকলে বিচৰা মতে যিখিনি যাতায়াতৰ অসুবিধা আছে সেইখিনি আমি ভাল ৰকমে পৰ্য্যবেক্ষণ কৰিব পাৰিলোহেতেন। কিন্তু দুৰ্ভাগ্য বশত: যোৱা চাৰি বছৰ ধৰি ১৯৭২ চনৰ পৰা ৰাজ্যখনত যি অৰ্থনৈতিক বিপৰ্য্যয়ে দেখা দিছে, বস্তু বাহানিৰ দাম বাঢ়ি গৈছে, মেটেৰিয়েলচৰ দাম বাঢ়ি গৈছে— এই সকলোবিলাক কথালৈ লক্ষ্য ৰাখি যোৱা বছৰ যিখিনি ধন কম-বেছি পৰিমাণে আমি পাইছিলো সেই টকাৰে ১১ কোটিৰ মান ৰক্ষা কৰাটো সম্ভৱ নহব আৰু সেই কাৰণে এইটো স্বীকাৰ্য্য কথা যে গোটেই ৰাজ্যখনৰ ৰাস্তাৰ অৱস্থা কিছু অবনতি ঘটিছে। গাওঁ পৰ্য্যায়েই হওক বা ৰাজ্যিক পৰ্য্যায়েই হওক কিম্বা জিলা পৰ্য্যায়েই হওক সেই ৰাস্তাখিনি ভাল কৰিবৰ কাৰণে এটা নিৰ্দ্দিষ্ট মানলৈ তুলিবলৈ হলে যথেষ্ঠ খিনি ধনৰ প্ৰয়োজন হয়। বন্ধু সকলে নিশ্চয় দেখি ভাল পাইছে যে মেইণ্টেনেন্স আৰু ৰিপেৰিংৰ কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে এক কোটি টকা বেছিকৈ দিব পাৰিছে। এইখিনি টকাৰ মাধ্যমেৰে আমি আশা কৰিছো ৰাস্তাবিলাক ভাল কৰিব পৰা হব।

অধ্যক্ষ মহোদয়, যিখিনি আলোচনা হয় সেইখিনি বিবেচনা কৰি চালে দেখা যায় যে বন্ধু সকলে দুই তিনিটা কথাত বেছিকৈ গুৰুত্ব আৰোপ কৰিছে। এটা কথা তেখেত সকলে কৈছে যে আমাৰ ৰাজ্যখনত বহুত নদ-নদী আছে আৰু সেইবোৰ দলং ৰাস্তাৰ অভাবত যোগা যোগ বিহীন হৈ আছে। দ্বিতীয় কথা তেখেতে কৈছে যে চতুৰ্থ পৰিকল্পনাত নামাকৰণ কৰাৰ কিছু অংশৰ কাম হৈছিল বা বন্ধ হৈ আছিল সেইখিনি সম্পূৰ্ণ কৰিব লাগিব। লগতে এই কথাও কৈছে যে এই কামটো গড়-কাপ্তানি বিভাগে কৰিব লাগে আৰু এই কামৰ ত্ৰুটি পৰিলক্ষিত কৰি কৈছে যে টকা-খিনি সৎব্যৱহাৰ হোৱা নাই। মাননীয় সদস্য শ্ৰীসোণেশ্বৰ বৰা ডাঙৰীয়াই কব খুজিছে যে এই টকা খিনিৰ শতকৰা ৫০ ভাগ অপব্যয় হৈ আছে। মই তেখেতৰ ওচৰত বিনীত ভাবে নিবেদন কৰো যে আজি এই দুৰ্নীতিৰ কথাটো কেৱল যে গড়কাপ্তানি বিভাগতেই আৱদ্ধ হৈ আছে এনে কথা নহয়, প্ৰশাসনীয় বিভাগবোৰতো এনে ধৰণৰ কথা আছে। গতিকে মই মাননীয় সদস্যক গৰাকীক অবগত কৰো যে আজি এই দুৰ্নীতিৰ কথাটো এটা কো-ৰিলেটেড কথা। আমি যদি এইবোৰ আমাৰ বিভাগ-বোৰৰ পৰা আঁতৰাব খোজো সমাজে দায়িত্ব বহন কৰিব লাগিব। আজি সেই কাৰণে মই ভাল পাইছো যে মাননীয় সদস্য বন্ধু সকলে দুৰ্নীতিৰ কথা কৈছে, কিন্তু আগৰ দৰে বৰ জোৰেৰে কোৱাৰ আৱশ্যকতা অনুভব কৰা নাই, তাৰ কাৰণে মই

নিজকে ধন্য মানা নাই যদিও আশা ৰাখিছো বন্ধু সকলৰ পৰামৰ্শ মতে কাম কৰিবলৈ হলে বন্ধু সকলে সক্ৰীয় সহযোগিতা যদি আগ বঢ়াই তেন্তে এই দুৰাৰোগ্য বেমাৰ আৰোগ্য হব পাৰে। সেই কাৰণে যি ফালে চোকা দৃষ্টি দিব লাগে বন্ধু সকলে নিশ্চয় লক্ষ কৰিছে যে সোনকালে সেই ব্যৱস্থা হাতত লোৱা হৈছে। মাননীয় বন্ধু শ্ৰীনগেন বৰা ডাঙৰীয়াই কৈছে যে শাস্তিমূলক ব্যৱস্থাৰ ওপৰত তৎপৰতা অবলম্বন কৰিব লাগে। মই তেখেতক কওঁ যে এনে ধৰণৰ বিভাগীয় শাস্তিমূলক ব্যৱস্থাৰ নিয়মাৱলী লৈ অতি সোনকালে কাম শেষ কৰাটো সম্ভৱ নহয়। কাৰণ এই কথাবিলাক আইনতঃ চাব পাৰি। সেই কাৰণে কিছু ক্ষেত্ৰত দেৰী হৈছে এই কথা মই স্বীকাৰ কৰিছো। কিন্তু এইটো নিশ্চিত যে যিবিলাক গোচৰ বহুদিনৰ পৰা পৰি আছে সেইবিলাক অতি সোনকালে যাতে মিমাংসা কৰিব পৰা যায় তাৰ কাৰণে যত্নবান হম।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই কৈছে যে তেখেতৰ তাত এটা ডাঙৰ কাম হৈছে তেখেতে যোৱাবাৰ অধিবেশনতো বৰকৈ তাৰ কাৰণে আপত্তি কৰিছিল এখন দলংৰ কথালৈ আৰু তেতিয়া মই ভাৰত চৰকাৰৰ পৰা সেই টকা আনিব নোৱাৰা বাবে অকৰ্ম্মণ্য বুলিও কৈছিল। কিন্তু সেইখন দলং আৰম্ভ হোৱাত তেখেতে ধন্যবাদ আগবঢ়োৱাত আমি সুখ পাইছো। আজি ৰাষ্ট্ৰীয় পথৰ বগাগৰৰ দলংখন হলে অসমৰ কাৰণেই যে সুবিধা হব সেইটো নহয় গোটেই পূৰ্ব্বাঞ্চলৰ কাৰণে এটা লেণ্ড মাৰ্ক হব। সেই কাৰণে ৰাষ্ট্ৰীয় পথৰ বাকীবিলাক কামো হৈ থকা প্ৰধানী ডাঙৰীয়াই দেখিছে বিলাসীপাৰা, পাঠশালা আদিত তেখেত কালি আহিছে যেতিয়া নিশ্চয় দেখি আহিছে তথাপি তেখেতে সন্দেহ প্ৰকাশ কৰিছে। কাম আৰম্ভ হোৱা দেখি আনন্দিত নহৈ সন্দেহ কিয় প্ৰকাশ কৰিছে নাজানো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মই গোটেই অঞ্চলত হব নে নহয় তাকহে কৈছো। এতিয়া নলবাৰীৰ আৰু বৰমাৰ পথৰ সিফালে কাম আৰম্ভ কৰাই নাই।

*শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : যিখিনি চেংচন পোৱা হৈছে বা নতুন যি ৬৯ লাখ টকাৰ চেংচন আহিছে সেইখিনি কাম নিশ্চয় শেষ হব। আমাৰ মাননীয় সদস্য সকলে ৰাষ্ট্ৰীয় পথৰ কথা উল্লেখ কৰা নাই মই নিজে উল্লেখ কৰিছো। ৩৭ নং ৰাষ্ট্ৰীয় পথৰ অৱস্থা হঠাৎ বেয়া হোৱাত আমাৰ বিভাগে বহুত কষ্ট কৰি আঁচনি কৰি দিয়া হৈছে আৰু সেইবিলাকৰ এলটমেণ্টও আহিছে আৰু তাৰ কাম কৰা হব। ৰাষ্ট্ৰীয় পথটো আমাৰ যুটীয়া দায়িত্বৰ কথা, তাক ভালে ৰখাটো আমাৰ কৰ্ত্তব্য। গতিকে কেন্দ্ৰীয় চৰকাৰে যিমান সোনকালে টকা দিব সিমান সোনকালে কাম আৰম্ভ

* Speech not corrected

কৰা হব। আগতে ভাৰত চৰকাৰে টকা খৰছ কৰিব নোৱাৰো বুলি কৈছিল কিন্তু এইবাৰ ভাৰত চৰকাৰে আৰু যদি টকা দিয়ে তেনেহলে খৰছ কৰিব পাৰিম বুলি বিশ্বাস আছে। মাত্ৰ শতকৰা ৫০ ভাগ নাইকীয়া হব বুলি কালিমা নাসানিলেই হ'ল।

মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই ৰাষ্টাৰ কথা উল্লেখ কৰিছে। দলংৰ কাম কৰিবলৈ যাওতে কৰবাত যদি এডোখৰ ৰাষ্টা কৰিব পৰা যায় তেনেহলে ময়ো আনন্দিত হম। ইতিমধ্যে মই বিষয়াসকলক চাবৰ কাৰণে নিৰ্দ্দেশ দিছো অৱশ্যে মই আশ্বাস দিব নোৱাৰো।

মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই আগতেওঁ উল্লেখ কৰিছে আৰু এইবাৰো অস্থায়ী ৰাজধানী কাম বেয়া হৈছে আৰু এই কামবিলাক কৰোতে নিবন্ধৱা ডেকা সকলক দুৰ্নীতি শিকোৱা বুলি কৈছে। এইটো বৰ পৰিতাপৰ কথা। এই অস্থায়ী ৰাজধানী কেতিয়া আৰু কি অৱস্থাত কৰা হৈছিল তাক বন্ধু সকলে নজনা নহয়। গতিকে কৰবাত কিবা ক্ৰুটি-বিচ্যুটি থাকি যোৱাতো স্বাভাবিক। তাৰ পিচত ৰেটৰ কথা কৈছে। মূল্য বৃদ্ধিলৈ চাই কেতিয়াবা ৰেট বঢ়াবলগীয়াও হয়। আমাৰ বিৰোধী বন্ধু সকলে এই বিভাগটো এটা বেয়া বিভাগ বুলি যি কনক্লুজন দিব বিচাৰে আচলতে সেইটো নহয়। এইটো এটা পুৰণি বিভাগ আৰু এইটো এটা খান্দানি বিভাগ বুলিয়ে কব পাৰি। গতিকে বিভাগটো অযোগ্য বিভাগ বুলি কলে বৰ ঠিক কোৱা নহব।

মাননীয় সদস্য সকলে মেডিকেল বিভাগৰ দুটা উইংৰ কথা কৈছে তাৰ ভিতৰত চিফ পাব্লিক হেলথ ইঞ্জিনীয়াৰৰ কথা। এইটোও এটা আমাৰ নিচিনাই বিভাগ ইয়াৰ বিষয়া সকল আগতে আমাৰ বিভাগতে কাম কৰিছিল এতিয়া তালৈ গৈছে। গতিকে তেওঁলোকে নিজেও দুই এটা কাম কৰি আছে সেইটো দোষনীয় নহয়। আমাৰ পাব্লিক হেলথ বিভাগৰ কাৰণে সিদিনা যি পৰিপূৰক দাবী উত্থাপন কৰা হৈছিল বোধহয় তেতিয়া আমাৰ মাননীয় সদস্য শ্ৰীনগেন বৰুৱা নাছিল। যিমান টকা দিয়া হৈছে আৰু বেছি টকা দিম বুলি কৈছে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণ হয় যে **they have got the required expertise.**

তাৰ পিচত ৰেশম আৰু বয়ন বিভাগেও কাম দিছে আৰু কৰি থকা হৈছে আৰু কাহিলীপাৰাত যিটো ডি পি আই অফিচ কৰা হৈছে মাননীয় সদস্য সেইফালে গলে নিশ্চয় দেখিব তাৰ ভালেমান কামো হৈছে। তাৰ পিচত হায়াৰ চেকেণ্ডাৰী বিল্ডিং সেইটো আমাৰ বিভাগে কৰিছে তাত পাব্লিক মিটিংত বিষয়া সকলৰ শলাগ লৈছে। গতিকে তাৰ পিচতো এই বিভাগে ফেইল মাৰিছে বুলি কলে ঠিক কোৱা নহব যেন

অনুমান হয়। তাৰ পিচত আমাৰ মাননীয় সদস্য শ্ৰীআবুল হুচেইন মীৰ ডাঙৰীয়াই পুলিচ থানা আৰু ইণ্ডাষ্ট্ৰিয়েল এপ্ৰোচ ৰোডৰ কথা কৈছে। ইণ্ডাষ্ট্ৰিয়েল এপ্ৰোচ ৰোডটোত অৱশ্যে প্ৰায়ৰিটি দিয়া নাই কিন্তু এবাণ্ডন্দ কৰা নাই।

মাননীয় সদস্য শ্ৰীগোবিন্দ বৰা ডাঙৰীয়াই যিটো ৰাষ্টাৰ কথা আৰু ৰিজিঅনেল ইমবেলেন্সৰ কথা কৈছে তাৰ বাবে মই একমত। এই ৰিজিঅনেল ইমবেলেন্স দুৰ কৰিব নোৱাৰিলে আমি যিমানেই আইন নকৰো লাগে আমাৰ সমষ্টিগত হিচাবে যি ১ লাখ কৰি টকা ভাগ কৰা হয় তাৰ কোনো সাৰ্থকতা নাথাকিব। এই সদনতে মেজৰ ব্ৰিজৰ সংক্ৰান্তত মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে, পঞ্চম পাচবছৰীয়া পৰিকল্পনাৰ কালছোৱাত ২০ খন দলং কৰিম বুলি প্ৰস্তাৱ দিয়া হৈছিল। টুনি, ডৰিয়া আদি দলঙৰ ৰাষ্টাৰ আদিৰ বাবে পঞ্চম পৰিকল্পনাত প্ৰায় ৫ কোটি টকা ব্যয় কৰা হব। কিয়নো এই ৰাষ্টাবিলাক ভাল নহলে যাতায়তৰ বহুতো অসুবিধা হব। ইয়াত কোনো সন্দেহ নাই। আমাৰ মাননীয় সদস্য ফকিৰ ডাঙৰীয়াই যিটো কথা কৈছে যে, উন্নত হওক বা অনুন্নত হওক সকলো ঠাইৰ বাবে সমনীতি বাহিৰ কৰিব লাগে। আজি আমাৰ ১১০ টা সমষ্টিত এনে এটা সমষ্টি নাই যত কোনোৱা এটা পকেট পিচপৰি থকা নাই। আজি ধেমাজী, বৰপেটা, মৰিগাঁও আদি জিলাতো যাতায়তৰ ক্ষেত্ৰত বহুতো পিচপৰি আছে। ইয়াৰ ওপৰিও ৰিপেয়াৰৰ ক্ষেত্ৰত ৰাষ্টা আদিত মই নিজে আৰু আমাৰ বিভাগে যিমানদুৰ পাৰে মনোযোগেৰে চকু দিব বুলি মই আশ্বাস দিব পাৰো। কিবা এটা টাইম বাউন্দ কৰি তাৰ ভিতৰতে কাম কৰিব লাগিব। আৰু কামৰ কোৱালিটি ভাল কৰি পইচা যাতে অপচয় নহয় তাৰ বাবে চাব লাগিব। এন, ই, চিৰ ৰাষ্টাৰ সম্পৰ্কত মই কব বিচাৰো যে, তাত ১০ টা ৰাষ্টা লোৱা হৈছে। আৰু যোৱা বাৰ ৪ লাখ টকাৰ কাম কৰা হল আৰু এইবাৰ ৯১ লাখ টকাৰ কাম কৰা হব। এই কামবিলাক গুৱাহাটীৰ পৰা বিতৰণ কৰা হৈছে। তেথেতেও গোলাঘাটৰ পৰা মেৰাপানীলৈ এটা ডাঙৰ ৰাষ্টা পাইছে। এইবিলাক ৰাষ্টা ভাল ঠিকাদাৰক কাম কৰিবলৈ নিদিলে কাম ভাল নহব। অৱশ্যে সেই ঠাইৰ স্থানীয় ভাল ঠিকাদাৰ পালে বেলেগ কথা। গতিকে ভাল কামৰ কাৰণে ডাঙৰ ঠিকাদাৰ দিব লাগিব। এই খিনিকে কৈ মই মাননীয় সদস্য সকলক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি দাবী কেইটা পাচ কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীনগেন বৰুৱা : মহোদয়, যোৱা তিনি চাৰি বছৰে গাৱলীয়া ৰাষ্টা উন্নয়নৰ কাৰণে কোনো টকা পোৱা হোৱা নাই। গতিকে চৰকাৰে এই গাৱলীয়া ৰাষ্টা বিলাকৰ উন্নয়নৰ কাৰণে কি ব্যৱস্থা লৈছে?

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : নতুন দলং কৰিবৰ কাৰণে নতুন ৰাষ্টা দাইভাৰচন কৰা

হৈছে। ৰাষ্টাৰ কাৰণে যি মাটি লোৱা হৈছে সেই মাটিৰ ক্ষতিপুৰণ ডুখীয়া ৰাইজক সোনকালে দিলে ভাল হয়। তাৰোপৰি বক্সিৰ হাটৰ ডাক বঙলাৰ কাম সোনকালে কৰিব লাগে।

মহম্মদ ইদ্রিচ আলী ফকীৰ: ঠেকাৰাগুৰিৰ ৰাষ্টা, ৰেলৱে অভাৰ ব্ৰীজ, আৰু মিকিৰ পাহাৰৰ লগত ভৈয়ামৰ ৰাষ্টাটোৰ যোগাযোগ সোনকালে কৰি দিব লাগে।

আবুল হুচেইন মীৰ: সত্ৰৰ আউট পোষ্ট আৰু ঢিং থানাৰ কাম তিনি বছৰেও হোৱা নাই এইবিলাক কাম সোনকালে কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে আৰু এইবিষয় অনুসন্ধান কৰিব লাগে।

শ্ৰীপুষ্পধৰ চলিহা: ব্ৰহ্মপুত্ৰত শিলঘাটৰ পৰা ভোমোৰাগুৰিৰ দলং খনৰ বিষয়ে কেন্দ্ৰৰ পৰা কিবা আশ্বাস পাইছে নেকি?

মহম্মদ ইদ্রিচ (মন্ত্ৰী): ডাঙৰীয়াৰ প্ৰশ্নটো অতি বৃহত স্বাৰ্থৰ প্ৰশ্ন। সেইটো শিলঘাটৰ দলঙৰ কথাটো আলোচনা চলি আছে। এন, ই, চি, পৰা ৰাষ্টাৰ কাৰণে চাৰ্ভে কৰি গৈছে। আৰু ইনভেষ্টিগেচন কৰিবৰ কাৰণে মঞ্জুৰী দিয়া হৈছে। ফকীৰ ডাঙৰীয়াই যি ঠেকেৰাগুৰিৰ ৰাষ্টাৰ কথা কৈছে সেই ৰাষ্টাটো পঞ্চম পাছ বছৰীয়া পৰিকল্পনাতে লোৱা হব। প্ৰধানী ডাঙৰীয়াই যি কমপেনচেচনৰ কথা কৈছে সেইটো অতি সোনকালে দিবৰ বাবে আমি চেষ্টা কৰিছো। তাৰপিচত মীৰ ডাঙৰীয়াৰ ঢিং থানাৰ সম্পৰ্কত মই কব খোজো যে সেই থানাৰ কাম গড়কাপ্তানী বিভাগৰ হাতত পৰা নাই।

**Mr. Speaker**: Now I put the cut Motion. The Motion is বাজেটৰ দাবীৰ ১ম খণ্ডৰ ২০০-২১৪ পৃষ্ঠাত "২৫৯ গড়কাপ্তানী" শিতানৰ ২২ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৫,২৫,৬৮,৩০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৫,২৫,৬৮,৩০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

(After a pause)

The cut Motion is lost

Now, I put the motion. The motion is that a sum of Rs. 5,25.68,300 be granted to the Minister-in-charge to dafray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "259—Public Works."

(The grant is passed)

Grant No. 48 : There is no cut-motion. The motion is that a sum of Rs. 99,73,700 be granted to the Minister in-charge to defary the charge as which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "283—Housing-C-Government Residential Buildings (III) P. W. D."

( The grant is passed )

Grant No. 85

The cut motion is withdrawn. Has the Hon'ble Members leave of the House to withraw the Motion, ( voices ; Yes, yes ). I now put the main motion. that a sum of Rs. 15,10,85,300 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending 31st March, 1977, for the administration of the head "337--roads and bridges."

.. ..the motion is passed and grant is passed.

Grant No. 90 : There is no cut motion. I put the main : Motion : "That a sum of Rs. 52,04,300 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending 31st March, 1977 for the administration of the head "459—Capital Outlay on Public Work."

the motion is passed. The grant is passed.

Grant No. 91 : There is no cut motion. I put the main motion. "That a sum of Rs. 2,77,38,500/- be granted to the Minister in charge to defray the charges that will come in course of payment during the year ending 31st March, 1977, for the administration of the head "477—Capital Outlay on Education, Art and Culture, 480—Capital outlay on Medical. 481—Capital Outlay on Family Planning, 482—Capital Outlay on Public Health, Sanitation and Water Supply, 488—Capital outlay on Social Security, Welfare-E-Welfare Programme, 495—Capital outlay on other social and community service, 510 Capital outlay on Animal Husbandry, 514—

Outlay on Community Development and 544—Capital outlay on other transport and communication services."

..the motion is passed, the grant is passed.

Grant No. 92 : There is a cut motion. It is withdrawn. Has the Hon'ble Members leave of the House to withdraw the motion ? ( voices Yes, Yes ). The cut motion is withdrawn.

I put the main motion : "That sum of Rs. 24, 43,000 be granted to the Minister in charges which will come in course of payment during the year ending the 31st March, 1976. For the administration of the head "483 – Capital Outlay on Housing-A-Gevernment Residential buildings.",

.. the motion is passed, the grant is passed

Grant No. 103 : There is a cut motion. It is withdrawn. Has the Hon'ble Members leave of the House to withdrawn the cut motion. (voices Yes, Yes). The cut motion is withdrawn, I now put the main motion "That a sum of Rs. 3,77,30,000 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "537—Capital Outlay on Roads and Bridges."

..the mation is passed, the grant is passed.

Now item No. 3

## CALLING ATTENTION

Shri Abdul Hannan Choudhury : Sir, under Rule 54 of the Rules of procedure and Gonduct of Business in Assem Legislative Assembly. I beg to call the attention of the Minister, Home, to the new item appearing in the Assam Tribune, dated 13th January 1976 under the caption "During decoity at Howli."

★Shri Hiteswar Saikia (Minister, Home) : On 10.1.76 at 8-45 A.M. Shri Raghunath Prasad, Chowkidar of Basic Training Centre

*Speech not corrected

Howli. lodged an F.I.R. at Howli Police Outpost that on 9.1.76 at about 12 P.M. a dacoity took place in his house. There were about 10/11 dacoits armed with lathis. They assaulted him and his wife and took away a radio gold and ornaments and clothes worth Rs. 3431/-.

Just after committing the above dacoity the same gang also committed dacoity in the house of Shri Haren Ch. Das another Chowkidar of the Basic Training Centre living in the same compound and forcibly took away gold ornaments and clothes worth Rs. 1,125/-. Hearing hue and cry Shri Mohinath Goswami, Principal of the Basic Training Centre came out of his quarter which is about 50 yards from the place of occurrance, But he accidently fell down and sustained injury on his right hand. The dacoits used crackers and the Principal came back to his quarter out of fear. There is now avidence of gun being used. Shri Raghunath Prasad and his wife Smti. Janaki Devi sustained minor infuries and they were discharged by doctor after giving first aid.

This refers to Barpeta P. S. case No. 25(1) 76 u/s 395 I.P.C. Four persons, viz. Tara Mia. Suraj Mia, Hajmat Ali and Kamalaswar Boro have been arrested and forwards. Suruj Mia and Kamaleswar Boro have been released on bail from Court and the remaining two are still in jail hajot.

শ্ৰীআব্দুল হান্নান চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দিত পাকিস্তানী চেক পষ্ট' এটা আছে। আমাৰ ৰাজ্যিক স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ ঘৰো তাতে। তেখেতে এইটো ভালকৈ জানিব। হাইলাকান্দি এখন 'ইম্পৰ্টেন্ট জাগা। 'নেচনেল হাইওৱে' দি তালৈ বাহিৰৰ পৰা বহুতো মানুহ আহে। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি তাত এটা পূৰ্ণ পৰ্য্যায়ৰ 'আউটপষ্ট' খোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : এইটো পৰীক্ষা কৰি চাব লাগিব।

শ্ৰীআব্দুল হান্নান চৌধুৰী : হাউলীথন যিহেতু বাণিজ্যিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ জাগা হৈ উঠিছে আৰু তেনেক্ষেত্ৰত বাহিৰৰ পৰা বহুতো মানুহে তাত থোপনি

পুতিছেহি আৰু কিছুমান কাৰ্য্যকলাপত লিপ্ত হৈও পৰিছে গতিকে সেইটোলৈ লক্ষ্য কৰি তাত এনে পূৰ্ণপৰ্য্যায়ৰ থানা দিবলৈ ব্যৱস্থা হাতত লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : সেইটো পৰীক্ষা কৰি চাম বুলি কৈছোৱেই ।

শ্ৰীকন্দৰ্প দাস : চহৰৰ মাজমজিয়াত যিবিলাক ঘটনা হৈ গল সেই সম্পৰ্কে পুলিচে জনা নাছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : পুলিচ আছিল ।

## DISCUSSION UNDER RULE 49

★ শ্ৰীজগদীশ দাস : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৪৯ নং নিয়ম অনুসৰি ১৯৭৬ চনৰ ৩ মাৰ্চ তাৰিখে শ্ৰীলক্ষ্মীকান্ত শইকীয়া ডাঙৰীয়াই সোধা ২১৩ নং তাৰাংকিত প্ৰশ্নোত্তৰত উত্তৰ হোৱা "অনুসূচীত জাতিৰ কল্যাণৰ বাবে আঁচনি" বিষয়টোৰ সম্পৰ্কে আলোচনা উত্থাপন কৰিলো । এই আলোচনা আৰম্ভ কৰাৰ আগতে মই আজি মাননীয় ৰাজিক ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছোঁ। এই কাৰণেই যে তেখেতে চাৰি লাখৰ বেছি টকা মাছমৰীয়া এই বৃহত জনসংখ্যাৰ লোকৰ ঘৰ সাজিবলৈ দিছে। এই শিতানত এই বিভাগে আজি অনুসূচীত জাতিৰ কাৰণে ১০ লাখ আৰু অনুসূচীত জনজাতিৰ কাৰণে ১২ লাখ টকা আৰু লগতে অন্যান্য পিচপৰা মানুহৰ কাৰণেও প্ৰায় ৫০ লাখ, গোটেই ৰাজ্যখনৰ আধা অংশ মানুহৰ অৱস্থা অতি নিঃকিন আৰু দুৰ্দশাগ্ৰস্থ হৈ আছে। এই বৃহৎ জনসংখ্যাৰ মানুহৰ কল্যাণ মূলক কাম কৰিবলৈ এটা বিভাগৰ জৰিয়তে নিশ্চয় অসুবিধা হৈছে কিয়নো এই মানুহখিনিৰ বিৰাট সমস্যা লৈ চাই এই দিপাৰ্টমেন্টৰ কামৰ বোজা অত্যান্ত বাঢ়িছে আৰু সেইকাৰণেই এই মানুহ খিনিয়ে আজি বিষম ভাবে ভুগিব লগীয়া হৈছে। এই একেটা বিভাগে এই মানুহ খিনিৰ কল্যাণমূলক কামৰ বাহিৰেও মিজু চেল, হিল চৰ কাম আৰু নগালেণ্ড মেঘালয় আৰু এই ধৰণৰ পাহাৰী জিলা বিলাকৰ কাম এই বিভাগেই তদাৰক কৰিছিল বদিও এতিয়া সেইবিলাক পাহাৰী ৰাজ্য পৃথক হ'ল ইত্যাদি এটা বিৰাট দায়িত্ব আৰু বোজা এই বিভাগটোৱেই কঢ়িয়াব লগীয়া হৈছে। কিন্তু আমি আগৰে পৰা এই যে পাহাৰী ৰাজ্য কেইখনক বুকুৰ মাজত সুমুৱাই লব নোৱাৰিলো ফলত সেই মানুহ খিনিয়ে নানা বিক্ষুভ আৰম্ভ কৰিলে আৰু আমাৰ পৰা আতৰি গ'ল থিক সেইদৰে এতিয়া যদি আমাৰ ৰাজ্যত থকা এই মানুহখিনিক আমি বুকুৰ মাজত সোমাই লব নোৱাৰো

•Speech not corrected

তেতিয়াহলে এওঁলোকেও বিক্ষুভ আৰম্ভ কৰি আমাৰ পৰা আতৰি যাবলৈ বিচাৰিব। আজি চাওক উদয়াচলৰ দাবি কিয় আহিল, ইয়াৰ গুৰিতে আমাৰ এই মানুহখিনিৰ অৰ্থনৈতিক অৱস্থা অতি বেয়া, গতিকে এই মানুহখিনিৰ আৰ্থিক অৱস্থা যদি আমি উন্নত কৰিব নোৱাৰো কেৱল মিঠা কথা কৈ তেওঁলোকক ভুৰা দি থাকো তেতিয়া হলে তেওঁলোকক আমি আপোন কৰি লব নোৱাৰিম। গতিকে এই মানুহখিনিৰ আৰ্থিক উন্নতি কৰিবৰ কাৰণে এই বিভাগটোৰেই প্ৰধান দায়িত্ব কিন্তু সেই দায়িত্ব এই বিভাগটোয়ে পালন কৰিব পৰা নাই। আজি এনে অৱস্থাত এই বিভাগটোত চৰকাৰী কৰ্মচাৰীৰ ৫০ ভাগ চাকৰিয়াল এতিয়াও ফিলআপ কৰা নাই যিমানটো ষ্ট্ৰেংন্থ এতিয়ালৈকে আছে তাৰে এই কামবিলাক কোনো মতে কৰিব নোৱাৰিব। বৰ্ত্তমান যি ৫০ ভাগ ষ্ট্ৰেংন্থৰ ষ্টাফ আছে তাৰে তেওঁলোকে কোনো মতেই এই সমস্ত কাম কৰিবলৈ হোৱাই এই বিভাগৰ কাম-কাজ বিলাক পৰি থাকিব লগীয়া হৈছে। এজন আন্দাৰ চেক্ৰেটাৰীয়ে ইমানবিলাক কাম অকলে কৰিব লগীয়া হোৱাই তেওঁৰ যথেষ্ট অসুবিধা হৈছে, এই আন্দাৰ চেক্ৰেটাৰীজন নথকা হলে এই বিভাগৰ কাম যে কেনে ভাবে চলিলেহেতেন কব নোৱাৰো, তাৰ পিছত মেডিকেল চেক্ৰেটাৰীৰ এজনৰ তলত এই বিভাগটোয়ে আগতে কাম কৰিছিল অৱশ্যে এতিয়া এজন নতুন চেক্ৰেটাৰী আহিছে, তেখেতেও বেচি ভাগ সময় এই বিভাগৰে বিভিন্ন মিটিংত থাকিব লগীয়া হোৱাই আজৰি নোপোৱা হৈছে, মই অৱশ্যে তেখেত সকলৰ ওপৰত কোনো দোষাৰোপ কৰিবলৈ বিচৰা নাই। এই বিভাগৰ মন্ত্ৰী জনাৰো সেইদৰে কামৰ বোজাত পৰি সকলো পিনে চকু দিয়াতো অসম্ভৱ হৈ পৰিল। কিন্তু যিহেতু দায়িত্ব আছে তেতিয়া-হলে সকলো দায়িত্ব থিক মতে পালন কৰিব লাগিব, যদি থিক মতে পালন কৰা নহয় তেতিয়াহলে এই ধৰণৰ আলোচনা বিলোচনাৰ সন্মুখীন হবই লাগিব আৰু তাৰ কাৰণে জনসাধাৰণক উত্তৰ দিব লাগিব। বিভাগীয় মন্ত্ৰী এগৰাকী আছে তেখেতে যিমান দুৰ পাৰে চেষ্টা কৰিছে কিন্তু তাৰ মাজতো যদি কোনোবা মানুহ বঞ্চিত হৈ থাকে তেতিয়াহলে তেওঁ তাৰ প্ৰত্যুত্তৰ দিব লাগিব ৰাইজক। গতিকে এই কথা বিলাকলৈ ভাল ধৰণে দৃষ্টি ৰাখি যাতে কৰিবলগীয়া কামখিনি অনতিপলমে হাতত লয় তাৰ কাৰণে চৰকাৰক সকিয়াই থলো।

( ন কোৰাম )

যদি ইয়াৰ পিচতো কোনো ব্যৱস্থা নলয় তেতিয়াহেলে ইয়াৰ পৰা এটা বেয়া পৰিণাম চৰকাৰে ভুগিব লাগিব। বহু সময়ত আমি দেখিছোঁ আমাৰ এই এডভাই-জাৰী কমিটিৰ যিবিলাক মিটিং হৈ থাকে তাৰ কোনো ধৰণৰ কাৰ্য্য বিৱৰণী আমি পোৱা নাই, বহু সময়ত এই বিলাক ক্ষেত্ৰত খেলি-মেলি আমাৰ চকুত পৰিছে অকল

সেয়েই নহয় চাব-ডিভিজনেল লেভেলতো এই বিলাক ক্ষেত্রত বহুত খেলি-মেলি দেখা পোৱা গৈছে। এডভাইজাৰী কাউনচিলে বহু কষ্ট কৰি ২টা ৰিপোর্ট থিক-থাক কৰি চাবমিট কৰিলে কিন্তু আজিলৈকে সেইটো প্রিন্ট কৰা নহল, চৰকাৰী ধন এই দৰে অপচয় কৰাৰ কি অধিকাৰ আছে। কিয়নো বহু কষ্ট কৰি এই ৰিপোর্ট বিলাক চৰকাৰৰ ধনৰে অনুশোধন কৰা হৈছে কিন্তু সেই কাগজ-পত্র বিলাক কোনোবা চকুত আজিও পেলাই থৈছে। গতিকে এনে ধৰণে বলিয়ামি কৰি থাকিলে একো নহব।

মাননীয় অধ্যক্ষ : বলিয়ামিটো উঠাই লওক।

শ্রীজগদীশ দাস : মই বেজাৰ পাইহে কৈছোঁ, মই নিজকে এইদৰে বলিয়ামি কৰি থাকিলে লাভ নহব বুলি কৈছোঁ, থিক আছে উঠাই লৈছোঁ বাৰু।

অধ্যক্ষ মহোদয়, এই বিলাক কথা বৰ দুখতহে উল্লেখ কৰিছো। চতুর্থ পৰিকল্পনাত আচলতে পাচ কোটি টকা দিয়া বুলি মন্ত্রী মহোদয়ে কৈছিল কিন্তু বিভাগীয় এই কাগজৰ পৰাই আমি গম পাইছো যে সঁচাকৈয়ে পাচ কোটি খৰচ কৰা হোৱা নাই। ইয়াত এইটো কথা লিখা আছে যে

"During the Fourth Plan period the approved outlay for the Welfare of Backward classes programme (State Sector) for Assam was Rs. 500·00 lakhs and against this the expected expenditure is Rs. 496·71 lakhs. ...

যোৱা চতুর্থ পৰিকল্পনাত পাচ কোটি টকা দিয়া হৈছিল যদিও চাৰি কোটিৰ অলপ বেছি টকা খৰচ কৰা হল।

চতুর্থ পৰিকল্পনাৰ পিচত এতিয়া পঞ্চম পৰিকল্পনা আহিছে। ইয়াত লিখিছে যে—

"The outlay allocated for the State Sector Welfare of Backward Classes Programme for Assam during the Fifth Plan is Rs. 500·00 lakhs equal to the outlay of the Fourth Plan for this progamme ...

আচলতে চাবলৈ গলে পাচ কোটি টকা দিয়া সত্ত্বেও খৰচ কৰাৰ সীমাৰেখা পাচ কোটি বান্ধি দিয়া সত্ত্বেও চাৰি কোটি ছিয়ানব্বৈ লাখ একসত্তৰ হাজাৰ টকাহে আচলতে খৰচ কৰিছে। আকৌ ১৯৭৪-৭৫ চনৰ কাৰণে সাতাইশ লাখ পচিশ হাজাৰ ষ্টেট চেক্টৰ আৰু ষোল্ল লাখ টকা কেন্দ্রীয় চেক্টৰৰ পৰা খৰচ কৰিবলৈ দিয়া হৈছিল। এইটো চতুর্থ পৰিকল্পনাত ছোৱালী হোষ্টেলৰ কাৰণে খৰচ কৰিব দিয়া হৈছিল কিন্তু সেই টকা

আচলতে মাননীয় সদস্য সকলে উত্থাপন কৰাৰ নিচিনাকৈ পাবলগীয়াই পোৱা নাই সেইটো সিমান ঠিক সঁচা নহয় কিন্তু আচলতে পোৱা টকাৰ কিমানখিনি কাম হৈছে সেইটোযে পৰ্য্যবেক্ষণ কৰা হোৱা নাই সেইটোহে আচল কথা।

অধ্যক্ষ মহোদয়, ছাগলী কিনিবলৈ পইচা দিয়া হল কিন্তু ছমাহলৈ ছাগলি কিনিলে নে নাই খবৰ নাই আৰু কিনা ছাগলী বিলাকো মৰি থাকিল। প্ৰত্যেক ঘৰকে দুটাকৈ মাইকী ছাগলী দিয়া হল যদিও ঘাহ নাথাই পোন্ধৰ দিনৰ পিচতে মৰি থাকিল। যদি এনেকুৱাই কৰা হয় তেতিয়াহলে দুখীয়া মানুহক কেতিয়াও সহায় কৰা নহয়। ইয়াৰ ওপৰি আমাৰ জনজাতীয় লোকক পইচা দিয়া হয়।

এজন মানুহৰ জনমুৰি খৰচ যদি চৈধ্য টকা হয় কেনেকৈ উন্নতি কৰিব পাৰিব। হিলচ্ ৰ ক্ষেত্ৰত এহাজাৰ বা বাৰশ টকা। তেৰ টকা জনমুৰি খৰচ কৰি দহ লাখ মানুহক উন্নতি কৰিবলৈ গলে কিমান ফল পোৱা যাব সেইটো সহজেই অনুমান কৰিব পাৰি। যিকোনো ঠাইতেই ঘৰ এটা সাজিবলৈ এহাজাৰ টকাৰ কমত নহয় অথচ মহকুমা ভিত্তিত মাত্ৰ দুই চাৰি হাজাৰ টকা পাইছে। দহ হাজাৰ হলেও মাত্ৰ দহ-জনেহে পাব পাৰে। তাৰ উপৰিও দিয়া টকাখিনি ঠিকমতে ব্যৱহাৰ কৰা হৈছে নে নাই তাকে চাবলৈও মানুহ নাই। বৃত্তি যিবিলাক দিয়া হৈছে সেইটোৰ দ্বাৰা কোনো লোক উপকৃত হব পাৰিছে নে নাই সেইটোও চাবলগীয়া কথা। কিন্তু দিয়া সকল সকলোৱেই উপকৃত হৈছে বুলি কেতিয়াও স্বীকাৰ কৰিব নোৱাৰি। যিখিনি মানুহক দিয়া হৈছে তাৰ কম ভাগহে উপকৃত হৈছে বুলি ডাঠি কব পাৰো। চতুৰ্থ পৰিকল্পনাৰ যিখিনি বৃত্তিৰ টকা সেইখিনি পঞ্চম পৰিকল্পনাত প্ৰথম প্লেনতে নৰ্মেল হব লাগিছিল। কিন্তু বিভাগৰ হেমাহিৰ কাৰণে এইটো নৰমেল নকৰাৰ কাৰণে হাজাৰ হাজাৰ লৰা বঞ্চিত হবলগীয়া হৈছে। আৰু চাপ্লিমেণ্টৰি বাজেটৰ পৰা দিয়াৰ বন্দবস্ত কৰিছে। এইটো চতুৰ্থ প্লেনৰ টকা নৰমেলাইজ নকৰাৰ কাৰণে দিব পৰা নাছিল। যদি বিভাগীয় অৱস্থাই এই ৰকমৰ হয় তেতিয়াহলে আমাৰ দুখীয়া মানুহবিলাকে কি সাহসত লৰা ছোৱালী স্কুল কলেজত পঢ়াব পাৰিব। এতিয়া ৰেডিঅ' আদিৰ যোগেদি অনুসূচীত জাতিৰ লোকে উন্নতি কৰিছে বুলি ঘোষণা কৰিছে কিন্তু আচলতে যদি অৱস্থা এনেকুৱাই হয় তেতিয়াহলে দুখীয়া গাৱলীয়া মানুহখিনিয়েহে সঠিক জানিব। তেওঁলোক কিমানখিনি উপকৃত হব পাৰিছে। যদি সঁচাকৈয়ে আগবাঢ়িব লাগে তেতিয়াহলে আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। আজি যিবিলাক আঁচনি লোৱা হৈছে সেই বিলাকৰ দ্বাৰাযে মুঠেই উপকৃত হোৱা নাই সেইটো নহয়, কিন্তু আচলতে যিমানখিনি উপকৃত হব লাগিছিল সিমানখিনি হোৱা নাই। ইয়াৰ মূল কাৰণ হৈছে আঁচনিৰ পৰ্য্যবেক্ষনৰ অভাৱ। মাটি পাইছে যদিও মাটিত যদি খেতি কৰিব পৰা নাযায়

তেতিয়াহলে মাটি পোৱাৰ দ্বাৰা বিশেষ কোনো কামত নাহিব। উচ্চ শিক্ষাৰ কাৰণে চৰকাৰৰ পৰা টকা দিয়া হৈছে যদিও আচলতে সেই টকা শিক্ষাৰ কামত লগা নাই। মানুহৰ খাবলৈ পিন্ধিবলৈ নাই কাৰণেই সেই টকাৰে ভাত কাপোৰৰ ব্যৱস্থা কৰিছে। নহলে বা ঘৰৰ অৱস্থাকে ভাল কৰিবলৈ চেষ্টা কৰিছে। ফলত যি উদ্দেশ্যেৰে টকা দিয়া হৈছিল সেই উদ্দেশ্যত লগোৱা হোৱা নাই। ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি আদি দিয়াৰ ক্ষেত্ৰত এনেকুৱাই হৈ আছে। ইয়াৰোপৰি চোচিঅ' ইকনমিক চাৰ্ভে এটা কৰিছিল তাঁৰো কি ব্যৱস্থা ললে, অৱশ্যে কিছুমান কাম কৰা হ'ল কিন্তু সেই কাম বিলাকো আজিলৈ কি হৈছে একো জানিব পৰা হোৱা নাই। তাৰ পৰা কিবা উপকাৰ হলনে, কোনো এচাম উপকৃত হলনে তাকো জানিব পৰা নাই।

সেই পইচা কেনেকৈ দিব লাগে কি কৰিব লাগে তাৰ কোনো উল্লেখেই নাই। আজি এবছৰে পইচা দিব নোৱাৰাৰ কাৰণ কি ? কি কাৰণে সেই পইচা আজিলৈকে দিয়া নাই ? সেই টকা জমাই ৰাখি এঠাইত থৈ দিলে 'চিডিউল কাষ্ট'ৰ উন্নতি হব নেকি ? বৰ্ড গঠন কৰিছে। মন্ত্ৰী মহোদয়ে কৈছে, বৰ্ডৰ জৰিয়তে যিমানখিনি সুবিধা দিব পাৰি সেই সুবিধাৰ কাৰণে ব্যৱস্থা কৰিব। তাৰ কাৰণে তেখেতক ধন্যবাদ দিছোঁ। কিন্তু বৰ্ডেহে সেই কাম কৰা নাই। কাৰণ বৰ্ডৰ কাম কৰিবলৈ সুবিধা দিয়া হোৱা নাই। টকা নেপালে বৰ্ডে কি কৰিব ? বৰ্ডৰ কাম চাবলৈ এজন 'ওৱেলফেয়াৰ অফিচাৰ' নিয়োগ কৰাৰ কথা আছিল। কিন্তু আজিলৈকে সেই ব্যৱস্থা কৰা নাই। বৰ্ডক যি বিলাক কাম কৰিবলৈ দিয়া হৈছে সেই ক্ষেত্ৰত অফিচাৰ ফালৰ পৰা যি সহায় পাব লাগে তাৰ কোনো ব্যৱস্থা কৰা নাই। যি ব্যৱস্থা কৰিছে সেইটোও ঠিকমতে হোৱা নাই। গাঁৱৰ কিছুমান মানুহে দৰ্খাস্ত লৈ টকা পইচা খৰছ কৰি টাউনলৈ আহি কতনো বৰ্ড আছে বিচাৰি নেপাই যি কোনো অফিচতে দৰ্খাস্তখন পেলাই থৈ যায়। তাৰ পিছত দৰ্খাস্তৰ কোনো নিৰাপত্তাই নোপোৱা হৈ পৰে। এই ধৰণৰ কথাই হৈ আছে। এই বৰ্ড পৰিচালনা কৰিবৰ কাৰণে যি ওৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰাৰ কথা আছিল মই জনাত বৰ্ত্তমান তাত ব্যৱস্থা হৈছে যদিও আমাৰ মানুহৰ মাজৰপৰা দিলে ভাল হলহেতেন। যি হেতুকে আমাৰ মানুহৰ মাজত এ, চি, এৰ্চ মানুহ কোনো নাই সেই গতিকে 'জেনেৰেল'ৰ পৰা দিয়া হৈছে। আমাৰ মানুহ দিয়া হলে আমাৰ মানুহ কিছুমানে চাকৰি পালেহেঁতেন। কিন্তু 'জেনেৰেল' মানুহ দিছে যেতিয়া তেওঁলোকেই পাই থাকক।

মন্ত্ৰী মহোদয়ক এইটো কথা কব খুজিছো যে, এই যি টকা দিয়ে সেইখিনি এটা গোট হিচাবে দিয়ক আৰু টকাখিনি চিডিউল কাষ্ট চিডিউল ট্ৰাইব আৰু অন্যান্য জাতিৰ মাজত ভাগ কৰি দিয়া হয়। কিন্তু এই ক্ষেত্ৰতো বহুত তাৰতম্য হৈছে। 'চিডিউল কাষ্টক যিখিনি টকা দিয়া হৈছে তুলনামূলক ভাৱে বহুত কাম হৈছে।

তেওঁলোকে কিছুদিন আগতে কলে জনসংখ্যা ভিত্তিত বিবেচনা কৰি এইটো টকা দিয়া হব কিন্তু সেইটো চালে জনসংখ্যা অনুযায়ী তেওঁলোকৰ ১২ হলে আমাৰ ৯ হব লাগে। আৰু তেওঁলোকৰ ৯ হলে আমাৰ তিনি হব লাগে। কিন্তু এতিয়া দুগুণতকৈ বেছি হৈছে। আমাৰ মানুহৰ কাৰণে সমস্যাৰ সমাধান কৰাৰ কাৰণে আলোচনা বিলোচনা কৰি থাকিয়েই প্ৰকৃত কাম নহয় আৰু উন্নতিও নহব। সেই কাৰণেই মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে সকলোকে সমভাৱে চাই আৰু এইখিনিতে আশা ৰাখি মই মোৰ বক্তব্য সামৰণী মাৰিলো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য দাস ডাঙৰীয়াই যোৱা মাৰ্চ মাহৰ তিনি তাৰিখে উল্লেখিত ২২৩ প্ৰশ্নোত্তৰৰ সন্দৰ্ভত আলোচনা কৰিবলৈ গৈ তেখেতে অনুসূচীত জাতিৰ শিতানত চৰকাৰৰ ফালৰ পৰা যি টকা বৰাদ্দ কৰা হয় সেই টকা ঠিকমতে খৰছ কৰা নাই বুলি তেখেতে কৈছে। তেখেতে যি বিলাক কথা কৈছে তাৰ উত্তৰ এটা এটাকৈ দিব বুলি ভাবিছো। প্ৰথমতে মই আপোনাক জনাব খুজিছো যে, কেন্দ্ৰীয় চৰকাৰে পাছ বছৰে, পাছ বছৰে যোজনাৰ টকা গোটেই ভাৰতবৰ্ষতে অনুন্নত শ্ৰেণীৰ কাৰণে আৰু বিশেষকৈ 'চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইব'ৰ উন্নয়নৰ কাৰণে বৰাদ্দ কৰে। এই টকা বিলাক সাধাৰণতে পৰিকল্পনা হিচাবে দিয়া হয়। আমাৰ গোটেই জনসাধাৰণৰ কাৰণে যি আঁচনি গ্ৰহণ কৰে সেই আঁচনি অনুসৰি এড্ হোক হিচাবে কিছুমান বৰাদ্দ কৰা হয়। প্ৰত্যেক পাছ বছৰৰ মূৰে মূৰে টকা বৰাদ্দ কৰা হয়। আমি দেখিছো যে, পাছ বছৰৰ ভিতৰত প্ৰথমে, টক' এলটমেণ্ট কম দিয়ে। পিছত বৃদ্ধি কৰি দিয়ে। চৰকাৰে বৰ্ত্তমান পাছ বছৰীয়া পৰিকল্পনাৰ কাৰণে পাছ কোটি টকা বৰাদ্দ কৰিছে আৰু যোৱা বছৰ ১৯৭৪-৭৫ চনত এক কোটি টকা বৰাদ্দ কৰিছে। ১৯৭৫-৭৬ চনত ৮০ লাখ টকা বৰাদ্দ কৰিছে। অহা বছৰৰ কাৰণে এক কোটি পোন্ধৰ লাখ টকা বৰাদ্দ কৰিছে। এই বৰাদ্দ টকা খিনি সাধাৰণতে তিনিটা ভাগত ভগোৱা হয় আৰু এই ভগোৱা কামটো সাধাৰণতে 'প্লেনিং' বিভাগে আলোচনা কৰে। অনুসূচীত জনজাতিৰ কাৰণে আৰু অনুসূচীত জাতিৰ কাৰণে বিশেষকৈ শিক্ষা উন্নয়নৰ কাৰণে কিছু টকা বৰাদ্দ কৰে। যিখিনি টকা পিচত থাকে সেইখিনি অন্যান্য পিচপৰা জাতি সমূহৰ শিক্ষাৰ কাৰণে বৰাদ্দ কৰা কথাখিনি সচা। কিন্তু যোৱা বছৰৰ পৰা অৰ্থাৎ ১৯৭৫-৭৬ চনৰ কাৰণে বৰাদ্দ কৰা টকাৰ ভাগ ভৈয়ামৰ জনজাতি আৰু অনুসূচীত জাতিৰ এই দুই সম্প্ৰদায়ৰ মাজত জনসংখ্যা ভিত্তিত যিমান পাৰি সিমানখিনি ভাগ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। সেই অনুসৰি

১৯৭৪-৭৫ চনত চিচুবেল কাষ্টৰ আমাৰ বাজিক খণ্ডত ১৯.৬০ লাখ টকা পাইছে আৰু ১৯৭৫-৭৬ চনত ২৭ লাখ টকা পাইছে। কেন্দ্ৰীয় শিতানৰ পৰা ১৯৭৪-৭৫ চনত ৬.৭৫ লাখ আৰু ১৯৭৫-৭৬ চনত ২২ লাখ ৪৫ হাজাৰ টকা পাইছে। এই টকা বৰাদ্দ কৰা হয় সাধাৰণতে জনজাতীয় উপদেষ্টা পৰিষদৰ পৰামৰ্শ মতে অনু-সূচীত জাতিৰ কাৰণে এটা উপদেষ্টা পৰিষদ আছে আৰু উপদেষ্টা পৰিষদত আলোচনা কৰা হয়। এই পৰিষদত আৱশ্যক আচনিবোৰ সদল-বদল কৰে। সেই হিচাবে আচনিবোৰ কাৰ্য্যকৰী হয়। বৰ্ত্তমান পিচপৰা যি বিভাগ আছে এই বিভাগ কাৰ্য্যকৰী কৰাৰ কাৰণে বিশেষ অফিচাৰ নথকাৰ কাৰণে বিভিন্ন শিতানত টকাবোৰ বেলেগ বেলেগ বিভাগৰ দ্বাৰা খৰচ কৰা হয়। স্কুলৰ কাৰণে যিবিলাক বৃত্তি দিয়া হয় সেই টকা বিলাক সাধাৰণতে শিক্ষা বিভাগৰ মাধ্যমত খৰচ কৰা হয়। উদ্যোগৰ টকা উদ্যোগ বিভাগৰ জৰিয়তে খৰচ কৰা হয়। এই টকা যিনি সাধাৰণতে উপদেষ্টা পৰিষদে বন্টন কৰা মতে যি সিতানত বৰাদ্দ কৰা হয় সেই টকা বিলাক প্ৰত্যেক মহকুমাত জনসংখ্যাৰ ভিত্তিত ভাগ কৰা হয়। প্ৰত্যেক মহকুমাত চিচুবেল কাষ্টৰ কাৰণে মহকুমাধিপতি বা ডি, চিক সভাপতি লৈ গঠন কৰা উপদেষ্টা কমিটিয়ে বৰাদ্দ কৰি দিয়ে সেই অনুসাৰে আচনিবোৰ কাৰ্য্যকৰী কৰা হয়। এইদৰে বন্টন কৰি কাৰ্য-কৰী কৰোতে হয়তো বিভিন্ন কাৰণত কাৰ্য্যকৰী নহব পাৰে। কিন্তু সাধাৰণতে দেখা যায় যিখিনি টকা বৰাদ্দ কৰা হৈছে আঁচনি অনুসৰি কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এমপ্লমেন্ট ৰিভিউ কমিটিৰ যিখন প্ৰতিবেদন দাখিল কৰা হৈছে সেইখন এতিয়ালৈকে প্ৰিন্ট কৰা নাই বুলি মাননীয় সদস্য এগৰাকীয়ে আপত্তি দৰ্শাইছে। আমাৰ বিভাগত কৰ্মচাৰীৰ বিশেষ ভাবে অভাব হোৱাৰ কাৰণে এই কামটো পৰি আছে। ইকনমি চাৰ্ভেৰ কথা তেখেতে কৈছে। আৰ্থিক পৰিসংখ্যা লোৱাৰ কাৰণে চৰকাৰে "হাফ এ মিলিঅন যব" স্কীমৰ সহায় লৈ পৰিসংখ্যা লোৱাৰ চৰকাৰে সিদ্ধান্ত লৈছিল। তাত এশজন ভলন্টিয়াৰ আছে। এই পৰিসংখ্যাটো কৰাৰ কাৰণে চেষ্টা কৰা হৈছিল। বিভিন্ন ঠাইৰ পৰা এই পৰিসংখ্যাৰ ৰিপৰ্ট আহিছে। কিন্তু বিশেষভাবে কৰ্মচাৰীৰ অভাব হোৱাৰ কাৰণে এই পৰিসংখ্যা এতিয়াও কম্পাইল কৰিব পৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, এইদৰে কিছুমান আসোৱাহ থকাৰ কাৰণে, যাতে আমাৰ বাইজে সক্ৰীয়ভাবে সেইকাম বিলাক কৰাত সহযোগ কৰিব পাৰে, তাৰ কাৰণে আগৰ এড্ ভাইচৰি গুচাই প্ৰত্যেক মহকুমাতে উন্নয়ন বৰ্ড গঠন কৰি দিয়া হৈছে। এই বৰ্ডবোৰ ঠিকমতে পৰিচালনা কৰা হোৱা নাই বুলি শ্ৰীদাস ডাঙৰীয়াই কৈছে। মই আশা ৰাখিছো অহা বছৰৰ পৰা এই বৰ্ড বিলাক ঠিকমতে পৰিচালনা কৰি লৈ যাব পাৰিম। এই বৰ্ডৰ কাৰণে প্ৰত্যেক মহকুমাত এজন বেচৰকাৰী মানুহক সভাপতি কৰা হৈছে। আৰু প্ৰতি মহকুমাৰ প্লেনিং অফিচাৰক সম্পাদক হিচাবে লৈ বৰ্ডখন গঠন কৰা হৈছিল।

এচ, ডি, অ' আৰু ডি, চি সকলৰ অফিচতে এই বৰ্ডৰ অফিচ দিবৰ কাৰণে অনুৰোধ জনোৱা হৈছে। ডি, চি, আৰু এচ ডি অ' সকলে চিডুৰেল কাষ্টৰ বৰ্ডৰ কাৰণে যি থিনি অফিচৰ ঠাই লাগে ডি, চি আৰু এচ ডি অ'ৰ কাৰ্য্যালয়ত ঠাইৰ অভাব হোৱাৰ কাৰণে দিব পৰা হোৱা নাই। এতিয়া যত যত ঘৰ পোৱা হৈছে ডি, চি আৰু এচ ডি অ' সকলে সক্ৰীয়ভাবে সহায় কৰিছে। এইদৰে কিছু আসোৱাহ ৰৈ গৈছে আৰু যি প্লেনিং অফিচাৰক চেক্ৰেটাৰী কৰিছিল আন বিভিন্ন কাম থকাৰ কাৰণে এই বৰ্ডৰ কাম নিয়াৰীকৈ কৰিব পৰা নাই। সেই কাৰণে ঠিকমতে কামবিলাক কাৰ্য্যকৰি হোৱা নাই। চৰকাৰে বৰ্ত্তমান বৰ্ডখন পৰিচালনাৰ কাৰণে আৰু স্বতন্ত্ৰভাবে যাতে মনোনিবেশ কৰিব পাৰে তাৰ কাৰণে প্ৰত্যেক মহকুমাত এই বৰ্ডৰ কাৰণে এজনকৈ ওৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰা হৈছে। এই ওৱেলফেয়াৰ অফিচাৰ জনে যি কাম কৰিব লগা হব ভবিষ্যতে যাতে তাতোকৈ বেচি কাম কৰিব পাৰে আৰু দায়িত্ব লব পাৰে তালৈ চাই ফাইনেন্সিয়েল পাৱাৰ দিয়াৰ কথাও ভবা হৈছে। সেই কাৰণে ওৱেলফেয়াৰ অফিচাৰ জন এ, চি, এচ ২ ৰ পৰা লোৱাৰ সিদ্ধান্ত কৰা হৈছে। এই সিদ্ধান্ত অনুসৰি এ, পি, এচ, চিৰ ৰিকমেণ্ড কৰি দিয়া লোক সকলোকে ওৱেল-ফেয়াৰ অফিচাৰ হিচাবে নিয়োগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াত এটা প্ৰশ্ন উঠিছে যে যি কুৰি জন ওৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰা হল তাৰ ভিতৰত চিডুল কাষ্ট, চিডুল ট্ৰাইবচৰ এজনো নিয়োগ কৰা হোৱা নাই। কথাটো সচা। এ, চি, এচ কেডাৰ হোৱাৰ কাৰণে আৰু এ, পি, এচ, চিৰ ৰিকমেণ্ডচনৰ প্ৰয়োজন হোৱাৰ কাৰণে এ, পি, এচ, চিয়ে যি কেইজনক নমিনেচন দিছিল তাৰ ভিতৰত জন-জাতীৰ আৰু অনুসূচীত জাতিৰ প্ৰাৰ্থী নাছিল। সেই কাৰণে নিয়োগ বিভাগে এ, চি, এচ—ইঁ কেডাৰৰ প্ৰাৰ্থীৰ নাম আমালৈ দিছিল আৰু সেই হিচাবে আমি তেওঁ-লোকক নিয়োগ কৰিছো। সেই কাৰণেই চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবচৰ মানুহৰ নিয়োগ কৰা নহল।

শ্ৰীজগদ্বীশ চন্দ্ৰ দাস : কোটা পুৰণ কৰোতে কিয় এজনকো দিয়া নহল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : এই বেকলগ পুৰণ হৈছে নে নাই মই নাজানো। নিয়োগ বিভাগে চাৰ্ব। মই আশা ৰাখিছোঁ আগতে যি এচ, ডি, চি নিয়োগ কৰা হৈছিল, সেই বিষয়ে আলোচনা কৰোতে কোৱা হৈছিল যে আগৰথিনি পুৰণ কৰা হৈছে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ এই সদনৰ সদস্য সকলক লৈ চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবচৰ কাৰণে এখন কমিটি গঠন কৰা হৈছে। এই কমিটিয়ে যিবিলাক ৰিজাৰ্ভেচনৰ কথা আছে সেইবিলাক ফিল্ড আপ হৈছে নে নাই চোৱা-চিতা

কৰিব আৰু সেই কমিটিৰ ৰিপোৰ্ট পোৱাৰ পিচতহে কনচিদাৰ কৰিব পৰা হব। আমাৰ মাননীয় সদস্য গৰাকীয়ে এই বছৰৰ টকা খৰছ হোৱা নাই বুলি কৈছে কিন্তু মই আপোনাৰ জৰিয়তে মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো এই বছৰৰ অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে যিখিনি টকা কবায়ত্ব কৰা হৈছে সেই টকা সম্পূৰ্ণভাবে উলিয়াই উন্নয়ন নিগমত ৰখা হৈছে আৰু এই টকাবিলাক মহকুমাবিলাকত জনসংখ্যাৰ ভিত্তিত যাব। মাননীয় সদস্য গৰাকী নিজে নগাওঁ মহকুমাৰ এই কমিটিৰ চেয়াৰমেন, তেখেতে নিশ্চয় এই কৰায়ত্ব কৰা টকাখিনি যাতে ভালদৰে বিতৰণ হয় তালৈ লক্ষ্য কৰিব। মাননীয় সদা গৰাকীয়ে অৰ্থনৈতিক অৱস্থা দুৰ কৰা কেনেকৈ যায় সেইটো কৈছে। মই আগতেও কৈছো। আমাৰ মহকুমা বিলাকত উপদেষ্টা কমিটি আছে আৰু সেই উপদেষ্টা কমিটি যিবিলাক টকা ভাগ কৰি দিয়ে সেই ভাগ কৰি দিয়াত লক্ষ্য কৰি দেখিবলৈ পাইছো তাত অৰ্থনৈতিক দিশলৈ লক্ষ্য নকৰে কাৰণ ধনী গৰীব সকলোৱে সমভাগ পায়। কিন্তু কুৰিদফীয়া কাৰ্যাসূচী অনুসৰি যিখিনি টকা ভাগত পৰে সেইখিনি যাতে অন্ততঃ গৰীব মানুহে পায় তাৰ কাৰণে লক্ষ্য কৰিবলৈ মই বোৰ্ড বিলাকক অনুৰোধ কৰিছো। গতিকে মই আপোনাৰ জৰিয়তে পুনৰ সদস্য গৰাকীক অনুৰোধ কৰিছো যাতে মহকুমালৈ যিখিনি টকা যায় সেইখিনি ভালকৈ লক্ষ্য কৰে। তাৰ পিচত হাউচিং বোৰ্ডৰ কথা কৈছে। হাউচিং বোৰ্ডৰ কাৰণে যিখিনি টকা দিয়া হৈছে সেইখিনি নগণ্য। এই টকাখিনি যিসকল কৃ... গৰীব আৰু অন্তত: দিজাৰভিং তেওঁলোকক কিছু সহায় কৰিব পৰা হব।

তাৰ পিচত ছোৱালী ছাত্ৰাবাসৰ কথা কৈছে। যোৱা বছৰ এই বিভাগৰ পৰা ১ লাখ ৬০ হাজাৰ টকা পোৱা হৈছে। তাৰ পিচত আমাৰ উপদেষ্টা পৰিষদে এটা সিদ্ধান্ত লৈছে যে এই ছাত্ৰাবাস উত্তৰ লক্ষীমপুৰ আৰু গুৱাহাটীত স্থাপন কৰিবৰ কাৰণে। তাৰ পিচত মাননীয় এই কমিটিৰ সদস্য সকলে এই টকাখিনি ঠিক সময়ত খৰছ যাতে কৰিব পৰা যায় লগতে মাটি বন্দোবস্ত আৰু যাৱতীয় বন্দোবস্ত কৰিবৰ কাৰণে দায়িত্ব দিয়া হ'ল। অধ্যক্ষ মহোদয় আপুনি জানে যে মাটি গ্ৰহণ কৰিবলৈ বহুত সুবিধা অসুবিধাৰ মাজত আহিবলগীয়া হয় আৰু সেই কাৰণে মাটি লব পৰা নহ'ল আৰু টকাখিনিও ব্যৱহৃত নহ'ল।

শ্ৰীজগদীশ দাস : মাটিৰ কাৰণে টকা যোৱা নাই। টকাটো বিত্ত বিভাগে নিদিলে, এই কথা সঁচা নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : এই বছৰ চিদিউল কাষ্ট শিতানত যিখিনি টকা আছে আৰু যোৱা বছৰ লক্ষীমপুৰ আৰু গুৱাহাটীত খৰছ কৰিব নোৱাৰা টকা এই গোটেই টকাখিনি গুৱাহাটীত খৰছ কৰিবলৈ উপদেষ্টা কমিটিয়ে সিদ্ধান্ত লৈছে। এই টকাখিনি

খৰছ কৰা বাবে মাটি আৰু যাবতীয় কামত ·পদেষ্টা কমিটিৰ সদস্য সকলকলৈ এটা কমিটি কৰি দিয়া হৈছে। কিন্তু মই আগতে কৈছো মাটি পোৱা টান কথা আৰু এতিয়ালৈকে মাটি বন্দোবস্ত কৰিব পৰা নাই আৰু আমাৰ সন্দেহ হয় আকৌ পইছা খৰছ কৰিব নোৱাৰিম বুলি। তথাপি টকা যাতে খৰছ হয় তাৰ বাবে চেষ্টা কৰি থকা হৈছে। গতিকে আমি যিখিনি টকা পাইছো সেইখিনি যাতে ঠিক সময়ত খৰছ হয় আৰু যাতে চাৰেন্দাৰ নহয় তাৰ বাবে চেষ্টা কৰিয়ে আছো।

Mr. Speaker : Now item No. 5.

## PRESENTATION OF REPORT OF LEGISLATURE COMMITTEE

Shri Promode Chandra Gogoi : Sir, I beg to present the 21st report of the Public Accounts Committee on the Report of the Comptroller and Auditor General of India for the year 1972-73.

Mr. Speaker : The House stands adjourned till 10 a.m. tomorrow the 11th March '76.

## ADJOURNMENT

The House then rose at 5-57 p.m. and stood adjourned till 10 A.M. on Thursday, 11th March, 1976.

P. D. BARUA
Secretary
Assam Legislative Assembly.

Dated Dispur
10-3-76